# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

THIRTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**NOVEMBER - DECEMBER SESSION**

NO. 4

The 1st December, 2005

Price : 18.00

# Debates of the Assam Legislative Assembly

## Thursday, the 1st December, 2005

The House met at 9.00 A. M. of the clock in the Assembly Chamber at Dispur with **Shri Prithibi Majhi, Speaker** in the Chair .

## DISCUSSION ON THE NO-CONFIDENCE MOTION

Mr. Speaker : Now, Discussion on the No-Confidence Motion.
মই মাননীয় সদস্য সকলক প্ৰথমতে এটা কথা জনাই থব খুজিছো যে আজিৰ এই অনাস্থা প্ৰস্তাৱৰ ওপৰত ১২-৩০ বজাৰ পৰা মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব। গতিকে ১২-৩০ ৰ আগতে সকলো বক্তাই কব লাগিব আৰু আপোনালোকৰ বক্তব্যবিলাক অলপ সংক্ষিপ্ত কৰিবলৈ চেষ্টা কৰিব।
**এতিয়া মাননীয় সদস্য, গোস্বামী ডাঙৰীয়াই প্ৰস্তাৱটো উত্থাপন কৰক ঃ**

**★ শ্ৰীবৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়,**অসমৰ ৰাইজে বহুত আশাৰে শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত কংগ্ৰেছ (ই) চৰকাৰখনক ২০০১ চনত ৰাজ্যখনৰ শাসন ক্ষমতাত অধিস্থিত কৰিছিল। বিশ্বস্ত, দক্ষ, নিকা শ্ৰীতৰুণ গগৈৰ নেতৃত্বত তেখেতৰ সতীৰ্থবৃন্দৰ ওপৰত অসমৰ সৰ্ব্বাঙ্গীন উন্নয়ণ হব বুলি অসমৰ ৰাইজে বহুত আশা কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে যোৱা চাৰিটা বছৰত কংগ্ৰেছ (ই) চৰকাৰখনে ক্ষমতা পোৱাৰ পিচত ৰাইজক সকলো দিশত প্ৰৱঞ্চনা কৰি ৰাইজৰ আশা-আকাংখ্যাক ধূলিস্যাৎ কৰিলে। কংগ্ৰেছ (ই) দলৰ এই চৰকাৰখন ইমান দুৰ্নীতি কেলেংকাৰীত জড়িত হব বুলি, অদক্ষ আৰু চূড়ান্ত জনবিৰোধী কাৰ্য্যত লিপ্ত হব বুলি আশা কৰা নাছিল। মুখ্যমন্ত্ৰী তৰুণ গগৈ ব্যতিক্ৰম হব নোৱাৰিলে। পূৰ্ব্বৰ জনবিৰোধী ভ্ৰষ্টাচাৰী কংগ্ৰেছ (ই) নেতৃত্বক তেখেতে অনুসৰণ কৰিলে। ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি একেবাৰে শোচনীয় হ'ল। ৰাজ্যখনৰ শোচনীয় বিত্তীয় পৰিস্থিতিৰ এখন ৰঙীন ছবি দাঙি ধৰিছিল "কেগৰ" প্ৰতিবেদনত সেয়া উদঙাই দিলে। ২০০৪ চনত ২৩৭ দিন অভাৰ ড্ৰাফতত চলিছিল। ৰাজহ ঘাটি ৬৮৫ কোটি বিত্তীয় ঘাটি ১৩৯৫ কোটি নৰ্ম্মছ বহিৰ্ভূত ব্যয় হৈছে। ৰাজহবৃদ্ধি আৰু বৰ্দ্ধিত ব্যয়ৰ ভাৰসাম্যহীনতাৰ বাবে ৰাজ্য চৰকাৰ বিত্তীয় সংকটত ভুগিবলগীয়া হৈছে। এয়া মোৰ নহয়, মুখ্য মহা হিচাপ পৰীক্ষকৰ মন্তব্য। বছৰটোত ৰিৰ্জাভ বেংকৰ পৰা ৫৩ দিন মজুৰি নৰ্ম্মছ অগ্ৰধন আৰু ২৩৭ দিন অভাৰড্ৰাফতত লবলৈ বাধ্য হৈছে। ৰাজ্যখনৰ মুঠ কৰ সংগ্ৰহৰ ৭০

---

* Speech not corrected

শতাংশ সূত পৰিশোধ কৰোতে ব্যয় হয়। ব্যয় নিয়ন্ত্ৰণ বলবৎ কৰাত চৰকাৰখন ব্যৰ্থ হোৱাৰ ফলত ২০০৪ চনৰ ভিতৰত পৰিকল্পনা আৰু দৰ্ম্মহা বৰ্হিভূত ব্যয় বৃদ্ধি পাইছে। আনহাতে চেন্তাৰ ফৰ পলিচি অলটাৰনেতিভ চচাইটিৰ প্ৰতিবেদনত অসমৰ জনমুৰি উন্নয়ণ দুখ লগা। বাকী ৰাজ্য কেইখনৰ ৬,৭৮৬ টকাৰ বিপৰীতে অসমত মাত্ৰ ৩,৬১৫ টকা। শেহতীয়াকৈ কোটি কোটি টকাৰ উন্নয়ণৰ আঁচনিৰে নিৰ্ব্বাচন কেন্দ্ৰিক ৰাজনৈতিক চমকৰ বাবে গগৈ চৰকাৰে হাত উজান দিয়াৰ সময়ত দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কেইবা কোটি টকাৰ ব্যাপক অনিয়ম কৰাৰ অভিযোগ উত্থাপিত হৈছে। আনকি দশম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ কেন্দ্ৰই মুকলি কৰি দিয়া বিপুল ধন ৰাশিৰ খৰচত কেন্দ্ৰক আভুৱা ভৰা বুলি গুৰুতৰ অভিযোগ উঠিছে। পেট্ৰল, ডিজেল, গেছৰ দাম বাঢ়িল। বজাৰত আলু, পিয়াজ, দাইল, চেনী আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বাঢ়িল। নগৰীয়া অঞ্চলৰ যুগ যুগ ধৰি বসবাস কৰা দিন হাজিৰা কৰা মানুহৰ দখলী মাটিৰ মূল্য চৰকাৰে আকাশলংঘী কৰিছে। শিক্ষা বিভাগ এতিয়া বেপাৰ বাণিজ্যৰ প্ৰতিষ্ঠানলৈ পৰিণত হ'ল। ধনৰ লেন দেন নহলে একোৱেই নহয়। গড়কাপ্তানী, জনজাতি উন্নয়ণ আদি বিভাগত, স্বাস্থ্য, জলসম্পদ বিভাগত কেলেংকাৰী, অসামৰিক যোগন বিভাগত কোটি কোটি টকাৰ ঘেহু কেলেংকাৰী, প্ৰতিটো বিভাগত অবাধ লুণ্ঠন, ভূমি কেলেংকাৰী, ৰাজধানী প্ৰকল্পত কোটি কোটি টকাৰ দুৰ্নীতি, ৪০৪.৭৫ কোটি টকাৰ ষ্টাম্প পেপাৰ কেলেংকাৰী। এইখনেই গগৈ নেতৃত্বৰ চৰকাৰৰ বিকশিত অসম।

কিন্তু অধ্যক্ষ মহোদয়, চৰকাৰে কি প্ৰতিশ্ৰুতি লৈ ক্ষমতালৈ আহিছিল। নগাঁৱৰ কোষাগাৰৰ পৰা ৫০০ কোটি টকাৰ কেলেংকাৰী, মধ্যাহ্ন ভোজনৰ ১০ কোটি টকা লৈ মন্ত্ৰী, বিধায়ক আৰু অন্যান্য সকলৰ মাজত হোৱা কেলেংকাৰীৰ কথা নকওঁৱেই। আজি অভিযোগ উঠিছে কক' উদ্যোগৰ ক্ষেত্ৰত অভিযোগ উঠিছে, শিক্ষাৰ ক্ষেত্ৰত মাছুল বাঢ়িছে, চিকিৎসালয়ৰ মাছুল বাঢ়িছে পাঁচবাৰ কৈ, পেট্ৰ'ল, ডিজেল, গেচ আদিৰ দাম বাঢ়িছে। আলু, পিয়াঁজ আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যাধিক দাম। শিক্ষা বিভাগৰ কথা কবলৈয়ে নাই। শিক্ষা বিভাগটো এতিয়া বেপাৰ-বাণিজ্যৰ প্ৰতিষ্ঠানলৈ পৰিণত হ'ল। অধ্যক্ষ মহোদয়, কলেজৰ শিক্ষকসকলে অনুদান আদিৰ কথাৰে শিক্ষা বিভাগলৈ আহিলে বিনা টকাৰে কাম নহয়, স্তৰে স্তৰে টকা নিদিলে কোনো কাম নহয়। এই বিষয়ত মই বহুত বেছিলৈ নেযাওঁ। পোষ্ট এডজাষ্টমেণ্ট আদি কৰি যি কোনো কামৰ বাবে মন্ত্ৰী মহোদয়ে লিখি দিয়াৰ পিচতো কাম নহয়। এই বিভাগটোত ব্যাপক দুৰ্নীতিৰে ভৰি পৰিছে, সেই কাৰণেই কব লগা হৈছে এই বিভাগটো এটা ব্যৱসায় - বাণিজ্যৰ প্ৰতিষ্ঠানলৈ পৰিণত হৈছে। এইবিভাগত ধনৰ লেন-দেন হয়।

গড় কাপ্তানি বিভাগৰ বিষয়ে যোৱা কালি আলোচনা হৈছে। স্বাস্থ্য আৰু

কৃষি বিভাগৰ বিষয়ে অলপ পিচতে মই তথ্য সহকাৰে কম। এইকেইটা বিভাগত অবাধ লুণ্ঠন চলি আছে। ৪৭৫ কোটি টকাৰ ষ্টাম্প কেলেংকাৰীৰ কথা আপোনালোক সকলোৱে জানেই। এইখন বিকশিত অসমত ধৰ্মজ্যোতি, কৃষকজ্যোতি, বয়ণজ্যোতি অসম বিকশাই তোলাতকৈ অমানিশাৰ আন্ধাৰহে নমাই আনিছে। মই এই কেইটা বিষয়ে তথ্য সহকাৰে দাঙি ধৰিম। মই এতিয়া কব খুজিছোঁ যে এইখন চৰকাৰৰ দিনত সকলোৰে দাম বাঢ়িছে, মানুহৰ দামহে এইখন চৰকাৰে বঢ়াব নোৱাৰিলে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইখন বিকশিত অসমত অসমৰ মাৰ্ঘেৰিতাত এখন হিন্দী স্কুলত কণ কণ শিশুৰ মাজত সংঘৰ্ষৰ আৰম্ভ হোৱাত তেজৰ ফাঁকু খেলোৱা কাম আৰম্ভ হৈছিল। ইয়াৰ পিচত আৰু একো এৰি থকা নাই। মাননীয় অধ্যক্ষ মহোদয়, এই তেজৰ ফাঁকু অকল মাৰ্ঘেৰিতাতে হোৱা নাই, মোনাবাৰীকে আদি কৰি বিভিন্ন চাহ বাগিছাৰ শ্ৰমিকক গুলিয়াই মৰা বাতৰি অসমৰ বিভিন্ন কাকতত ওলাইছে। মান্দাকাটাৰ বোৱাৰী হত্যাৰ কথা সৰ্বজন বিদিত, পেটত সন্তান থকা বোৱাৰীজনীক গুলিয়াই হত্যা কৰা হ'ল।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ জুৰোডত চবেবৰাতৰ ৰাতি সমীৰ খান নামৰ এজনক গুলিয়াই হত্যা কৰা হ'ল। চবেবৰাতৰ ৰাতি প্ৰাৰ্থনালৈ যোৱাটো তেওঁলোকৰ নিয়ম। প্ৰাৰ্থনা কৰিবলৈ যোৱা লৰাটোক নিৰ্মমভাৱে গুলিয়াই হত্যা কৰা হ'ল। শৰণাৰ্থী শিবিৰলৈ অহা ধন খিনিৰ ইফাল সিফাল হ'ল। শিৱিৰত অনেক শিশুৰ মৃত্যু হ'ল। অধ্যক্ষ মহোদয়, মই আইন-শৃংখলাৰ কথালৈ নেযাওঁ। শাসক পক্ষই কয় যে ৭ হেজাৰ মান মানুহ মৰিছে, এয়া হৈছে চৰকাৰে দিয়া তথ্য। এই কথা সদনৰ বাহিৰত যদি কোৱা হয় মানুহে আমাক হাঁহে, তেনেকুৱা তথ্যৰ কথা শুনি মানুহ উচপ খাই উঠে।

মাননীয় অধ্যক্ষ মহোদয়, মাণিক ৰয় ডাঙৰীয়াই যিটো কথা কৈছে - "মহিলা আৰু নাৰী নিৰ্যাতনৰ ক্ষেত্ৰত অসমৰ স্থান ভাৰতৰ ভিতৰতে প্ৰথম, এইটো মোৰ কথা নহয়, অধ্যক্ষ ডাঙৰীয়া ৰাজ্যিক মন্ত্ৰী মাণিক ৰয় ডাঙৰীয়াই প্ৰকাশ কৰা তথ্য এইটো। অধ্যক্ষ মহোদয়, আজি এইখন অসমতে মাৰ আৰু ডিমাচা সকলৰ ৩০ জনক হত্যা কৰা হ'ল। তাৰ পিচত কুকি সকলৰ মাজত সন্ত্ৰাস অব্যাহত আছে, এইবিলাক গোষ্ঠীগত সংঘৰ্ষ নহয় বুলি কৈছে। এই চৰকাৰে শাসন ভাৰ লোৱা চাৰি বছৰত এইবিলাক আৰম্ভ হৈ এতিয়াও চলি আছে। বোমা বিস্ফোৰণৰ কথা আৰু জনসাধাৰণক জুৰুলা কৰাৰ কথা এই সদনত বহুতবাৰ আলোচনা হৈছে। ইয়াৰ পিচতো এইখন চৰকাৰক সুস্থিৰ চৰকাৰ বুলি কোৱা প্ৰশ্ন আহিব নোৱাৰে। আটাইতকৈ ডাঙৰ কথা এটা হৈছে অধ্যক্ষ মহোদয়, আব্দুল কালাম আমাৰ অঞ্চলৰ এজন কৰ্মী। সেইসময়ত হোৱা গণ্ডগোলৰ বাবে তেওঁ বিৰোধীতা কৰিছিল। সেই সংঘৰ্ষত কেইজনমানক আটক কৰা হ'ল, এজন ট্ৰাক ড্ৰাইভাৰক এৰেষ্ট কৰা হ'ল। একিউজ

কোন আৰক্ষীয়ে ভালকৈ জানে, কিন্তু এৰেষ্ট কৰা নাই। এইখন চৰকাৰৰ দিনত ইয়াৰ কাৰণে ৰাইজে আন্দোলন কৰিব লগা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ দিনত গোলাঘাটত দুই বছৰৰ ভিতৰত ২৭ বাৰ ১৪৪ ধাৰা জাৰি কৰিব লগা হৈছে, মানুহে দিনে ৰাতিয়ে অশান্তিত থাকিব লগা হৈছে। থুলু গগৈ নামৰ এগৰাকীক পেটৰ সন্তানৰ সৈতে হত্যা কৰা হৈছে। অধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ দিনতে অসমখন এখন দানৱৰ বধ্য ভূমিত পৰিণত হৈছে। এইখন চৰকাৰৰ দিনতে বুট খাই, ভিটামিন খাই মানুহ মৰিছে। বিষাক্ত মদ্যপান কৰি মানুহ মৰিছে। আবকাৰী বিভাগে কি কৰিছে? মদৰ ঘাটি বন্ধ কৰিবলৈ ৰাইজ ওলাই আহিব লগা হৈছে কিয় ইয়াৰ পিচতো এই চৰকাৰে এই প্ৰশ্ন বিলাকৰ উত্তৰ বিচাৰি পোৱা নাই?

মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতা দিবসত, গণতন্ত্ৰ দিবসত চৰকাৰৰ কঠোৰ নিৰাপত্তাৰ মাজতো ধেমাজীত বোমা বিস্ফোৰণ দুটাকৈ হবলৈ পালে।

অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কবলৈ বিচাৰিছো যোৱা কালি আমাৰ ৰাজ্যিক গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়ানী চৰকাৰ পক্ষৰ হৈ ভাল ভাল কথা কৈছে। মই গড়কাপ্তানী বিভাগৰ এটা কথা কব খুজিছো যে বিশ্ব বেংকৰ আঁচনিৰ ধন সঠিক ভাবে খৰচ হোৱা নাই। এনে ক্ষেত্ৰত বিভাগীয় বিষয়াৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা নাই। এইটো মূল প্ৰশ্ন। মন্ত্ৰী মহোদয়াই জানে, বিশ্ব বেংকে সঠিক ভাবে হিচাব নিকাচ নোপোৱা বুলি কৈছে। ব্যক্তি জনৰ নাম নকওঁ।

অধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰী ডাঙৰীয়াই কথাখিনি ভালকৈ কৈছে। বিধান সভাৰ বাহিৰলৈ গলে শুনিব অসম নদন বদন হৈছে। ৰঙীন স্বপ্ন বাহিৰলৈ যায়। কাগজ বিলাকতো পোৱা যায়। মিছ্‌ন টেক্‌ন'লজিৰ এই টকাখিনি কৃষকক দিব লাগে। যদি ৪০কোটি টকা খৰচ কৰিব পাৰে ৮০ কোটি টকা পায়। আমাৰ অসমতকৈ নগালেণ্ডে বেছি টকা পাইছে। ২০কোটি টকা কৃষকক দিছে। ডবল হৈছে। চাৰে সাত কোটি কৈ আছে আৰু আহিব। ১৫ কোটি হব। আজি এবছৰ আগতে হেল্‌থ ইউনিট এটা খুলিছে, ২০ লাখ টকা ব্যয় সাপেক্ষে এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। দিল্লীৰ পৰা মামৰে ধৰা সামগ্ৰী আনিছে। পেপাৰত এই কথাটো ওলাইছে। আদৰ্শ ফুলনিৰ নামত সেই আঁচনিৰ অধীনত নিৰ্মান কৰিছে। কৃষক সেৱা সন্থাই ঘোৰ প্ৰতিবাদ কৰিছে। স্বাস্থ্য বিভাগত ফেনাইল ক'ৰ পৰা কিনিছে, বেঙ্গল কেমিকেলৰ পৰা, বাহিৰৰ পৰা আনিছে। অসমত মানুহ আছে, অসমৰ মানুহক এইটো নিদিয়ে, বাহিৰৰ মানুহক দিছে। এতিয়া সময় কম। ৰাজস্থান চৰকাৰে উৎপাদন কৰি আছে। তেওঁলোকে ঠিকমতে অসম চৰকাৰৰ পৰা পোৱা নাই, সেই কাৰণে গোচৰ তৰিছে। তেওঁলোক সন্তুষ্ট নহয়। সেই বিলাক ৰিপোৰ্ট আছে। "ডুলিৰ মাজৰ সৰিয়হত ভূত আছে"। মই যুক্তি সহকাৰে দাঙি ধৰিছো, আপোনালোকৰ হাতত দিম। ভূত ক'ত নেথাকে, সকলোতে

থাকে। এই কথা বিলাক কোৱাৰ সময় নাই, আমি অনাস্থা প্ৰস্তাৱ আনিছো। এতিয়া বন মন্ত্ৰী নাই যদিও মুখ্য মন্ত্ৰী ডাঙৰীয়াই আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বনমন্ত্ৰী নাই। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে। আমাৰ অসমত আগতকৈ বনৰীয়া হাতীৰ উপদ্ৰব বেছি হৈছে। বিশেষকৈ আমাৰ তেজপুৰত হাতীৰ উপদ্ৰব বেছি হৈছে। এইটো এতিয়া এটা ছিৰিয়াছ কেচ। ১৯৮৩ চনতে গোৰেল নামৰ এজন ঠিকাদাৰে ব্যাপক হাৰত বনাঞ্চল ধ্বংস নকৰা হ'লে আজিৰ এই অৱস্থা নহ'লহেঁতেন। এতিয়া হাতী আৰু মানুহে সহাৱস্থান কৰিব লাগিব। তেজপুৰত হাতীৰ উপদ্ৰৱত বহুতো মানুহ নিহত হৈছে। আমাৰ প্ৰতিবেশী ৰাজ্য অৰুনাচলৰ বনাঞ্চল ধ্বংসৰ কথালৈ আমি নাযাওঁ। কিন্তু ব্যাপক হাৰত আমাৰ বনাঞ্চল ধ্বংস কৰাৰ ফলত হোৱা দুৰৱস্থাৰ কথাহে কৈছো। আমাৰ কথা হ'ল অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহে। কিন্তু সেই টকাবোৰ কি হয়। মই মুখ্যমন্ত্ৰী মহোদয়ক কৈছো আমাৰ বানপানীত নোখোৱাকৈ মানুহ মৰাৰ দৰে এতিয়া হাতীৰ উপদ্ৰবত নোখোৱাকৈ মানুহ মৰিব। অধ্যক্ষ মহোদয়, ৯৯ লাখ টকা লেপ্স হৈছে। এই ৯৯ লাখ টকা খৰচ কৰিব নোৱাৰিলে। কি কাৰণে খৰচ কৰিব নোৱাৰিলে। আমাৰ টকা কিয় আনিব নোৱাৰে। অধ্যক্ষ মহোদয়, মই এখন কিতাপ লৈ ফুৰো। মই কিতাপখন মেলে-মিটিঙেও লৈ ফুৰো। এই কিতাপখন কংগ্ৰেছীসকলে মোৰ লগত দেখা পালেই কয় "ফাট দিয়া বসুমতী পাতালে লুকাও"। আপুনি হাতৰ চিনটো কিয় লৈ ফুৰে? এইখন লৈ ফুৰাৰ কথা আছে। ইয়াত কৈছে "দুৰ্নীতি, ভ্ৰষ্টাচাৰ, লুণ্ঠনেৰে ভৰি পৰিছে গড়কাপ্তানী বিভাগ"। শেহতীয়াভাৱে ইন্দিৰা আবাস যোজনাৰ অধীনত বনোৱা ২৫ হেজাৰ টকাৰ ঘৰবোৰৰ অৱস্থা অতি দুখজনক। বাহৰ বেৰা দিয়া, টিনপাতবোৰ চুলেই ভাগি যোৱা অৱস্থা। তাত কেনেকৈ মানুহ থাকিব কব নোৱাৰো। মন্ত্ৰী মহোদয়ে বোধকৰো জানে। আমি কলে নুশুনে কাৰণ চৰকাৰ আমাৰ নহয়। মই ভিজিলেন্সৰ চেয়াৰমেন। মই ঠাইবোৰ সঘনাই ঘুৰি ফুৰো। আজি ভ্ৰষ্টাচাৰ, দুৰ্নীতিৰ কথা কোৱা চৰকাৰৰ ওচৰত এটা উদাহৰণ দাঙি ধৰিছো। আমাৰ সমষ্টিত ১০ হাজাৰ টকাৰে ৰান্ধনিশাল বনাইছে। তাত কোনো মানুহে ভাত ৰান্ধি নাখায়। পেটৰ ভাতমুঠিৰ এনেকুৱা অৱস্থা হ'লে মানুহ কেনেকৈ জীয়াই থাকিব। বানপানীৰ সময়ত ৰিলিফৰ নামত দিয়া চাউলবোৰ কি হয় নাজানো। মই এজন অফিচাৰক পাইছিলো তেওঁ কৈছিল ডি, আৰ, ডি, এক চাউল কিয় দিয়ে। এতিয়া এই বিভাগটোৰ কথা উঠিলে শাসকীয় দলৰ সদস্য সকলো অস্বস্তিত পৰে। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে ৰাস্তা ঘাট হৈছে। ভীমানন্দ তাঁতি ডাঙৰীয়া মনত আছে নে নাই নাজানো। ১৫-২০ কিঃ মিঃ ৰাস্তা এটা আগতে চাইকেল চলাই যাব পাৰিছিল, এতিয়া তাকো নোৱাৰে। এনেকৈয়ে ৫-৬ বছৰ গ'ল। গৰ্ভৱতী মহিলা সেইফালেদি গ'লে থেকেচা খায় পৰিব।

৩৭ লাখ টকা খৰচৰ কাৰণে দিছিল। এই বিষয়ে ভীমানন্দ তাঁতি ডাঙৰীয়াই কব। সেই ফালে গাড়ী মটৰ নচলে। এজন ঠিকাদাৰে কাম কৰিছিল বাৰ্মা বুলি। হাতীগাওঁত থাকে।

"কৃষকৰ মূৰত মাধমাৰ সোধাইছে কৃষি বিভাগে"। অসমত আমাৰ চৰকাৰৰ দিনত ছেল' টিউবৱেলৰ ক্ষেত্ৰত বহুতো অন্যায় অনীতি হৈছে বুলি কৈছে। কিন্তু আঢ়ৈ লাখ দিছিল অসম গণ পৰিষদ চৰকাৰে। ১৫ টা মেজৰ একচনৰ ভিতৰত অসমৰ ছেল' টিউবৱেলো এটা। ১৫ হেজাৰমান বাঢ়িলেও তাৰ ওপৰত নাই। এতিয়া ধন আহিছে অজস্ৰ ধন। পঞ্চায়তলৈ আহিছে, চছিয়েল ৱেলফেয়াৰলৈ আহিছে। ধনেই ধন। পঞ্জাবৰ পৰা চাউল আনি এফ, চি, আইৰ গুদামত ৰাখিছে। দুখীয়া পৰিয়ালে নাপায়। কিন্তু কৃষকৰ মূৰত মাধমাৰ কোনে দিছে। কৃষক ৰাইজে ঠাণ্ডাত এখন এৰি চাদৰ লয়, গৰম কাপোৰ লয়, কিন্তু আজি তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰা। এনেকুৱা নীতিৰে কৃষকসকলক কোনে মাধমাৰ সোধাইছে। চেলাইন, বেণ্ডেজৰ নামত টকা আত্মসাৎ কৰিছে। ১৯৮০ চনতে ২৪৯ কোটি টকা আত্মসাৎ হৈছিল। এই টকা কি হ'ল? ইয়াৰ উত্তৰ কোনে দিব?

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমানৰ মূল বজাৰখন হৈছে শিক্ষা বিভাগ। মই নিজেও শিক্ষা মন্ত্ৰী আছিলো তেতিয়া এনেকুৱা নাছিল। আজি কি হৈছে? এটা বদলিৰ কাৰণে পৰিদৰ্শকক দিব লাগিব ১০ হাজাৰ আৰু সেই প্ৰস্তাৱ সঞ্চালকৰ কাৰ্য্যালয়ত আহিলে ইয়াত খৰছ কৰিব লাগিব ৫০ হাজাৰ এম, এল, এ, মন্ত্ৰীয়ে লিখি দিয়ক তালৈ ভ্ৰুক্ষেপ নাই। আজি কলেজ শিক্ষাৰ কি হৈছে? কবলৈ বেয়া লাগে চাহু বুলি এজন সঞ্চালক আছে তেওঁৰ ইমান বেয়া ব্যৱহাৰ শুনিবলৈও লাজ লাগে। মোৰ দিনতো হৈছিল এজন কলেজৰ অধ্যক্ষ ডি পি আই অফিছলৈ আহিছিল, ডি পি আইক লগ কৰিবলৈ আঠু লৈ পিৰালীত বহি আছিল, কথাটো মই গম পাই মোৰ শিক্ষাগুৰুজনক কৈছিলো "চাৰ আপুনি তালৈ কিয় গৈছে, কিবা আছে মোক কলে কৰি দিলোহেঁতেন"। তাৰ পিছত মই বিষয়া গৰাকীক মাতি আনি লগে লগে নিলম্বিত কৰিলো, শিক্ষক সকলক দূৰ্ব্যৱহাৰ কৰা কাৰণে। শিক্ষা বিভাগত লুটৰাজ চলিছে, দূৰ্নীতি আগতেও আছিল যাৰ কাৰণে মোৰ দিনত ৭১ জন বিষয়াক একেলগে নিলম্বিত কৰিছিলো, মোক সমালোচনা কৰিছিল তথাপি ভয় কৰা নাছিলো শিক্ষাৰ স্বাৰ্থত সেইটো কৰিছিলো। কিন্তু আজি শিক্ষা বিভাগত তিনিজন শিক্ষা মন্ত্ৰী, কোনোবা এজনে গৈ সঞ্চালকৰ অফিছ চাইছে নে? কিবা একচন লব পাৰিছে নে? নোৱাৰে কাৰণ বিষয়া সকলৰ ওপৰত তেখেত সকলৰ কৰ্তৃত্ব হেৰাই গৈছে তেওঁলোকৰ দুৰ্বলতাৰ কাৰণে। বৰ্ত্তমান অসমত গণতান্ত্ৰিক চৰকাৰ চলা নাই চলিছে বুৰোক্ৰেচি।

এই চৰকাৰ অহাৰ লগে লগে মই আগৰ শিক্ষা মন্ত্ৰীক কৈছিলো আপোনালোকে ডাঙৰ বিপদত পৰিব আমি আমাৰ অভিজ্ঞতাৰ পৰা কৈছো। ডি পি ই পিত শিক্ষক নিযুক্তি নিদিব, কিন্তু নুশুনিলে ডি পি ই পিত শিক্ষা সাৰথি নিযুক্তি কৰিলে তেওঁলোকক কিন্তু স্থায়ী নিযুক্তি দিয়া নাছিল। আজি তেওঁলোকে সন্থা কৰিছে আন্দোলন কৰিছে নিয়মীয়া কৰিব লাগে বুলি। আজি ৰাতিপুৱা মই কিবা বিধান সভাত কম বুলি মোৰ ওচৰলৈ আহিছিল, মই খাৰাং খাচ কৈ দিলো যে এইটো নহব। ৭ হাজাৰ ভেঞ্চাৰ স্কুল আছিল আৰু সেইবিলাকত ২ জনকৈ সাৰথি দিছিল সেইটো আজি পিকুলিয়াৰ সমস্যা হিচাৱে ঠিয় দিছে। শিক্ষা সাৰথি সম্পৰ্কে জ্ঞান বিজ্ঞান সমিতিয়ে পৰামৰ্শ দিছিল তেতিয়াই এডজাষ্ট কৰা হলে আজি এই সমস্যা নহ'লহেঁতেন। যি চৰকাৰেই নাথাকক কিয় যদি শিক্ষকজনৰ যোগ্যতা আছে তেওঁক অন্য স্কুলত এডজাষ্ট কৰিব পাৰে। আজি অসমত এনেকুৱা স্কুলো আছে য'ত ১৭ জন ছাত্ৰৰ ঠাইত ১৮ জন শিক্ষক আছে, সেই সময়ত এডজাস্টনকৰিলে কিয় ? ইয়াৰ আগতে যেতিয়া কংগ্ৰেছ চৰকাৰ আহিছিল তেতিয়া তেওঁলোকে ৰাইজক প্ৰতিশ্ৰুতি দিছিল ২ লাখ ল'ৰা ছোৱালীক চাকৰি দিব আমাৰ বৰ্ম্মণ ডাঙৰীয়া মন্ত্ৰী থাকোতে কাৰ্য্যালয়ত বহি কমিচনাৰক মাতি আনি কলে তেতিয়া কমিচনাৰে কলে 'চাৰ শিক্ষক চাকৰি দিয়াতকৈ আপোনালোকে বেটেলিয়ানৰ চাকৰি নিদিয়ে কিয় ? কমিচনাৰে শিক্ষকৰ কাৰণে বিজ্ঞাপন নিদিলে। তাৰ পিচত এচ দি যোগেদি দৰ্খাস্ত আহ্বান কৰিলে, নতুনকৈ কিছুমান পদৰো সৃষ্টি কৰিলে কিন্তু তেতিয়া তেওঁলোকক এডজাষ্ট নকৰিলে যিবিলাকৰ কোৱালিটি আছে তেওঁলোকক এডজাষ্ট কৰিব পাৰিলেহেঁতেন। মনোহৰন কমিচন কৰিলে কোনোবা চৰকাৰে কিবা ভুল কৰিব পাৰে কিন্তু তেওঁলোকৰ ক'ৰবাত এডজাষ্ট কৰিব পাৰে। আজি ও বি বি শিক্ষক সকলৰ কি হৈছে? তেওঁলোকৰ সমস্যা সমাধান কৰিব পৰা নাই? কিমান সমস্যা যে এই চৰকাৰে সৃষ্টি কৰিছে কিমান আৰু তুলি ধৰিম? চাওঁক ইয়াত লিখিছে উদ্যোগীকৰণৰ শ্মশান যাত্ৰা এইবিলাক আছেই।

**Mr. Speaker : Please finish your speech there are lot of other to speak.**

**✯ শ্ৰীবৃন্দাবন গোস্বামী ঃ** অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সমাধানৰ নামত পুলিচৰ চাকৰি দিবলৈ ওলাইছে আমি ভাল পাইছো কংগ্ৰেছৰ ল'ৰাই পালেও পাওক আমাৰ আপত্তি নাই কিন্তু সেইটো প্ৰক্ৰিয়াত কিবা নিশ্চয় ত্ৰুটি আছে যাৰ কাৰণে তেওঁলোকে আজি হাইকোৰ্টত যাবলগীয়া হৈছে। ৫ হাজাৰ কংগ্ৰেছী ল'ৰাই পালেও আমাৰ আপত্তি নাই। নিবনুৱা সমস্যা সমাধান হ'ব। ৯ লাখ আবেদনকাৰীৰ মাজৰ ৫ হাজাৰে পাব

✻ Speech not corrected

তাতো আউল লগাই দিলে? চৰকাৰৰ ভুলৰ কাৰণে এইটো হৈছে। আজি আত্ম সহায়কগোট কৰিছে ভাল পাইছো আমিও উৎসাহ যোগাইছো, কল্পতৰু কৰিছে এইবিলাকে কাৰোবাৰ হিত সাধন কৰিব পাৰিছে নে? বৰং সমাজত খেলিমেলিৰ সৃষ্টি কৰিছে। গোটেই বিলাক ভুল পৰিকল্পনাৰ কাৰণে হৈছে। তাৰ সলনি চুবুৰীয়ে চুবুৰীয়ে যদি হাঁহ পুহিব দিলেহেঁতেন সেইটো কথা বেলেগ আছিল কিন্তু আজি ৰিক্সা থেলাৰ নামত আজি ডেকাই কাপোৰ, বাইক কিনি ঘূৰি ফুৰিছে। এইবিলাক কিহৰ কাৰণে একমাত্ৰ চৰকাৰৰ ভুল পৰিকল্পনাৰ কাৰণে আজি সমাজখন বিপথে পৰিচালিত হৈছে। আত্ম সহায়ক গোটৰ নামত মহিলাক ট্ৰেক্টৰ দিছে (সদনত হুলস্থূল একো শুনা নাযায়) মোৰ সমষ্টিৰ চুদাফা বেগমৰ নামত যিখন ট্ৰেক্টৰ দিছে তেওঁ এতিয়া মাটি বাৰী বিক্ৰী কৰি বেংকৰ ধাৰ মাৰিব লাগিব, আপোনালোকে ধাৰ মাৰিব নেকি? সেই কাৰণে কৈছো প্ৰপাৰ প্লেনিং হোৱা নাই। মহিলাক দিব লাগিব তেওঁক যি বস্তু দিলে উপকৃত হ'ব সেইটো দিয়ক। মই কথাবিলাক কলে আপোনালোকে বেয়া পাব পোৱাটো স্বাভাৱিক কাৰণ আপোনালোকে কৰা বেয়া কাম বিলাকৰ কথা কৈছো। আজি বিভিন্ন জনগোষ্ঠীৰ মাজত সম্প্ৰীতি ৰক্ষা কৰা ক্ষেত্ৰত এই চৰকাৰ সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে। ৰাভাক পৰিষদ দিছে দেউৰীক পৰিষদ দিছে কিন্তু তেওঁলোকক সন্তুষ্ট কৰিব পাৰিছেনে? বি টি এ দি দিয়াত আমি সহযোগ কৰিছো তথাপি তেওঁলোক কিয় অসন্তুষ্ট। আপোনালোকৰ ভুল পৰিকল্পনাৰ কাৰণে? আজি আলফাৰ সমস্যা আমি সমাধান বিছাৰিছো, অসমত শান্তি আমি বিছাৰিছো। কিন্তু এফালে আলোচনা আনফালে তেওঁলোকক হত্যা ইয়াৰ দ্বাৰা কিবা সমস্যাৰ সমাধান হব নেকি? আপোনালোকৰ ওপৰত অনাস্থা আমি আনিছো বুলি নাভাবিব এই অনাস্থা অসমৰ সমগ্ৰ ৰাইজৰ। আপোনালোকে অসমখন চাৰখাৰ কৰিলে? তাৰ কাৰণে দায়ী আপোনালোকে গুপ্ত হত্যাৰ অনুসন্ধান কৰিম বুলি আপোনালোকে ক্ষমতালৈ আহিছিল। কংগ্ৰেছ দলে আমাৰ প্ৰতিমূৰ্ত্তি দাহ কৰিলে। জিতেন শৰ্ম্মা আয়োগৰ প্ৰতিবেদন আপোনালোকে কি কৰিলে? এই বিলাক মোৰ কথা নহয়। সমগ্ৰ অসমৰ ৰাইজৰ পুঞ্জীভূত মনৰ বেদনা মই বিধান সভাত ব্যক্ত কৰিছো। অসমৰ জনসাধাৰণক আপোনালোকে আঁচনিৰ দ্বাৰা জ্যোতি দিয়া নাই পোহৰ দিয়া নাই, অমাবস্যাৰ এন্ধাৰলৈ ঠেলি নিছে। এইখন এখন ছবি (ছবিখন দেখুৱাই) এই ছবিয়ে আপোনালোকৰ প্ৰকৃত পৰিচয়। আজি বলৱলাৰ শিশু সকলক পুতিবলৈ ঠাই নাই (হাঁহাকাৰ একো শুনা নাযায়) এই ছবিয়ে আজি আপোনালোকলৈ অনাস্থা প্ৰকাশ কৰিছে। অসমৰ ৰাইজে আজি অনাস্থা প্ৰকাশ কৰিছে।

এইখিনিকে কৈ মই অনাস্থা প্ৰস্তাৱ উৎথাপন কৰিলো। □□

**Mr. Speaker : Now, Shri Bimolangshu Roy.**

★ শ্ৰী বিমলাংশু ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাৱ উৎথাপন কৰিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি মই চমুকৈ কেইটামান কথা কব বিচাৰিছোঁ। আমি দেখিছিলোঁ এই চৰকাৰখন যেতিয়া ক্ষমতালৈ আহিছিল তেতিয়া ৰাইজক তেখেতসকলে কিছুমান প্ৰতিশ্ৰুতি দিছিল। সেই বিলাকৰ ভিতৰত অসমৰ বিত্তীয় পৰিস্থিতিৰ উন্নয়ন কৰা, নিবনুৱা সমস্যাৰ সমাধান কৰিব আৰু গুপ্তহত্যাৰ তদন্ত কৰোৱাই দোষীক উপযুক্ত শাস্তি বিহিব বুলি কৈছিল। তেখেতসকলে এই বিলাক কথা নিৰ্ব্বাচনী ইস্তাহাৰত কৈছিল, বক্তৃতাৰ মাজতে কৈছিল। কিন্তু আজি প্ৰায় চাৰে চাৰি বছৰ পাৰ হৈ পাঁচ বছৰ সম্পূৰ্ণ কৰিবৰ হ'ল এই প্ৰতিশ্ৰুতি বিলাকৰ একোৱেই তেখেত সকলে পূৰণ কৰিব নোৱাৰিলে। কোনো ধৰনৰ এচিভমেণ্টো তেওঁলোকে লাভ কৰিব নোৱাৰিলে। আগৰ চৰকাৰে ভাল কাম কৰিব পৰা নাছিল সেই কাৰণেই ৰাইজে তেওঁলোকক ভোট দিয়া নাই আৰু কংগ্ৰেছ চৰকাৰক দিছিল যাতে তেওঁলোকে ৰাইজৰ হকে কিছু কাম কৰিব পাৰিব, ৰাইজক সকাহ দিব পাৰিব। ট্ৰেন্সপাৰেণ্ট আৰু এফিচিয়েণ্ট চৰকাৰ এখন ৰাইজক দিব। কিন্তু বাস্তৱত আমি আজি কি দেখিছোঁ? বাতৰি কাকতৰ কথা নকওঁৱেই, এই বিধান সভাত যি তথ্য তেখেত সকলে দিছিল তাৰ পৰাই মই এটা কথা দাঙি ধৰিব বিচাৰোঁ যে যোৱা ২৪-১-২০০৫ তাৰিখে বিধানসভাত এটা তাৰাংকিত প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল চৰকাৰ এতিয়ালৈকে ১৬ হাজাৰ ৪ শ ১১ কোটি টকা ঋণ আছে। তাৰোপৰি মাৰ্কেটৰ পৰাও ঋণ লোৱা হৈছে তিনি হাজাৰকোটি।

Total debt this Government incurred during four and half years is Rs. 11073 Crores. On secret killing- secret killings are these killings which are termed by local dailies.

আকৌ জি. পি. এফৰ পৰাও ঋণ বা লোন লৈছে ২ হাজাৰ ৫ শ ৫৮ কোটি টকা। সৰ্ব্ব মুঠ চাৰি বছৰত ১১ হাজাৰ কোটি টকাৰ ঋণ। অধ্যক্ষ মহোদয়, আমাৰ এটা কথা আছে "ঋণং কৃত্বা ঘৃতং পিবত দেহস্য ভস্মীভূতস্য পুনৰ আগমনং কুতঃ" আৰু এই বছৰৰ আৰু যদি ঋণ লৈছে সেইখিনি যোগ দিলেতো আৰু বাঢ়িব। এই ১১ কোটি টকাৰ ঋণৰ বোজা আমাৰ মূৰত, অসমৰ ৰাইজৰ মূৰত জাপি দি তেখেতসকল ওলাই যাব। আগতেও কংগ্ৰেছৰ আমোলত বা প্ৰফুল্ল মহন্তৰ আমোলত ঋণ লোৱা হৈছিল কিন্তু সেইটো ৪ হাজাৰ বা ৫ হাজাৰ কোটি টকাৰ বেছি নাছিল। এনেদৰে চৰকাৰে বিত্তীয় পৰিস্থিতিৰ কেনেকৈ উন্নতি কৰিব? এই ঋণৰ কথা ৰাইজক জনাবনে? কি যুক্তি দিব তাৰ কাৰণে?

---

* Speech not corrected

মই এইখিনিতে আৰু এটা কথা কব বিচাৰোঁ সেইটো হ'ল এই চৰকাৰে ৰাইজক আৰু এটা প্ৰতিশ্ৰুতি দিছিল গুপ্ত হত্যা তদন্ত কৰিব বুলি। সেই সময়ত তেখেত সকলে তোলপাৰ লগায় দিছিল অসমৰ মাটিৰ তলত অকল নৰকংকালেই আছে বুলি কৈছিল। কিন্তু আজি ক্ষমতালৈ অহাৰ চাৰে চাৰি বছৰৰ পিচতো গুপ্ত হত্যাৰ তদন্ত সঁচা অৰ্থত একো নহ'ল, গুপ্ত হত্যাৰ নায়ক কোন? সেই নায়কক বিচাৰি উলিয়াই কিয় শাস্তি প্ৰদান কৰা নহ'ল? গুপ্ত হত্যাৰ ক্ষেত্ৰত তদন্ত কৰা আৰু ৰাইজৰ ওচৰত তাৰ জবাব দিবলৈ চৰকাৰ বাধ্য।

**মাননীয় অধ্যক্ষ মহোদয়,** এই চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল সেইমতে কাম কৰিব পাৰিলে নে? কোনো এটা সমস্যাৰে সমাধা কৰিব নোৱাৰিলে। আজি নিবনুৱা সমস্যাৰ যি ভয়ানক অৱস্থা হৈছে সেইটো আপোনালোকে জানে। চৰকাৰে চাকৰি দিব পৰা নাই। নিযুক্তিৰ ক্ষেত্ৰত কোনো নীতি নিয়ম নমনাৰ কাৰণে উচ্চ ন্যায়ালয়ৰ বাধাৰ সন্মুখীন হব লগা হৈছে। লিখিত পৰীক্ষা, সাক্ষাৎকাৰ নিয়ম অনুসৰি লোৱা হ'লে উচ্চ ন্যায়ালয়ে বাধা নিদিলেহেঁতেন। আজি ১৮ লাখ নিবনুৱা যুৱক যুৱতীৰ সমস্যাৰ সমাধান হোৱা নাই। শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰিব বুলি তেখেতসকলে কৈছিল। আজি প্ৰাইমেৰী আৰু এম, ই স্কুলত কিমান পদ খালী হৈ আছে। কেৱল প্ৰাইমেৰী স্কুলতে ৯০০৬ টা পদ খালী হৈ আছে। ইনচাৰ্জ সহকাৰী প্ৰধান শিক্ষক প্ৰধান শিক্ষক হ'ব নোৱাৰিলে, ইনচাৰ্জ ভাইচ প্ৰিন্সিপাল প্ৰিন্সিপাল হ'ব নোৱাৰিলে আজি ৫ বছৰ অতিক্ৰম কৰি গ'ল। এই বিষয়ে অগপ দলৰ মাননীয় বৃন্দাবন গোস্বামী ডাঙৰীয়াইও দাঙি ধৰিছে। মোৰ আৰু দুজন সদস্যই কব। আমাৰ অসমখনৰ উন্নতি হবলৈ হলে শিল্পৰ প্ৰয়োজন, ইণ্ডাষ্ট্ৰীৰ প্ৰয়োজন। কিন্তু বিদ্যুৎৰ উন্নতিৰ কাৰণে যোৱা ৫ বছৰে চৰকাৰে কি কৰিলে? আমাক লাগে ৬৯০ কিলোৱাট আমাৰ উৎপাদন হয় ৬০ কিলোৱাট। বিদুৎ জেনেৰেশ্যন বঢ়োৱাৰ কাৰণে চৰকাৰে কি কৰিলে। কিন্তু বিদ্যুৎ মাচুল বঢ়াই আছে। ৩ বাৰকৈ বঢ়ালে। তথাপিও আমি বাহিৰৰ পৰা আনিব লাগে। মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে কৈছিলো, যদি বিদ্যুৎৰ অৱস্থা এনে হয়, তেতিয়াহ'লে আমাৰ শিল্প, উদ্যোগ কেনেকৈ উন্নতি হব।

ছাৰ, ডি আৰ ডি ত যি দুনীৰ্তি চলি আছে আপোনালোকে জানে। গাওঁ পঞ্চায়ত পৰ্য্যালৈকে হৈছে। এই সংক্ৰান্তত কেইবাটাও কেচ উচ্চ ন্যায়ালয়ত চলি আছে। শিলচৰত এজনো বি. ডি. অ. আজিলৈকে দিব নোৱাৰিলে। চেক্ৰেটাৰীয়ে ডাইৰেক্টলি পি ডি ৰ লগত যোগাযোগ কৰে। গাওঁ পঞ্চায়ত বিলাকে আজিকালি চাউল লব নোখোজে তেওঁলোকে কেচ বিচাৰে। সেইকাৰণে দুৰ্নীতি শেষ পৰ্য্যায়

পাইছে গৈ। চৰকাৰখন ব্যৰ্থ হৈছে। গতিকে আমাৰ এই চৰকাৰখনৰ ওপৰত কোনো আস্থা নাই।

ছাৰ, কেইদিনমান আগতে "ইণ্ডিয়া টুডে"ত প্ৰকাশ পাইছে অসমৰ বিষয়ে। গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমক তলৰ ফালৰ পৰা ২য় স্থান দিছে, দুৰ্নীতিৰ ক্ষেত্ৰত, বিহাৰক ১ম স্থান দিছে। আমাৰ দেশখনৰ আইন শৃংখলা, হেল্‌থ, এম্পলইমেণ্ট, ৰোড কমিউনিকেশ্বনৰ অৱস্থা অতি দুখ লগা। এই কথাটো চিৰিয়াচলি লব লাগে। আইন শৃংখলাৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে আগৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত নেলী, গহপুৰত ভ্ৰাতৃঘাটী সংঘৰ্ষ হৈছিল, এতিয়াৰ চৰকাৰৰ দিনত হোৱা নাই। কিন্তু গোষ্ঠী সংঘৰ্ষ হৈ আছে। এতিয়াও চলি আছে। এই মন্ত্ৰী সভাৰ যিজন জ্যেষ্ঠ মন্ত্ৰী আমি তেখেতক কৈছিলো, মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়াইও কৈছিল, তেখেতৰ পৰা আমি এটা বিবৃতি বিচাৰিছিলো কিন্তু তেখেত আজি ইয়াত উপস্থিত নাই।

আমি জানো চাৰ, আমি যিটো অনাস্থা প্ৰস্তাৱ আনিছো সংখ্যাৰ আধাৰত আমি এই অনাস্থা প্ৰস্তাৱটো কেতিয়াও পাচ কৰিব নোৱাৰো। সেইটো জানি শুনিও আমি ৰাইজৰ আগত এই চৰকাৰে ৰাইজৰ কাৰণে কি কি বেয়া কাম কৰিছে সেইকথা ৰাইজক অৱগত কৰিব খুজিছো। তাৰ পিচত ৰাইজে ৰায় দিব। চৰকাৰে কি কয় সেই কথা বিলাকো ৰাইজক জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সময় পাৰ হৈ গ'ল। অন্য সদস্যইও কব লাগিব।

**✯ শ্ৰীবিমলাংশু ৰয় ঃ** চাৰ, আমি অনাস্থা প্ৰস্তাৱ আনিছো গতিকে অলপ কব লাগিব। উদ্যোগৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে আমাৰ অসমত যিবিলাক এচ, এচ, আই ইউনিট আছে বা শিল্প আছে তাৰ তথ্য বিধান সভাৰ মজিয়াত দাখিল কৰিছে। সেই মতে ১০,৩০০ টা মান উদ্যোগ আছে। ২৯। ১১। ২০০৫ তাৰিখে বিধান সভাৰ মজিয়াত এই তথ্য দিছে। শিল্প উদ্যোগ কেনেকুৱা ভাৱে গঢ়ি উঠিছে বিধান সভাত দিয়া এইটো তথ্য। মই বাতৰি কাকতত দিয়া তথ্যৰ কথা কোৱা নাই। বিধান সভাৰ তথ্যৰ আধাৰতহে এই কথাটো কৈছো। আইন শৃংখলা বুলি কোনো পৰিস্থিতিৰ কথা নাই। আমাৰ শাসনত থকা অৱস্থাতো মন্ত্ৰী এগৰাকীয়ে কাৰ্বিৰ আংলংৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা নাই বুলি কৈছে আৰু মাননীয় ৰাজ্যপালেও স্বয়ং মন্ত্ৰী জড়িত আছে বুলি কৈছে। এই চৰকাৰে নিবনুৱা সমস্যাও সমাধান কৰিব পৰা নাই। সেই কাৰণেই আমি এই চৰকাৰৰ বিৰুদ্ধে পূৰ্ণ অনাস্থা প্ৰস্তাৱ আনিছো। ধন্যবাদ ছাৰ।

---

✻ Speech not corrected

**✯ শ্ৰীৰিপুণ বৰা (পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) ঃ**

**মাননীয় অধ্যক্ষ মহোদয়,** এই সদনত এ, জি, পি, দলৰ বিধায়ক বৃন্দাবন গোস্বামী ডাঙৰীয়াই যি অনাস্থা প্ৰস্তাৱ উৎথাপন কৰিছে আমি এই প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰিছো। অনাস্থা প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰি মই বক্তব্য দাঙি ধৰাৰ আগতে গাওঁ বুঢ়া সকলে কোৱা এফাকি ফকৰা যোজনাৰ কথা কব বিচাৰিছো। সেইফাকি ফকৰা যোজনা হ'ল - "গছত কঠাল ওঁঠত তেল নৌ খাওঁতেই চেলবেল"। আজি কথাতো তেনেকুৱা হৈছে। আমাৰ বৃন্দাবন গোস্বামী ডাঙৰীয়াই ২০০৬ চনৰ নিৰ্ব্বাচনত কেনেকৈ মুখ্যমন্ত্ৰীৰ চকীখনত বহিব পাৰে তাৰেই সপোন দেখি আছে। কিন্তু অনাস্থা প্ৰস্তাৱটো আনোতেই তেওঁৰ খেলি-মেলি লাগি গ'ল। আচলতে তেওঁৰ নিজৰ দলৰ ওপৰতেই যিহেতু আস্থা নাই সেয়েহে তেওঁ অনাস্থা প্ৰস্তাৱটো উঠাই লব লাগিছিল। সেইটো তেওঁৰ ভুল হৈ গ'ল। ৰাইজৰ দায়িত্ব লবলৈ যোৱা লোক সকলে তাক নজনাতো আজি এটা দূৰ্ভাগ্যজনক কথা হৈছে। আমাৰ অনাস্থা প্ৰস্তাৱৰ বিৰুদ্ধে কোৱাৰ কাৰণে প্লেয়াৰ আছে। আমাৰ বলাৰ, বেটছমেন আদি আছে, ৰাজ্যিক মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মাইও কব। তেখেতে যিবিলাক শব্দ ব্যৱহাৰ কৰিছে সেই শব্দ বিলাকৰ উত্তৰ মই দিব বিচাৰিছো। তেখেতে আমাৰ চৰকাৰৰ ওপৰত আস্থা নাই বুলি কৈছে আৰু আমাৰ চৰকাৰে অসমৰ ৰাইজৰ আশা-আকাঙ্খা ধূলিসাৎ কৰিছে বুলি কৈছে। যাৰ নিজৰ ওপৰতেই আস্থা নাই তেওঁ আজি চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাৱ অনাতো দূৰ্ভাগ্যজনক কথা। তেখেত সকলে প্ৰথমতে সোণৰ অসম গঢ়াৰ কথা কৈছিল। পিচত সেইটো আউট ডেটেড হৈ গ'ল। অসম ভাঙি-ছিঙি চুৰমাৰ হৈ গ'ল। এতিয়া তেখেত সকলে আস্থাৰ কথা কৈছে। আজি তেখেতৰ নিজৰ দলৰ ভিতৰতেই আস্থা নাই। তেনেকুৱা অৱস্থাত তেখেতে কংগ্ৰেছ দলৰ চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাব আনে কেনেকৈ। তেখেত সকলে অসমৰ ৰাইজক আস্থাৰ অসম গঢ়ি তুলিম বুলি কৈছে। সেই কথাতো ৰাইজে বিচাৰ কৰি চাব। ৰাইজৰ আশা আকাঙ্খা মানে আমি কি বুজো। ৰাইজৰ আশা আকাঙ্খা মানে আমি ৰুটি, কাপৰা আৰু মকানৰ কথাহে বুজো। ৰাইজৰ আশা আকাঙ্খা বুলিলে এই তিনিটা বস্তুৰ কথা আহে। আজি সচাঁকৈয়ে আমি ৰাইজৰ আশা আকাঙ্খা পৰিপূৰ্ণ কৰিছো নে ধূলিসাৎ কৰিছো। আজি অৰ্থনৈতিক পৰিসংখ্যাৰ ভিত্তিত চালে আমি দেখিবলৈ পাও যে এ, জি, পি চৰকাৰৰ দিনত অসমৰ ৰাইজৰ জনমূৰি আয় আছিল ১০ হাজাৰ টকা। কিন্তু আমাৰ চৰকাৰ অহাৰ চাৰে চাৰি বছৰৰ ভিতৰত জনমূৰি আয় বৃদ্ধি হৈ হ'লগৈ ১৪,৫০০ টকা। মই আৰু এটা বিত্তীয় ফিগাৰ দিব বিচাৰিছো। এইটো আমাৰ কথা নহয় কেন্দ্ৰীয় চৰকাৰৰ কথা। আমাৰ অসমত কংগ্ৰেছ চৰকাৰ অহাৰ আগতে বি, পি, এল ৰ টাৰগেট আছিল

---

✱ Speech not corrected

৫৬ পাৰচেণ্ট। অৰ্থাৎ অসমৰ ১০০ জন মানুহৰ ভিতৰত ৫৬ জন মানুহেই দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। কিন্তু যোৱা বাৰ প্লেনিং কমিচনৰ যিটো ষ্টেটমেন সেইমতে অসমত বি, পি, এল ৰ টাৰগেট হ'ল ৪০ পাৰচেণ্ট। অৰ্থাৎ অসমৰ ১০০ জন মানুহৰ ভিতৰত ৪০ জন মানুহ দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। গতিকে অসমৰ ৰাইজৰ আশা আকাঙ্খা ধূলিসাৎ হ'ল কেনেকৈ? তেখেতে এনেকুৱা আবুল-টাবুল কথা কবই। এ, জি, পি যেতিয়া শাসনত আছিল তেতিয়া ঠেলাৱালা, ৰিক্সাৱালা, ধূবি, নাপিত, ব্যৱসায়ী আদি সকলোৱে মিলি স্মল চেভিংচ্‌ত ধন জমা ৰাখিছিল ১৪৩৭ কোটি টকা। কিন্তু আজি আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত গঠিত কংগ্ৰেছ চৰকাৰৰ দিনত স্মল চেভিংচ্‌ত জমা ৰাখিছে ২৭৯৩ কোটি টকা। গতিকে প্ৰায় ১৩০০ কোটি টকাই বৃদ্ধি পাইছে। গাওঁৰ দিন মজুৰি কৰা লোককে ধৰি বিভিন্ন লোকে সেই টকা জমা ৰাখিছে। গতিকে সেইটো আকাশৰ পৰা সৰি পৰা নাই। অসমৰ গাওঁৰ অৰ্থনৈতিক উন্নতি হৈছে। মানুহৰ পাৰ্চেজিং পাৱাৰ বাঢ়িছে। অসমৰ ৰাইজৰ আশা আকাঙ্খা ধূলিসাৎ হোৱা নাই। অসম উন্নতিৰ পথত আগবাঢ়িহে গৈছে। অসমৰ ৰাইজৰ দৈন্যতা আৰু দৰিদ্ৰতাৰ যিটো অভাৱ সেইটো আমি দূৰ কৰিছো। আজি ৰাইজে সেই কাৰণে আমাৰ ওচৰত আছে আৰু ৰাইজে আমাক আকোৱালি লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া দ্বিতীয় এটা কথা কব খুজিছো। তেখেতে পঞ্চায়ত বিভাগটো দুৰ্নীতিয়ে গ্ৰাস কৰা বুলি কৈছে। বিমলাংশু ৰয় ডাঙৰীয়াইও কৈছে পঞ্চায়তত দুৰ্নীতি হোৱা বুলি কৈছে। তেখেতে অ, গ, প, চৰকাৰৰ দিনতো দেখিছিল কিন্তু তেতিয়া একো মাত মতা নাছিল। অসম গণ পৰিষদ দলৰ চৰকাৰৰ দিনত তেখেতসকলে কেন্দ্ৰৰ পৰা টকা আনিবলৈ সক্ষম হোৱা নাছিল। তেতিয়া কিন্তু কেন্দ্ৰত বাজপেয়ী চৰকাৰেই আছিল তেতিয়া তেখেতসকলে আনিছিল ১২৩৪ কোটি টকা। কাৰণ তেওঁলোকে ষ্টেট শ্বেয়াৰ ৰিলিজ নকৰা কাৰণে কেন্দ্ৰই টকা দিয়া নাছিল। আমাৰ চৰকাৰ আহিছিল এটা বিত্তীয় সংকটৰ মাজত। সেই বিত্তিয় সংকটৰ মাজতে আমাৰ বিত্তমন্ত্ৰী, মাননীয় মুখ্যমন্ত্ৰী যাক আপোনালোকে মেৰুদণ্ড নাই বুলি কৈছে সেইজন মুখ্যমন্ত্ৰীয়ে দিল্লীত গৈ ৪ হাজাৰ ২৮৪ কোটি টকা আনিবলৈ সক্ষম হৈছিল। সেই সময়ত কিন্তু প্ৰধান মন্ত্ৰী মনমোহন সিং ডাঙৰীয়া নাছিল, বাজপেয়ী ডাঙৰীয়াহে আছিল। গতিকে ১২৩৪ কোটি টকা ক'ত আৰু আমাৰ চাৰে চাৰি বছৰত ৪২৮৪ কোটি টকা ক'ত। বিমলাংশু ৰয় ডাঙৰীয়াই কৈছে যে পঞ্চায়তত দুৰ্নীতি হৈছে। তেখেতে দুৰ্নীতি হোৱা বুলি কবই কাৰণ তেখেতে ৪২৮৪ কোটি টকাৰ ভাগ পোৱা নাই, কমিচন পোৱা নাই। আগতে এই টকা খৰচ হৈছিল অকল দিশপুৰৰ

পৰা। এতিয়া এই ৪২৮৪ কোটি টকা গাওঁৰ চুকে কোনে থকা নদাই, ভদাই হতৰ হাতলৈ গৈছে। সেই কাৰণে কোনেও কমিচন পোৱা নাই। আৰু সেই কাৰণে ৰয় ডাঙৰীয়াইও দুৰ্নীতি হোৱা বুলি কৈছে। (.......গণ্ডগোল........)

আপুনি অগপ চৰকাৰৰ দিনতো আছিল। কিন্তু তেখেতসকলৰ দিনত কোনো প্ৰতিবাদ কৰা নাছিল। সেই সময়ত পঞ্চায়তৰ দুৰ্নীতিৰ কথা কিয় কোৱা নাছিল। অগপৰ দিনত অসমখন ধ্বংস হৈছিল তথাপিতো আপুনি প্ৰতিবাদ কৰা নাছিল।

দ্বিতীয়তে, আমাৰ বৃন্দাবন গোস্বামী ডাঙৰীয়াই আৰু এটা কথা কৈছে। তেখেতে কৈছে যে শিক্ষা বিভাগটো বেপাৰ বাণিজ্যত পৰিণত হৈছে, মাছৰ বজাৰত পৰিণত হৈছে। তেখেতে বহু ছবি দেখুৱাইছে। মই তাতোকৈ বেছি আনিছো। অধ্যক্ষ মহোদয়, মোক আপুনি ৩০ মিনিট সময় দিছে। কিন্তু সকলোবিলাক কবলৈ মোকে ঘণ্টাতকৈও বেচি সময় লাগে। তথাপিও চমুৱাই কৈছো। তেখেতে কৈছে যে শিক্ষা বিভাগটো মাছৰ বজাৰ ব্যৱসায় বাণিজ্যত পৰিণত হৈছে। তেখেতেও শিক্ষা মন্ত্ৰী আছিল ৫ বছৰ। ইয়াৰ আগতেও এ, জি, পিৰ চৰকাৰ আছিল। তেতিয়া শিক্ষা ব্যৱস্থা কি আছিল। শিক্ষকে মাহৰ পিচত মাহ ধৰি দৰমহা পোৱা নাছিল। শিক্ষক সকলে আন্দোনত ব্যস্ত আছিল। শ্ৰেণীত পাঠদান ঠিকমতে হোৱা নাছিল। পান-তামোল, গেলামালৰ দোকানীয়ে শিক্ষকক শুধিছিল, যে আপোনাৰ পোষ্টটো প্লেনত নে নন প্লেনত। যদি প্লেনত তেতিয়াহলে দোকানৰ বাকী নিদিও। কাৰণ প্লেনৰ মানুহে ঠিকমতে দৰমহা নাপায়। ছাত্ৰ-ছাত্ৰীসকলেও বিভিন্ন কাৰণ আন্দোলনতে ব্যস্ত আছিল। তেতিয়া স্কুল কলেজৰ পৰীক্ষা ঠিক সময়তে হোৱা নাছিল আৰু ৰিজাল্টো সোনকালে ওলোৱা নাছিল। এতিয়া ইয়াৰ পৰিবৰ্ত্তন হৈছে। এতিয়া যদি মাছৰ বজাৰ বেপাৰ বাণিজ্যই হৈছে তেতিয়াহলে প্ৰশ্ন কৰিব খুজিছো অগপ চৰকাৰৰ দিনত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট কি আছিল। ২০০১ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰিছিল শতকৰা মাত্ৰ ৩১ শতাংশ। ১০০ জনৰ ভিতৰত পাছ কৰিছিল মাত্ৰ ৩১ জনে। তেখেতসকলৰ মতে শিক্ষা বিভাগ মাছৰ বজাৰত পৰিণত হোৱাৰ সময়ত অৰ্থাৎ আমাৰ দিনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাচ কৰিছে শতকৰা ৫২.৫৭ জনে। ইমান পৰিবৰ্ত্তন কেনেকৈ হ'ল। শিক্ষা বিভাগত বা শিক্ষা ব্যৱস্থাত পৰিবৰ্ত্তন অনাৰ কাৰণে। এতিয়া স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ কাৰণে শিক্ষক সকলে আন্দোলন নকৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক দৰং কলেজলৈ নিছিলো। তেখেতে তাত ১০ লাখ টকাৰ অনুদান দিছে। অধ্যক্ষ মহোদয়, যোৱা ৪০ বছৰে দৰং কলেজত কোনো কংগ্ৰেছ মুখ্য মন্ত্ৰীয়ে সোমাব পৰা নাছিল। বৃন্দাবন গোস্বামী দাদাৰ অনুগামীসকলে তাত সোমাব দিয়া নাছিল। কংগ্ৰেছ বৰ্জন কৰিছিল। কিন্তু যোৱা বছৰ মাননীয় মুখ্য মন্ত্ৰীক ৰঙা দলিচা পাৰি দৰং

কলেজলৈ মাতি নিছিল। দৰং কলেজৰ প্ৰফেচাৰ সকলে কৈছিল যে বৃন্দাবন গোস্বামী এই কলেজতে পঢ়িছিল, তেখেত অসমৰ শিক্ষা মন্ত্ৰীও আছিল। কিন্তু দৰং কলেজত ৫ পইচাও দিয়া নাছিল। আপুনি সেই সময়ত ছাত্ৰৰ নেতাও আছিল, কলেজ, বিশ্ববিদ্যালয়টো পঢ়িছিল। শিক্ষা মন্ত্ৰীও আছিল। কিন্তু পঢ়ি অহা স্কুল কলেজত ৫ পইচা দি ঘৰ ভাল কৰাৰ কথা চিন্তা নকৰিলে। সেই কথা এতিয়া আমি চিন্তা কৰিছো আৰু আমাৰ মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াইও চিন্তা কৰিছে। সকলো বিলাক শিক্ষানুষ্ঠানতে বুনিয়াদ আচঁনিৰ অধীনত ১০ লাখ টকাকৈ দিছে। ইয়াত এ জি পি, বি জে পি কোনো বাদ নাই। মাদ্ৰাছা, জুনিয়ৰ কলেজলৈও অনুদান দিছে। প্ৰাথমিক স্কুলেও পাইছে। মুঠতে গোটেই অসমতে পাইছে। এল পি স্কুলৰ এতিয়া ভঙা ঘৰ নাই। সমষ্টিত দুই এখন (২-১) ওলাব পাৰে। বৃন্দাবন গোস্বামী যেতিয়া শিক্ষা মন্ত্ৰী আছিল তেতিয়া তেখেতে চিন্তা কৰিছিল বিদ্যালয়ত ঢোল-পেঁপাৰ মাত। কিন্তু আমি এতিয়া কম্পিউটাৰ দিছো। ৰাজীৱ গান্ধী কম্পিউটাৰ লিটাৰেচী মিচনৰ অধীনত আমি আগতেও কম্পিউটাৰ দিছো। হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাচ কৰাৰ ক্ষেত্ৰত আকৌ কৈছে যে - ২০০১ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰিছিল ৭০৫৭ জন ছাত্ৰ-ছাত্ৰীয়ে। আনহাতে যোৱা বছৰ প্ৰথম বিভাগত পাছ কৰিছে ১২৮৫৭ জন ছাত্ৰ-ছাত্ৰীয়ে। যেতিয়া মাছৰ বজাৰ বুলি কৈছে তেতিয়াই শিক্ষা বিভাগত জয় জয় ময় ময় অৱস্থা। প্ৰথম বিভাগত ৭০৫৭ ক'ত আৰু ১২৮৫৭ জন ক'ত। এয়াই পৰিবৰ্ত্তন দেখুৱাইছে শিক্ষা বিভাগত।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে চাওক মই ইমানবোৰ কিতাপ লৈ আনিছো (কিতাপবিলাক দেখুৱাই দিয়ে)। চাৰ এতিয়া এঘাৰতম বিত্তীয় আয়োগৰ কথা এই কাৰণেই কব ওলাইছো তেখেতসকলে কৈছে আমি অকৰ্মণ্য বুলি। আগৰ কৰ্ম্মণ্য চৰকাৰখনে কি কৰিলে? সেই সময়ত বিত্তীয় আয়োগে দিছিলে ২৪৩ কোটি টকা। সেই কাৰণে আজি আমি পদত্যাগ কৰিব লাগে নেকি? অসমৰ দুখীয়া ৰাইজৰ কাৰণে আমাৰ অসমৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৪৪৭৮ কোটি আনিবলৈ সক্ষম হৈছে। সেই কাৰণে আমাৰ পাপ হৈছে। ইয়াৰোপৰি মাননীয় অধ্যক্ষ মহোদয়, এ,জি,পি, সকলৰ ভাষা বৰ সুন্দৰ, ৰাজ্যখন শান্তি সম্প্ৰিতীৰে ধুনীয়া কৰি গঢ়ি তুলিব বুলি কোৱা সত্বেও বয়ন জ্যোতি, ৰন্ধন জ্যোতি আচঁনিৰে জ্যোতি বিলাব পৰা নাই। সেইদিনা মাননীয় সদস্য বৃন্দাবন গোস্বামী থাকোতে আমবাৰীত থকা যুৱপৰিষদ এ, জি, পি অফিচৰ পৰা কংগ্ৰেছ চৰকাৰক জ্বলাই দিলে, চুলি খুৰালে, শ্ৰাদ্ধ কৰিলে। মানুহ মৰিলে মূৰটো ধুই চাফ চিকুণ কৰিব লাগে। এ, জি, পি অফিচটো কিন্তু চাফ চিকুণ নকৰিলে। তেওঁলোকে ৰন্ধন জ্যোতি, বয়ন জ্যোতি আচঁনিৰে জ্যোতি জ্বলাব

পৰা নাই। কিন্তু কংগ্ৰেছ চৰকাৰখনক পুৰি মাৰিছে। তেজপুৰ হেম বৰুৱা ভৱন আনুষ্ঠানিক সভা পাতি তেজপুৰৰ মহিলাসকলক বয়ন জ্যোতি আচঁনিৰ জৰিয়তে সূতা দিয়া হৈছে। তেওঁলোকে পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে অবৈধ সুৰাৰ কথা কৈছে। বুট খালে মানুহ মৰে, সুৰা খালে মানুহ মৰে। যিসকলৰ ঘৰত নতুন চাউলৰ ভাত খালে পেটৰ বেমাৰ হয় তাৰ দায়িত্ব কোনে লয়? বিয়া ঘৰত খাদ্য খোৱাৰ পিচত যেতিয়া পেটৰ অসুখ হয় তেতিয়া তাৰ দায়িত্ব কোনে লয়? অবৈধ সুৰাৰ কথা কৈছে, বৃন্দাবন গোস্বামী দেৱ থকা ঠাই চান্দমাৰী অঞ্চলৰ আশে-পাশে সুৰাৰ দোকান আছে। মই নিজে ঘৰে ঘৰে গৈছো আৰু পাঁচ হেজাৰকৈ টকা মই নিজে দি আহিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক পঠাইছে, আমি গৈছো। আপোনালোক যোৱা নাই। তেখেত বিধায়ক হিচাবে তেখেতৰ দায়িত্ব আছে। ১৯৮৫ চনৰ পৰা সেই ঠাইত অবৈধ চুলাই মদৰ ঘাটি আছে। মানুহ মৰিছে কাৰণে কথাটো ওলাইছে। নমৰা হলে নোলাল হেঁতেন। Their claim is not genuine, not maintainable. তেখেত সকলে আমাৰ বিৰুদ্ধে কথা কৈ যিখিনি অনাস্থা প্ৰস্তাৱ আনিছে সেইটো সত্য। মাননীয় সদস্য, বৃন্দাবন গোস্বামীদেৱে সাংঘাটিক 'এটম বোমা' এটা আনিব বুলি ভাবি প্ৰিপিয়েৰ হৈ আহিছিলো। এতিয়া দেখিছো বলিং ঠিক থাকিলে বেটও ঠিকে থাকিব। তেখেতে যিবোৰ যুক্তি দিছে আমাৰ দূৰ্নীতিৰ কথা কবলৈ গৈ এগ্ৰিকালচাৰৰ কথা, নাৰ্চাৰীৰ কথা কবলৈ বিচাৰিছে। আচলতে কোনো ফিলিঙচে নাই। আচলতে তেখেত সকলৰ যিটো বিভ্ৰাট হৈছে সেইটো হৈছে এটা হাতীৰ দুটা মাউট। দুটা মাউট হলে হাতীটোৰ অৱস্থা কি হব পাৰে? ধৰি মেলি ঠিকে লয়। মাননীয় সদস্য, গোস্বামী ডাঙৰীয়াৰ হাতত জোং আছে। কাণত খুচি হাতীটোক আগলৈ লৈ যাব বিচাৰে, মহন্ত ডাঙৰীয়াই হাতীটোক পিচলৈ আহিবলৈ কয়। তেতিয়া হাতীটোৱে আগলৈকো নাযায় আৰু পিচলৈকো নাযায়। বনৰ পৰা অহা বনৰীয়া হাতীৰ কি অৱস্থা। বনৰীয়া হাতীয়ে মোৰ সমষ্টিত তিনিজন মানুহ মাৰিছে। হাতীৰ প্ৰতীকটো আপোনালোকৰ কাৰণে দিবা স্বপ্ন হৈছে। দিনত দেখা দিয়া স্বপ্ন কেতিয়াও নফলিয়ায়। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী গগৈ ছাৰৰ ওপৰত যিটো অনাস্থা প্ৰস্তাৱ আনিছে সেইটোত ৰাইজে সহাৰি নজনাই।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৃন্দাবন গোস্বামীয়ে শিক্ষা মন্ত্ৰী হৈ থাকোতে মহন্ত ডাঙৰীয়াৰ নিৰ্দ্দেশত স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া পাঠ্য পুথি দিয়া কথা আছিল কিন্তু নিদিলে। কিন্তু আজি আমি ৩১ ডিচেম্বৰ / জানুৱাৰী প্ৰথম সপ্তাহৰ পৰা ৩৩ লক্ষ ছাত্ৰ-ছাত্ৰীয়ে পাব পৰাকৈ ২ কোটি ৫৭ খন কিতাপ বিনামূলীয়াকৈ বিতৰণ কৰি দিছো।

জানুৱাৰী মাহৰ চেচন আৰম্ভ হোৱাৰ লগে লগে দিয়া হব। শিক্ষাৰ দৰ দাম হৈছে বুলি কৈছে হোৱা নাই। এইতো সম্পূৰ্ণ অসত্য কথা। হাইকোৰ্টৰ পৰা দুই এটা স্পেচিয়েল অৰ্ডাৰৰ বাহিৰে আন নিযুক্তি হোৱা নাই। ১০ হাজাৰ ডি, পি. আই আৰু ৪০ হাজাৰ ডি, আইৰ পৰা বুলি যিটো কৈছে, তেনে ক্ষেত্ৰত নিযুক্তিয়েই দেখোন বন্ধ আছে। তেনে কোনো নিযুক্তি হোৱা নাই। আনকি ইনটাৰ ড্ৰিচট্ৰিক্ট ট্ৰেন্সফাৰ পৰ্যন্ত বন্ধ ৰখা হৈছে। সম্পূৰ্ণ অসত্য কথা এটা কৈ আজি আমাৰ সদনক বিপথে পৰিচালিত কৰাৰ ব্যৱস্থা কৰিছে। ৬ হাজাৰ শিক্ষক শৰনাৰ্থীৰ যিটো কথা কৈছে প্ৰকৃততে তেওঁলোকৰ কাৰ্য্যকাল ৩০ চেপ্তেম্বৰলৈ আছিল। যদি ভাৰত চৰকাৰে এক্সটেনচন কৰি নিদিয়ে তেওঁলোকক লব পৰা নাযাব। তেওঁলোকেও হাইকোৰ্ট কৰিছিল হাইকোৰ্টে ডাইৰেক্টলী ৰিজেক্ট কৰিছে।

বাস্তৱ কথা বিলাক নোচোৱাকৈ কথা কিছুমান ক'লে নহয়। সেই কথাত কোনো গুৰুত্ব নাথাকে। কৃষকসকলক মাধমাৰ কৰাৰ কথা কৈছে। মাধমাৰ কোনে মাৰিলে? কংগ্ৰেছ চৰকাৰৰ প্ৰয়াত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত কেজি দুটকাকৈ চাউল কৃষক সকলক দিছিল কিন্তু এ, জি, পিয়ে বন্ধ কৰিলে। আমি মধ্যাহ্ন আহাৰৰ ব্যৱস্থা কৰাৰ কথা আছিল কিন্তু সেইটো নোৱাৰাৰ কাৰণে চাৰি কেজিকৈ প্ৰতিজন শিশুকে চাউল দিয়াৰ ব্যৱস্থা কৰিছিলো এজিপিয়ে বন্ধ কৰিলে। গতিকে মাধমাৰ কোনে মাৰিলে? কৃষক সকলক কিচান ক্ৰেডিট কাৰ্ড কিমান দিছিল ৮০০? কিন্তু আমি ইতিমধ্যে ১ লাখ ৮৫ হাজাৰ দিছো আৰু ৩১ মাৰ্চলৈ ২ লাখ অতিক্ৰম কৰিব। আৱশ্যক থাকিলে ২৫ হাজাৰ পৰ্য্যন্ত লোন পায়। এয়া কি কৃষকক মাধমাৰ হ'ল? সেই কাৰণে বাস্তৱ ভিত্তিত কথা বিলাক কব লাগে। মাননীয় সদস্য বিমলাংশু ৰয়েও কৈছিল বাজপেয়ীৰ ইস্তাহাৰৰ আছিল বছৰত এক কোটি আৰু ৫ বছৰত ৫ কোটি চাকৰি দিব। অসমৰ কেইটাক দিলে? আমি নিযুক্তি দিয়া নাই আত্মসংস্থাপন দিছো। কল্পতৰু আঁচনিৰ যোগেদি বহুতকে আত্মসংস্থাপন দিছো। বিহালী সমষ্টিত কিমান দিন কিমান বাৰ দৰ্খাস্ত লৈ তেখেত নিজেই আহিছিল। আজি আমি মানুহক আত্মসংস্থাপন, কৰ্ম্মসংস্থাপন আৰু ৰোজগাৰ দিছো। আমাৰ চৰকাৰে এই ক্ষেত্ৰত ব্যাপক ভাৱে কৰিছে। মই আৰু দীঘলীয়া নকৰো মুখ্যমন্ত্ৰী মহোদয়ে কব। অনাস্থা প্ৰস্তাৱটো উঠাই লবলৈ আহ্বান জনাই যদিও মই জানো যে তেখেত সকলে নুশুনে। মই কব বিছাৰিছো যে বিৰোধী দল হলে দায়িত্বশীল আৰু বাস্তৱমুখী হব লাগে। কেৱল ৰাজনীতিৰ নামত অসত্য কথা কৈ ৰাইজক উৎত্তেজিত কৰিব নোৱাৰে। আপোনালোকৰ ভেল্কী বাজী শেষ হৈছে। ৰিংমাষ্টাৰ হৈ হৈ তিলিঙা বজাই শ্ৰাদ্ধ কৰিব পিণ্ড দিয়াই পিণ্ড দিব। এইদৰে চৰকাৰৰ ভোট বিভাজন কৰিব নোৰিব। এ, জি, পি, ৰ মিটিঙত কংগ্ৰেছৰ মানুহ আহে। কংগ্ৰেছৰ মিটিঙতো এ, জি, পি ৰ মানুহ

আহি কয় কংগ্ৰেছ আহিছে সকলোৱে ৰক্ষা পৰিছে। সকলোকে ৰক্ষা কৰিছে। ফাট মেলি দিয়া বসুমতী আই কোনে কৈছে নাজানো। আমি বহুত ভাল কাম কৰিছো। এ, জি, পি, আৰু নাহে। এইখিনিকে কৈ মই অনাস্থা প্ৰস্তাৱটোৰ তীব্ৰ বিৰোধীতা কৰি বিৰোধী দলৰ মাননীয় সদস্য সকলক বিনম্ৰ অনুৰোধ জনাইছো সত্যৰ আগোচত অসমৰ ৰাইজৰ আশা আকাংক্ষা ভাঙি পৰা অৰ্থনীতি আমি বিকাশিত কৰি আগবঢ়াই নিয়াত আপোনালোকে অংশীদাৰ হৈ হৈ তিনিকোটি ৰাইজক ধন্য কৰিব লাগে। তেখেত সকলে অনাস্থা প্ৰস্তাৱ নানি চৰকাৰৰ উন্নয়নৰ কামত সহায় সহযোগ কৰিব বুলি আশা ৰাখি আকৌ প্ৰস্তাৱটোৰ তীব্ৰ বিৰোধীতা কৰি মোৰ ভাষণৰ সামৰণি মাৰিলো। জয়হিন্দ। ❑❑

*শ্ৰীজগত সিং ইংটি ঃ মাননীয় অধ্যক্ষ মহোদয়, অনাস্থা প্ৰস্তাবটো সমৰ্থন কৰি মই কেইবাটাও কথা কব বিছাৰিছো। ইয়াৰ যোগেদি মই কব বিচাৰিছো যে ডিচক্ৰীপেনচীৰ যিটো কথা ওলাইছে মই কব খোজো কাৰ্বি আলংৰ ক্ষেত্ৰত এইটো কৰিছে। তাত মাত্ৰ এখনেই কলেজ আছে। ডিফু কলেজ। একমাত্ৰ গৰ্মেণ্ট কলেজ। There is no deficit college in Diphu তাত এখনো ডেফিচিট কলেজ নাই। মেট্ৰিক পাচ কৰাৰ পাচত যদি তাত চিট নাপায় তেন্তে বহি থাকিব লাগে। দুই এখন ভেনচাৰ কলেজ আছে কিন্তু তাত ফিজ ইমান বেছি যে সকলোৱে পঢ়া সম্ভৱ নহয়। সেয়ে ল'ৰাবোৰে বন্দুক হাতত লৈছে। যদি ডিক্ৰিপেনচী কৰা নাই বুলি কৈছে সেইটো অসত্য কথা। তাত অন্ততঃ এখন টেকনিকেল বা মেডিকেল বা ইউনিভাৰচিটি দিয়ক। তাত একো নাই। (Hon'ble Mr. Speaker vacated the chair and Hon'ble Dy. Speaker Occupied the chair)

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কাৰ্বিআলংত ডিফু কলেজ আৰু হাফলং কলেজৰ বাহিৰে কোনো চৰকাৰী শিক্ষানুষ্ঠান নাই। আগৰ শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীৰ দিনত এটা পলিটেকনিকেল অনুষ্ঠানৰ বাবে দিয়া হৈছিল যদিও কি হব তাৰ ঘৰ কেইটাহে আছে। ফলত ল'ৰাবোৰে কি কৰিব হাতত একে ৪৭ লৈ হাবিলৈ গৈছে। আমাৰ কাউঞ্চিলৰ কামৰ কথা ওলাইছে। কাউঞ্চিলৰ দায়িত্ব কম। কাৰণ কাউঞ্চিলৰ ক্ষমতা একেবাৰেই কম। Tribal people are there at Karbi Anglang. But they have get no status of S. T. কাৰ্বিসকল কাৰ্বি আংলঙতহে এচ টি হিল। কিন্তু বাহিৰত জেনেৰেল ষ্টেটাচ। বৰ্ত্তমান চৰকাৰে যি ৬ টা লিষ্ট ওলাইছে তাতো নাই। বৰ্ত্তমান কাৰ্বিআংলঙত যিটো গোষ্ঠীগত সংঘৰ্ষ সৃষ্টি হৈছে সেইটো ২০০৩ চনৰ মাৰ্চ মাহৰ পৰাই চাৰি পাঁচবাৰকৈ হৈছিল। সেই সংঘৰ্ষ হৈছিল মাৰ - ডিমাছা,

* Speech not corrected

কুকি-কাৰ্বি. হিন্দী ভাষী বিহাৰী-অসমীয়া; হিন্দী ভাষী আৰু কাৰ্বি আদিৰ মাজত। এইদৰে চাৰি পাঁচবাৰকৈ হৈ থকা সংঘৰ্ষৰ ফলত কাৰ্বিআংলঙৰ পৰিস্থিতি একেবাৰে বেয়া হৈ পৰিছে। ইয়াৰ অকনো উন্নতি হোৱা নাই। যোৱা ২৬ চেপ্তেম্বৰত প্ৰপাৰ একচন লোৱাহেতেন ২৮ তাৰিখে এনেকুৱা চিটুৱেচনৰ সৃষ্টি নহ'লহেতেন। ২৬ তাৰিখে কোনো একচন লোৱা নহ'ল। ফলত অক্টোবৰত তিনি চাৰিবাৰকৈ হত্যাৰ পৰিবেশ সৃষ্টি হ'ল। ৪ তাৰিখে তালৈ গৃহমন্ত্ৰী মাননীয় ৰকিবুল হুচেইন ডাঙৰীয়া আহিছিল। কিন্তু আমি লগ কৰিব বিচাৰিছিলো যদিও লগ নেপালো। ২৬ তাৰিখৰ পৰা ৯ তাৰিখলৈ সংঘৰ্ষ হৈছিল ৯ অক্টোবৰত আকৌ ঘৰ জ্বলাই দিছিল। ৯২ জন মানুহ মৰিছিল। তালৈ অক্টোবৰত মাননীয় মুখ্যমন্ত্ৰী গৈছিল। সংঘৰ্ষৰ বেচ কিছু দিনৰ পিচত। কাৰ্বিআংলঙত ১৭ অক্টোবৰৰ ঘটনাৰ পিচত কোনো কুইক একচন লোৱা হোৱা নাই। ২০ দিনলৈ ঘটনাৰ পিচত একোৱেই একচন নললে। কিন্তু দেখা যায় তিনিচুকীয়াত যিটো ঘটনা হৈছিল তাৰ লগে লগে দোষী সাব্যস্ত কৰি ডিচি, এচপিক ট্ৰেন্সফাৰ কৰা হৈছিল। ধেমাজীত যিটো ঘটনা হ'ল তাতো কুইক একচন লোৱা হৈছিল। কিন্তু কাৰ্বিআংলঙৰ ক্ষেত্ৰত একোৱেই কৰা হোৱা নাই। এইটোক আমি কি বুলি ভাবিম। অকল একচনৰ নামত এচপিক ট্ৰেন্সফাৰ কৰি দায়িত্বৰ এৰাই চলিলে নহ'ব। কুইক একচন লোৱাতো অতি জৰুৰী। তাত কেম্পটোক লৈয়ে হাহাকাৰ চলি আছে। ইউ পি ডি এচ ডেজিকনেটেড কেম্পতো উঠাই নিয়াতো বিচাৰে। ডিমাচাই উঠাই নিয়াতো নিবিচাৰে। ডিমাচা বিলাকে ভয় খাইছে ইয়াক উঠাই নিলে আকৌ তেওঁলোকৰ ঘৰ-বাৰী জ্বলাই দিব। চৰকাৰে প্ৰটেকচন দিব লাগে। সকলোকে নিৰাপত্তা দিয়াৰ ব্যৱস্থা চৰকাৰে লব লাগে। ডিফু ওচৰতে। ভিতৰৰ ঠাইৰ মানুহবোৰে গাঁৱে-ভূঁয়ে ভয় খাইছে, তেওঁলোকে কেম্পত থাকিব বিচাৰে। ঘৰ-বাৰী জ্বলাই দি মানুহ মাৰি পেলোৱাৰ ভয়ত। চৰকাৰে দুই পক্ষৰ লগত বিচাৰ - বিবেচনা কৰি এই পৰিবেশৰ সোনকালে শেষ কৰি মানুহৰ মাজত আস্থাৰ পৰিবেশ ঘূৰাই অনাৰ অতি প্ৰয়োজন। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোক সকলোয়েই জানে যে কাৰ্বিআংলঙ এখন অসমৰ ভিতৰতে অতি পিছপৰা জিলা। চৰকাৰী দাতাতে সেইটো ওলাই পৰিছে। ইয়াৰ উন্নতিৰ বাবে চৰকাৰে কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা নাই। ফলত ল'ৰা বিলাকে হাতত এ.কে. ৪৭ তুলি লৈছে। ইয়াৰ কাৰণে কাউঞ্চিলক জগৰীয়া কৰি লাভ নাই। এতিয়া যি বিলাক মানুহ ৰিলিফ কেম্পত আছে তেওঁলোকে ৰিলিফ হিচাবে কিছু চাউল, দাইল, নিমখ আদি পাইছে। কিছু কম্বলো পাইছে। কিন্তু সেইবিলাক পৰ্য্যাপ্ত নহয়। চৰকাৰে ৰিলিফ কেম্পত থকা প্ৰত্যেককে এই সকলো বোৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰত্যেকজন মানুহেই এই সকলোবোৰ পাব লাগে। গতিকে এই ৰিলিফ কেম্প বিলাকৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিলে ভাল হয়। ❑❑

★ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ একাংশ গোটে আজি এই পবিত্ৰ সদনত বৰ্ত্তমান চলি থকা গগৈ চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে। কিন্তু আমাৰ বৃন্দাবন গোস্বামী ডাঙৰীয়াই আমাৰ বি, ডি, এল, পি দলৰ লগত আলোচনা নকৰিলে নেকি গম নাপালো। বয়নজ্যোতিৰ মন্ত্ৰীৰ লগত তেখেত লগ লৈছে নেকি মই বুজি নাপালো। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, মই বি, ডি, এল , পিৰ এগৰাকী বিধায়ক হিচাপে এই অনাস্থা প্ৰস্তাৱ নাকচ কৰিবলৈ চেষ্টা কৰিম। বৰ্ত্তমান পৰিস্থিতিয়ে চৰকাৰ এখন ভংগ কৰাৰ অনুমতি প্ৰদান নকৰে। য'ত শাসক দলৰেই একাংশ এম. এল. এ., এম. পি. তথা দলীয় নেতাই চৰকাৰৰ বিৰুদ্ধে স্বয়ং হাই কমাণ্ডৰ ওচৰলৈ গৈ গগৈ ডাঙৰীয়াক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰিব লাগে বুলি দিল্লীত গৈ দাবী উত্থাপন কৰি ব্যৰ্থ হৈছে। তেনেস্থলত আজিৰ অনাস্থা প্ৰস্তাবেৰে এই চৰকাৰখন ভংগ কৰা সম্ভৱ নহব। অৱশ্যে গগৈ ডাঙৰীয়াৰ চৰকাৰখনক মই আজি সদনত ভৎসনা কৰিম। বৰ্ত্তমান কংগ্ৰেছৰ নেতৃত্বত চলি থকা ৰাজ্য চৰকাৰখনে বিগত চাৰে চাৰিটা বছৰত বিভিন্ন বিভাগত ঘটি থকা দুৰ্নীতিয়ে মাৰাত্মক ব্যাধি হিচাপে ৰূপ ধাৰণ কৰিছে আৰু ইয়াক প্ৰতিৰোধ কৰাত চৰকাৰ বাৰুকৈয়ে ব্যৰ্থ হৈছে। দ্বিতীয়তে ৰাজ্যখনত সংঘটিত হোৱা আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত চৰকাৰ পাইকাৰী হাৰত ব্যৰ্থ হৈছে। তাৰ কাৰণে কিন্তু ৰাজ্য গৃহ বিভাগটোৱেই দায়ী। ডিমাছা-কাৰ্বি সকলৰ মাজত সংঘৰ্ষই তাৰ জলন্ত উদাহৰণ। তৃতীয়তে, গাওঁ পঞ্চায়ত সমূহ তথা জিলা পৰিষদৰ দুৰনীতিয়ে বহু গভীৰতালৈ শিপাইছে। পঞ্চায়ত নিৰ্ব্বাচনৰ পিচত দুৰ্নীতিয়ে ব্যক্তি সমাজৰ বিশৃংখলতা, ধনৰ হৰণলুকী, নৈতিক স্খলন তথা সামাজিক শৈক্ষিক পৰিবেশত প্ৰদুষণত পৰিণত হৈছে। এই সন্দৰ্ভত আচৰ্য্যৰ বিষয় হৈছে যে, ইলেকট্ৰনিক তথা সংবাদ মাধ্যমেও গগৈ চৰকাৰখনক দুৰ্নীতিৰ চৰকাৰ হিচাপে দৃঢ়তাৰে আখ্যা দিছে। এই দুৰ্নীতিৰ সন্দৰ্ভত একাংশ শাসকীয় মন্ত্ৰী বিধায়কে সময়ে সময়ে নতি স্বীকাৰ কৰি আহিছে। ৰাজহুৱা মেল, মিটিং ইত্যাদিত দুৰ্নীতিৰ কথা শাসক গোষ্ঠীৰ ডা-ডাঙৰীয়া, মন্ত্ৰী, বিধায়ক সকলেই স্বীকাৰ কৰিছে। উপাধ্যক্ষ মহোদয়, এনেস্থলত চৰকাৰখনে স্বয়ং কেতিয়াবাই ইস্তফা দিব লাগিছিল। কিন্তু চাওঁতে চাওঁতে নিৰ্ব্বাচনৰ বতৰেই আহি পালেহি। অৱশ্যে, উপাধ্যক্ষ মহোদয়, গগৈ ডাঙৰীয়াই বিগত সময়ত বহুতো উন্নয়ণমূলক কাম কৰিছে, কিন্তু কাম কৰাৰ জোখাৰে প্ৰশংসা বুট লিব পৰা নাই। ইয়াৰ কাৰণ বহুতো, তেখেতৰ

---

* Speech not corrected

কেবিনেটৰ সতীৰ্থ সকলে উদাৰ নীতিৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াক সহযোগ কৰা নাই। তাৰো পৰি পূৰ্ব্বৰ প্ৰধান মন্ত্ৰী বাজপেয়ী ডাঙৰীয়াই দিয়া ৫০০ কোটি টকা পেকেজৰ ধন মুকলি কৰি দিব নোৱাৰাটোও দুৰ্ভাগ্যৰ বিষয়। কিন্তু বড়ো সকলৰ বাবে বি, টি, এ, ডি প্ৰদান কৰা হ'ল আৰু লগে লগে বি, টি, চি,ৰ সাধাৰণ নিৰ্ব্বাচন পাতি বি. টি. এ. ডিক পূৰ্ণাংগ সংবিধান দিয়া হ'ল। বড়ো ভাষাটো সংবিধানৰ অষ্টম অনুসূচীত অৰ্ন্তভুক্ত কৰি বড়ো জাতিক মৰ্য্যদা দিয়া হ'ল। বড়োভাই সকলৰ লগতে মিচিং, ৰাভা-হাছং, লালুং আদি স্বায়ত্ব শাসিত জিলা প্ৰৱৰ্ত্তণ হ'ল। সমগ্ৰ অসমৰ জনজাতি সকলক মৰ্যদা প্ৰদান কৰাটোত সম্প্ৰতি গগৈ ডাঙৰীয়াই কৃতজ্ঞতা পাবই লাগিব। আদিবাসী, চাহ-জনজাতি, কোচ-ৰাজবংশী, মৰাণ মটক আদি ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীক জনজাতি কৰণৰ বাবে এইখন পবিত্ৰ সদনেই কেন্দ্ৰলৈ অনুমোদন কৰি পঠালে। গগৈডাঙৰীয়াৰ দিনতেই আলফাৰ লগত আলোচনাৰ চিন্তাচৰ্চা কৰা হ'ল, এন, ডি, এফ. বি, শান্তি আলোচনাৰ মেজলৈ আহিল, অৱশ্যে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী মহোদয়ে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰি এন, ডি, এফ, বি সমস্যাটি ৰাজনৈতিক সমস্যা হিচাপে স্বীকৃতি দি সমাধানৰ ব্যৱস্থা ললে বেছি ভাল হ'ব।

যোৱা কালি কলেজ শিক্ষকলৈ পেঞ্চনৰ বিধেয়ক গৃহীত হ'ল। ঠিক সেইদৰে কল্পতৰু, জ্ঞানজ্যোতি, ধৰ্ম্মজ্যোতি, জীৱন বীমা আঁচনি, কুটীৰজ্যোতি, মুখ্যমন্ত্ৰীৰ শিক্ষা আঁচনিয়ে ৰাইজক যথেষ্ট সকাহ দিছে। অৱশ্যে চৰকাৰী পৰিকল্পনা, নিযুক্তি আদিত মহামান্য উচ্চ ন্যায়ালয়ত চৰকাৰ বাৰে-বাৰে দুৰাৱস্থ হব লগাটো দেশবাসীৰ বাবে অত্যন্ত দুৰ্ভাগ্যজনক পুলিচ নিযুক্তি প্ৰক্ৰিয়াই ইয়াৰ জ্বলন্ত উদাহৰণ। বিখ্যাত পণ্ডিত আলবেৰুনীয়ে কৈছিল অসমৰ মানুহে হাতত তৰোৱাল ঘুৰাই ঘোঁৰা চেকুৰাইছিল কিন্তু তামোলৰ পিক য'তে ত'তে পেলাই আৰু মানুহৰ ঘৰলৈ গলে অনুমতি নোলোৱাকৈ চকীত বহে। শেষত মই কব বিচাৰিছো যে বিৰোধী পক্ষই অনাস্থা প্ৰস্তাবৰ বাবে আমাৰ দলৰ লগত একো আলোচনা কৰা নাই আৰু আমাৰ দলৰ নেতৃত্বয়েও আমাক অনাস্থা প্ৰস্তাব সমৰ্থন দিবলৈ কোৱা নাই। গতিকে মই এই অনাস্থা প্ৰস্তাৱটো নাকচ কৰিব লাগে বুলি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। □□

* Speech not corrected

★ **শ্ৰীটিজেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰৰ আইন-শৃংখলাৰ ব্যৰ্থতাৰ ওপৰত অভিযোগ আনি যি অনাস্থা প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত মই কেই আষাৰ মান কব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰীয়ে যিখন ছবি দাঙি ধৰিছে তেখেতে অকল চহৰৰ কথাহে কলে। দিনৰ লগতে ৰাতি থকাৰ দৰে চহৰৰ লগতে গাওঁবোৰ আছে। তেখেতে কৈছে নতুন নতুন আঁচনিবিলাক সুন্দৰ ভাৱে ৰূপায়ণ হৈছে, দুখীয়া খেতিয়ক ৰাইজ ইয়াৰ দ্বাৰা উপকৃত হৈছে। গাঁৱৰ দুখীয়া ৰাইজক, শিপিনী সকলক দিব লাগিছিল তাঁত শাল চৰকাৰে দিছে সূতা। এক বান্দোল সূতাৰ দাম ২০০ বা ৩০০ টকা, কিন্তু তাঁত শালৰ দাম হেজাৰ টকাৰো অধিক। গতিকে দুখীয়া শিপিনী সকলে দুশ বা তিনিশ টকা দি এক বান্দোল সূতা কিনি লব পাৰে, কিন্তু এক হেঁজাৰ টকা দি সকলো শিপিনীয়ে তাঁতশাল একোখন কিনি লব নোৱাৰে। বি পি এল ৰ শিপিনী সকলে কেনেকৈ তাঁতশাল এখন কিনি লব পাৰে? চৰকাৰে সূতা দিয়াত তেওঁলোকৰ একো লাভ হোৱা নাই। ফলত তেওঁলোকে দুই শ টকাৰ সূতা তিনি শ টকাত বিক্ৰী কৰিব লগা হৈছে। তাত শাল নিদি সূতা দিয়াৰ ফলত তেওঁলোকৰ আৰ্থিক অৱস্থাৰ উন্নতি নহ'ব। গতিকে চৰকাৰে যিটো আঁচনি লৈছিল সেইটো আঁচনি বা পৰিকল্পনা শুদ্ধ বুলি কব নোৱাৰি।

আজি হাই স্কুলৰ শিক্ষক সকলে আন্দোলন কৰিব লগা হৈছে। ২০ - ২৫ বছৰ শিক্ষকতা কৰাৰ পিচতো স্কুলবিলাক প্ৰাদেশীকৰণ হোৱা নাই আৰু হব বুলিও কোৱা নাই। গতিকে এই শিক্ষকসকলে বাধ্য হৈ কাহিঁ-বাতি লৈ আন্দোলন কৰিব লগা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব আছে এওঁলোকৰ কাৰণে চৰকাৰে চিন্তা কৰিব লাগিছিল। অসম গণপৰিষদ দলে বিভিন্ন তথ্যৰে এই চৰকাৰক সমালোচনা কৰিছে। ফলত ইয়াৰ প্ৰত্যুত্তৰত কংগ্ৰেছ দলৰ চৰকাৰে যি তথ্য দিছে সেইটো আমাৰ বিচাৰ্য্যৰ বিষয় নহয়। আমি বিছাৰিছো ৰাইজৰ সামগ্ৰিক উন্নয়ণ, কংগ্ৰেছ চৰকাৰে ৰাইজৰ উন্নয়ণৰ কাৰণে কাম কৰক। আমাৰ দুখ লাগে শিক্ষক সকল আমাৰ ওচৰলৈ আহি থাকে। তেওঁলোকে অনুদানৰ বিষয়ে আমাক সোধোতে আমি কওঁ হব, এই ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰে সহায় কৰিব, আমাৰ বিশ্বাস আছে। কিন্তু স্কুলবিলাক যে প্ৰাদেশীকৰণ কৰা নহয় সেইটো এতিয়া স্পষ্ট হৈ পৰিছে।

উপাধ্যক্ষ মহোদয়, আন এটা বিশেষ কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছোঁ যে আমাৰ গাঁৱৰ ৰাইজে এটোপা খোৱা পানীৰ কাৰণে হাঁহাকাৰ কৰিব লগা হৈছে। তেওঁলোকে নদীৰ পানী আৰু পুখুৰীৰ পানী খাব লগা হৈছে। এই ক্ষেত্ৰত চৰকাৰে যি জলধাৰা আঁচনি গ্ৰহণ কৰিছিল তাৰ দ্বাৰা গাঁৱৰ

* Speech not corrected

ৰাইজৰ খোৱা পানীৰ সমস্যা দূৰ নহ'ল। ।এই ক্ষেত্ৰত যে চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে সেই কথা আমি কব নালাগে, কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰী সকলে চালেই নিজেই তথ্য বিচাৰি পাব।

২০০৫ চনত অসমত ৫০০ তকৈও বেছি হত্যাকাণ্ড হোৱা বুলি কৈছে, মানুহৰ ঘৰ-দুৱাৰ ভাঙি দিছে। এইবোৰৰ কোনো বিচাৰ ৰাইজে আপত্তি কৰা স্বত্তেও পোৱা নাই।।

উপাধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ। এই খিনিকে কৈ অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিছোঁ।

**(Hon'ble Deputy speaker vacated the chair and Hon'ble Speaker occupied the chair).**

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আচলতে দুখ লাগিছে যে ৪ বছৰ কংগ্ৰেছ চৰকাৰে ৰাজ্য শাসন কৰাৰ পিচত বৃন্দাবন গোস্বামী ডাঙৰীয়াই আমাৰ চৰকাৰক যি ধৰণেৰে সমালোচনা কৰিব লাগিছিল সেই ধৰণে কৰিব নোৱাৰিলে। বৰঞ্চ যি প্ৰতিছবি দাঙি ধৰিছে তাৰ পৰা প্ৰমাণ হয় যে তেখেত আকৌ আহি সেই একে আসনতে বহিব লাগিব।

এ, জি, পি, ৰ ওৱেব চাইটত কি দেখুৱাইছিল, গুৱাহাটীত ৪০ খন ৰেষ্টুৰেণ্ট, ৭ খন মেইন ষ্টল ইত্যাদি দেখুৱাইছে, এইখিনি এচিভমেণ্ট। এইখিনিৰে আমাক তুলনা কৰিবলৈ যায়। আমি কি কম, গোটেই কথা নকওঁ, ৪০ খন ৰেষ্টুৰেণ্ট খুলি দেখুৱাইছে। এইখিনি অসম চৰকাৰৰ এচিভমেণ্ট। আমাৰ চৰকাৰে ১২ শ কোটি টকা টেক্স কালেকচন কৰিছিল, দেখা যায় শতকৰা ৩৪ ভাগ হৈছে। টেক্স কালেক্চনত গুৱাহাটীত দুৰ্নীতি হৈছে বুলি কৈছে। ইয়াৰ প্ৰতিবাদ হোৱা নাই। কোনেও কব নোৱাৰে যে অসমত কাম হোৱা নাই। অসমত মানুহ আছে, ৯০ শতাংশ সৰল সহজ মানুহে দুৰ্নীতিৰ বিৰুদ্ধে যুজ কৰি আহিছে। অসমত যদু বংশ ধ্বংশ হৈছে। গোস্বামী ডাঙৰীয়াই জাষ্টিচৰ কথা কৈছে, তেজপুৰত যেতিয়া গুপ্ত হত্যা সংঘটিত হৈছিল, প্ৰতিবাদী জনতাই ৰাস্তালৈ ওলাই আহিছিল, লগতে বৃন্দাবন ডাঙৰীয়াইও আছিল। বৃন্দাবন গোস্বামী ডাঙৰীয়াই জিতেন শৰ্মা ৰিপোৰ্টৰ ৰেফাৰেন্সত মন্ত্ৰীৰ কথা কৈছে। যদি জিতেন শৰ্মাৰ ৰিপোৰ্ট একচেপ্ট কৰিছে, তাৰ ওপৰত আলোচনা হব। চৰকাৰ পক্ষই বিবৃতি দি কলে নহব। তেওঁলোকে চাৰে চাৰি বছৰ গুপ্তহত্যাৰ লগত সহঅৱস্থান কৰিছিল।

---

★ Speech not corrected

★ **Shri Brindaban Goswami :** Point of order Sir, Whether it is authentic or not? It should be placed in the Assembly. জিতেন শৰ্মাৰ ৰিপোৰ্টৰ ওপৰত কব লাগিব। (গণ্ডগোল) আলোচনা হব।

★ **Shri Himanta Biswa Sarmah (Minister) :** I will authenticate it. (Paper placed on the table of Hon'ble Speaker by the Hon'ble minister of state, Finance etc.) I have authenticated with full sense of responsibilities. বৃন্দাবন গোস্বামীৰ চহী কৰা কাগজ অধ্যক্ষ মহোদয় আপোনাৰ টেবুলত লে কৰিলো।

★ **Shri Hitendra Nath Goswami :-** How you can authenticate ?

★ **Shri Himanta Biswa Sarmah (Minister) :** I will be within the Parliamentary democracy. (গণ্ডগোল) মোক কবলৈ দিয়ক, দিলীপ শইকীয়া আৰু বৃন্দাবন গোস্বামী ডাঙৰীয়াই হাজাৰ হাজাৰ কেচ দেখুৱাইছে। (গণ্ডগোল)

**মাননীয় অধ্যক্ষ ঃ** আপোনাক ৰুলিং দিয়া হ'ল, মই ইন্টাৰপ্ৰেটেশ্বন কৰিব দিয়া নাই। এজ মুভাৰ আপুনি কিছু সময় পাব। No, no please let the debate go on.

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, আমি বাধা নিদিও।

**Mr. Speaker :** Please Mr. Goswami please sit.

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই বাতৰি কাকতৰ কথাহে কৈ আছো।

★ **শ্ৰীবন্দাবন গোস্বামী ঃ** অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ কথা নহয় (গণ্ডগোল)।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে অনাস্থা প্ৰস্তাৱ আনিছে, মই এলাউ কৰিছো, এতিয়া ডিবেট চলিব দিয়ক।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** ও, বি, বি ৰ শিক্ষকক দৰমহা দিয়া হৈছে, এইটো স্বীকাৰ কৰিব লাগিব।

★ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** অধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়...

★ **Shri Himanta Biswa Sarmah (Minister) :** Check gate and syndicate is now closed. That is their problem. This is the photograph (photographs displayed), মই বৃন্দাবান গোস্বামীৰ চহী থকা কাগজ দিছো।

★ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** অসম বিধান সভাৰ চিক্ৰেচী ভঙ্গ হৈছে।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৫০ বছৰে অসম বিধান সভাৰ ইতিহাসত ইমান অসহায় বিৰোধী দলপতি দেখা নাই।

★ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকৰ বিশ্বাস নহয়, মই মুখ্যমন্ত্ৰীক চিঠি দিছিলো। মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ক। (গণ্ডগোল) মই মুখ্যমন্ত্ৰীক চেলেঞ্জ কৰিছো,

* Speech not corrected

মোৰ চিঠি পাইছে নে নাই।

☆ শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মুখ্যমন্ত্ৰী মহোদয়ক দুৰ্নীতি পৰায়ণ বুলি কৈছে। মুখ্যমন্ত্ৰীৰ হস্তক্ষেপত চেক গেট বন্ধ কৰা হ'ল। চেক গেট, চিন্দিকেট বন্ধ কৰাৰ কাৰণে আজি হুলস্থুল হৈছে। কোনোবা এ, জি, পিৰ আত্মীয়ৰ নামত থকা চেক গেট বন্ধ কৰাৰ কাৰণে আজি আৰ্ত্তনাদ হৈছে। অধ্যক্ষ মহোদয়, আজি সদনত প্ৰশ্ন তুলিছে। বাতৰিকাকতত আমাৰ মুখ্যমন্ত্ৰীক মাফিয়া সজাইছে, মোকো মাফিয়া সজাইছে। আমি প্ৰতিবাদ কৰা নাই। সংসদীয় গণতন্ত্ৰত বাতৰি কাকতৰ ভূমিকাক আমি সন্মান কৰো। মোক কৈছে কংগ্ৰেছৰ প্লেটফৰ্মৰ পৰা জাতীয়তাবাদৰ কথা কব নালাগে। এ, জি, পিৰ প্লেটফৰ্মৰ পৰাই জাতীয়তাবাদৰ কথা কওক। (ফটো দেখুৱাই) এইজন শ্ৰীনৰেশ কলিতা, হেন্দকাফ দি লৈ গৈছে। শ্ৰীকনক সেন ডেকাক হেন্দকাফ দি এৰেষ্ট কৰি লৈ গৈছে। মই প্ৰফুল্ল মহন্তক দোষাৰোপ কৰিবলৈ যোৱা নাই তেখেতৰ শাস্তি জনসাধাৰণে দিছে। বৃন্দাবন গোস্বামী ডাঙৰীয়াই কওক - It has been possible only during this Government of Shri Tarun Gogoi. That so many game insfrastructure have been created. অধক্ষ্য মহোদয়, ছেল টিউৱেলৰ কথা ওলাইছে। কমলা কলিতা, চন্দ্ৰ মোহন পাটোৱাৰীক লৈ বৃন্দাবন গোস্বামী গৈছিল। আমি শুনা পাইছো আজি বৃন্দাবন গোস্বামীয়ে কি কাপোৰ পিন্ধিব সেইটো বোলে জগদীশ ভূঞাই নিৰ্দ্ধাৰিণ কৰি দিয়ে।

☆ শ্ৰীজগদীশ ভূঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ। চৰকাৰখনৰ দুৰ্নীতিৰ কথা কওক। সেই কাৰণে আজি গোলাম ওচমানি ডাঙৰীয়াই কংগ্ৰেছ দল ত্যাগ কৰিব লগা হৈছে। আপোনালোকৰ বিধায়কে দিল্লীত গৈ কি কৈছে সেইটো কওক।

☆ শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মই ধন্যবাদ দিম গুণীন হাজৰীকা আৰু উৎপল দত্তক। বিপদৰ সময়তো তেখেতে প্ৰফুল্ল মহন্তক বিশ্বাসঘাটকতা কৰা নাই। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কথা ওলাইছে। বাতৰি কাকতত বিবৃতি ক্ৰীড়া সংগঠকে দিয়া নাই। ৰাজনৈতিকে দিছে। ৰাষ্ট্ৰীয় ক্ৰীড়া পলমকৈ হলেও হব। ৫ বছৰৰ পিচত অসমৰ ল'ৰা-ছোৱালীয়ে তৰুণ গগৈ ডাঙৰীয়াৰ নাম লব। কাৰ দিনত চৰকাৰী কৰ্মচাৰীয়ে সময় মতে দৰ্মহা নেপাইছিল, শিক্ষক সকল ৰাজপথলৈ ওলাবলগীয়া হৈছিল। ৰাইজে কব। মই হিতেন্দ্ৰ গোস্বামী ডাঙৰীয়াক পৰামৰ্শ দিব খুজিছো যে এ, জি; পিৰ ৱেৱচাইটত আলফা আৰু চৰকাৰৰ মাজৰ আলোচনাৰ যি কৰাম সেইটো বন্ধ কৰক। অসমৰ মূল সমস্যাৰ বিষয়ে আলোচনা কৰক। আলফা আৰু চৰকাৰৰ আলোচনা থাকিব নেলাগে। কমেণ্ট দিয়ক। সদায় কৈ অহা হৈছে। তাৰ বিপৰীতে আজি তৰুণ গগৈ ডাঙৰীয়াই কি কৰিছে। এন, ডি, এফ, বি, ৰ লগত আলোচনা কৰি বড়োলেণ্ড চুক্তি কৰা হ'ল। ৩০হেজাৰ মাষ্টাৰ ৰোল

✻ Speech not corrected

কৰ্মচাৰীক নিয়মীয়া কৰা হ'ল। এই ক্ষেত্ৰত ৩০হেজাৰ টা পৰিয়ালে ৰায় দিব। গতিকে মুখ্যমন্ত্ৰী গগৈদেৱে জাতীয় সন্মান ৰাখিছে নে আন কোনোবাই ৰাখিছে। কৃষকৰ খাজনা কমাই দিয়া হৈছে। গণ পৰিষদ চৰকাৰৰ দিনত ট্ৰেজাৰী ২-৩ দিনৰ কাৰণেহে খুলিছিল। আমি এমাহে খোলা ৰাখিছো। চৰকাৰী কৰ্মচাৰীক আমি কেন্দ্ৰীয় কৰ্মচাৰীৰ হাৰত ডি, এ, দিছো। মেডিকেল বঢ়াই ৩৫০ টকা কৰা হৈছে। গাওঁবুঢ়াৰ দৰমহা, মুক্তিযোদ্ধাৰ পেঞ্চন বৃদ্ধি কৰা হৈছে। অধ্যক্ষ মহোদয়, গণ পৰিষদ চৰকাৰৰ দিনত কলেজ শিক্ষক সকলক পেঞ্চন দিবৰ কাৰণে এখন বিল আনিছিল যাৰ দ্বাৰা কলেজ শিক্ষকে এ পইচাও নাপালে কিন্তু আমি এতিয়া যি যুগান্তকাৰী সিদ্ধান্ত ললো তাৰ কথা হ'লে তেখেতে নকয়। যোৱা চাৰে চাৰি বছৰত অসমত ইকনোমিক গ্ৰোথ বহুত ওপৰত। মাননীয় সদস্য শ্ৰীবিমলাংশু ৰয় ডাঙৰীয়াই চৰকাৰে বহুত লোন লোৱাৰ কথা উল্লেখ কৰিছে কিন্তু লোনেই লৈছো যদি জিদিপি গ্ৰোথ কেনেকৈ বাঢ়িব ? এতিয়া ইকনোমিক গ্ৰোথ শতকৰা ৩৩ শতাংশ বাঢ়িছে। দেশখনৰ উন্নয়ানৰ কাৰণে বিশ্ব বেংক অন্য ঠাইৰ পৰা লোন দৰ্কাৰী তাক প্ৰদেণ্ট ইকনোমি বুলি কয়। আমি লোন লোৱাৰ উপৰিও ৮০০কোটি আগৰ ৰিন ঘূৰাই দিছো। আগৰ দিনত লোন লৈছিল কিন্তু ঘূৰাই নিদিলে আমি লোনও লৈছো পৰিশোধো কৰিছো। গতিকে সদনত কথা কলে বায়াচ হৈ কথা কব নালাগে। আমাৰ বৃন্দাবন গোস্বামী ডাঙৰীয়া শিক্ষা মন্ত্ৰী থাকোতে বিদ্যালয় বিলাকত ঢোল পেপাঁ বিতৰণ কৰিছিল কিন্তু এতিয়া আমি কম্পিউটাৰ বিতৰণ কৰিছো। কম্পিউটাৰ বিতৰণ কৰোতে আকৌ তেওঁলোকে কৈছিল বিদ্যুৎ নহ'লে কম্পিউটাৰ কেনেকৈ চলাব কিন্তু বৰ্ত্তমানৰ যুগ বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগ, চেটেলাইটৰ যুগ সেই কথা আমি পাহৰিলে নহ'ব। তেখেতৰ দিনত এখন এলপি স্কুলক ৬১ হাজাৰ টকা দিছিল আজি চাওঁক। গুৱাহাটী বিশ্ববিদ্যালয় তেখেত সকলৰ দিনতে দেউলীয়া হৈছিল টকা দিয়া নাছিল দৰং কলেজৰ কথাই নকও। আমাৰ মাননীয় সদস্য শ্ৰীগিৰীন বৰুৱা ডাঙৰীয়াই আকৌ নগাঁও কলেজক সমষ্টি উন্নয়নৰ টকা দি ঘূৰাই আনিছে যাতে কলেজৰ উন্নতি নহয়। আপোনালোকে অসমৰ বুনিয়াদৰ কথা কৈছে আপোনালোকৰ দিনত কি হৈছিল ? আমি চাকৰিয়ালৰ চাকৰীৰ অৱসৰৰ সীমা ৫৮ বছৰৰ পৰা ৫৯ বছৰ কৰিলো, ৰাতিৰ ভিতৰতে ৩০ হাজাৰ মাষ্টাৰৰোল কৰ্ম্মীৰ চাকৰি নিয়মীয়া কৰিলো, আপোনালোকে টকা বিত্তীয় নাটনিৰ কথা কৈছে ৬৩ হাজাৰ শিক্ষকৰ চাকৰি প্লেনৰ পৰা ননপ্লেনলৈ আনিলো। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে জাতিৰ সন্মান হেৰালে বুলি কৈছে কিন্তু তেখেতে আৱিস্কাৰ কৰা জীৱনজ্যোতি আচনিৰ কথা 'টাইমচ অৱ ইণ্ডিয়া'ৰ সম্পাদকীয়ত তেখেতক ভূয়সী প্ৰশংসা কৰিছে। দুৰ্নীতি হৈ আছে বুলি কৈছে, কেইদিনমান আগতে টি ভি চেনেল এটাত দেখিলো নগাওঁত

যিটো ৰেলী হৈছে তাত পালী প্ৰহৰী, নেতা পালি নেতা সকলোৱে প্ৰচেচনত ভাগ লৈছে সংখ্যাটো কিয় নাবাঢ়িব? বলহজানীত আমাৰ সদস্য মদন কলিতাই সভা পাতিছিল মই তাত গৈছিলো মোৰ সভাত মানুহ নহব বুলি ভাবিছিলো কাৰণ ওচৰতে বৃন্দাবন গোস্বামীৰ সভা আছিল মই ভাবিছিলো কংগ্ৰেছৰ সভালৈ মানুহ নাহিব পাৰে কিন্তু অভূতপূৰ্ব্ব সহাৰী তাৰ পিচত বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ সভাৰ ওচৰেৰে আহিলো তাত মাত্ৰ একশ মানুহ। এইটো কি সূচায়? নগাওৰ সভাত মই মাননীয় সদস্য গিৰীন বৰুৱাক সুধিলো তেখেতে ৬/৭হেজাৰৰ কথা কলে (ভইচ-মই ১৮ হাজাৰ কৈছো) নগাও মৰিগাও তেজপুৰৰ পৰা মানুহ আহিল এইখিনি মানুহ হ'ল নে? (হাহাকাৰ)

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা :** আমাৰ দলৰ কাৰণে মন্ত্ৰী মহোদয়ে চিন্তা কৰা বাবে তেখেতক ধন্যবাদ।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) :** লুইতক অৰ্থ্যৎ আমাৰ মহাবাহু ব্ৰহ্মপুত্ৰক আমি অসমৰ সংস্কৃতিৰ আখ্যা দিও, অসমৰ সভ্যতাৰ ই বাহক কিন্তু সেই সংস্কৃতিত আপোনালোকক কথাই কথাই আমাক দলিয়াই দিয়ে, এয়ে আপোনালোকৰ মানসিকতা নেকি? (ভইচ- আপোনালোকৰ নীতি শিক্ষাৰ কাৰণে ধন্যবাদ জনাইছো) সঁচাক সঁচা বুলি কব লাগে কিন্তু বাতৰিৰ শিৰোনামাৰ কাৰণে অসত্যৰ আশ্ৰয় লব নালাগে। সৰুতে সাধু শুনিছিলো - হজৰৎ মহম্মদে তেওঁৰ শিষ্য এজনক নিজে মিঠাই বাদ দি তেওঁক মিঠাই বাদ দিবলৈ পৰামৰ্শ দিছিল। গতিকে আগতে নিজে কৰক তাৰ পিচত বেলেগক কব। আপোনালোকে নিৰ্ব্বাচনৰ কথা কয়-আমি পঞ্চায়ত নিৰ্ব্বাচনত জিকিলো, জিলা পৰিষদ, পৌৰসভা, লোকসভা নিৰ্ব্বাচনত জিকিলো সেইবিলাক পাহৰিলে। কিয়? যি সকলে এসময়ত প্ৰফুল্ল মহন্ত জিন্দাবাদ, জয়শ্ৰী মহন্ত জিন্দাবাদ কৰি কেবিনেট মন্ত্ৰী হৈছিল তেওঁলোকে আজি প্ৰফুল্ল মহন্তক পাহৰাৰ নিচিনাই।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই বক্তৃতা দিবলৈ উঠিলেই শিক্ষাৰ কথা কয় কিন্তু তেওঁৰ দিনত শিক্ষাৰ একো কৰিব নোৱাৰিলে। তেওঁ শিক্ষা মন্ত্ৰী হৈ থাকোতে মেট্ৰিক পৰীক্ষা পাচ কৰাৰ হাৰ আছিল শতকৰা ২৯ ভাগ কিন্তু তেওঁ মন্ত্ৰীত্ব যোৱাৰ পিছৰ বছৰতে সেই হাৰ অৱনমিত হৈ শতকৰা ২৬ ভাগ হ'ল। এয়া তেখেতৰ কৃতকাৰ্য্যতাৰ নমুনা।

মাননীয় সদস্য দিলীপ শইকীয়াৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে কাৰণ এই গুপ্তহত্যাৰ কথা তেখেতে মাজে মাজে কৈ থাকে। কিন্তু মই আচৰিত হওঁ যি সকলৰ সমৰ্ষ্টিত ডেকা ল'ৰা বিলাকক গুপ্ত হত্যা কৰিলে সেই হত্যা কৰা ল'ৰা বিলাকৰ ঘৰলৈ গৈ এষাৰ মাত মাতিবলৈ তেতিয়া কাৰো আহৰি নাছিল যি সকলে

* Speech not corrected

আজি গুপ্তহত্যাৰ কথা চিঞঁৰি চিঞঁৰি কৈছে। বৃন্দাবন গোস্বামী বা প্রফুল্ল কুমাৰ মহন্ত কাৰোৰেই সেই সময়ত আহৰি নাছিল এষাৰ মাত লগোৱাৰ। আজি আমাৰ দুখ লাগে এইবোৰ কথা ওলোটাই ক'লে।

আজি কল্পতৰু আঁচনিৰ কথা কৈছে, তাত বস্তু বিতৰনৰ ক্ষেত্ৰত দুৰ্নীতি হোৱা বুলি কৈছে। কিন্তু মই কও কত দূৰ্নীতি বেছি হৈছে আমি অভিযোগ কোন সমষ্টিৰ আটাইতকৈ বেছি পাইছো সেইটো কওঁ। শোণিতপুৰতে আটাইতকৈ বেছি দূৰ্নীতি হৈছে বুলি আমি অভিযোগ পাইছো আমাৰ ৰঞ্জিত দত্তৰ সমষ্টিতে আটাইতকৈ বেছি অভিযোগ পাইছোঁ। (ভইচঃ অভিযোগ আছে যদি ৰিটেন দিব)। অন্য সমষ্টিত দূৰ্নীতি হৈছে বুলি অভিযোগ পাইছোঁ আৰু আমি সেইটো অনুসন্ধান কৰিম। কল্পতৰু আচনিটো আপোনালোকে সমালোচনা কৰি এইটো নিৰ্ব্বাচন জিকাৰ প্ৰয়াস বুলি কৈছে। কিন্তু জানেনে ইয়াৰ দ্বাৰা পাৰ কেপিটা ইন্‌কাম বাঢ়িছে, এতিয়া ৫.৪জি ডি পী গ্ৰথ হৈছে। আজি নেশ্যনেল গেমছ্‌ৰ কাৰণে বাতৰি কাকতবোৰে হাৰাতে মুখ্যমন্ত্ৰীয়ে ৩০০ কোটি বা ৫০০ কোটি টকা আনিছে বুলি লিখিছিল। আজি আমাৰ চৰকাৰৰ আৰ্থিক অৱস্থা এনে এটা পৰ্য্যায় আছে যে নেশ্যনেল গেমছ্‌ৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ প্ৰচেষ্টাৰে তিনি চাৰি বছৰৰ ভিতৰতে ৰাষ্ট্ৰীয় গেমছ্‌ৰ কাৰণে ৩০০ বা ৪০০ কোটি টকা খৰছ কৰিব পৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ পিচতো আজি চৰকাৰৰ অৰ্থনৈতিক অৱস্থা বেয়া বুলি ক'লে কোনোবাই বিশ্বাস কৰিবনে? আমাৰ চাৰিওফালে মানুহে এখন হতাশাৰ ছবি আঁকি দেখুৱাই। অসমৰ একো নহ'ব, অসমে একো কৰিব নোৱাৰে, অসমৰ একো নাই। কিন্তু আজি অসমৰ নতুন প্ৰজন্মই অসমক বিকশিত অসম গঢ়ি বিশ্বত চমক খুৱাব খুজিছে। বিকশিত অসম গঢ়িব খুজিছে আৰু আমি তেওঁলোকৰ জ্ঞান প্ৰযুক্তিৰে তেওঁলোকৰ পথ পোহৰাব খুজিছোঁ। কালি মুখ্যমন্ত্ৰী মহোদয়ে হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰীত পদক পোৱা আৰু খেলাধূলাৰ ক্ষেত্ৰতো কোনে কিমান পদক আৰু সন্মান অসমলৈ কঢ়িয়াই আনিছে সেই কথা কৈছে। আজি অলফা আৰু এন ডি এফ বি লগতে বিএল টিৰ লগত আলোচনা কৰিবলৈ লৈছোঁ। অসমত আজি আমি শান্তি আৰু সম্প্ৰীতিৰ দুৱাৰ মুকলি কৰিছোঁ। সেয়ে আজি অসমলৈ শান্তি, স্থায়ী শান্তি আহিছে। তাৰ বাবে আমি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সকলোৰে ধন্যবাদ জনোৱা উচিত। মুখ্যমন্ত্ৰী মহোদয়ৰ আশাশুধীয়া প্ৰচেষ্টাত নানা ধৰণৰ ৰাইজৰ সহায় আৰু উপকাৰ হোৱা আচনি প্ৰৱৰ্ত্তন কৰা হৈছে যেনে বুনিয়াদ আঁচনি, জ্ঞানজ্যোতি আঁচনি, কল্পতৰু আঁচনি, পথ পকীকৰণ আঁচনি, জীৱনজ্যোতি আঁচনি ইত্যাদি। এইবিলাক কি চৰকাৰৰ বুনিয়াদ গঢ়াৰ প্ৰয়াস নহয়নে? চৰকাৰৰ আৰ্থিক স্বচ্ছলতাৰ কথা এইবিলাকে সূচোৱা নাইনে? আপোনালোকে কথাৰ ফুলজাৰি মাৰি সোণৰ অসম গঢ়িম বুলি ৰাইজক আভুৱা ভৰাৰ দিন আৰু আজি নাই। অসমৰ ৰাইজে সকলো দেখি আহিছে, বুজি আহিছে।

অলপ আগতে এজনে কৈ গ'ল পাৱাৰ টিলাৰ, শ্বেলো মেচিন দিয়া, আদিৰ কথা কৈছিল যে তেওঁলোকে দিছিল। কিন্তু মই কওঁ আমাৰ কংগ্ৰেছ চৰকাৰে শ্বেলো' মেচিন আগতকৈ বেছিহে দিছে। আমি এতিয়ালৈ ৯২ হাজাৰ মেচিন বিলাইছোঁ। তাৰোপৰি কিষাণ বিকাশ পত্ৰ আপোনালোকৰ দিনত মাত্ৰ ৮০০ জনক দিছিল কিন্তু এতিয়া আমি আমাৰ দিনত দুই লাখ পঁচিশ হাজাৰ জনক দিবলৈ সক্ষম হৈছোঁ। আমি পাৱাৰ টিলাৰৰ ক্ষেত্ৰতো কওঁ ৫৫৪ খন আমি ইতিমধ্যেই বিলাইছোঁ। অসম সকলো ক্ষেত্ৰতে আগবাঢ়িছে। আমি সকলো ক্ষেত্ৰতে আশাবাদী কেইদিন মান আগতে আপোনালোকে অভিযোগ কৰিছিল কম্পিউটাৰ দিছে বিজুলী নাই কেনেকৈ চলাব?

যিখন দেশে দুখীয়া দৰিদ্ৰ মানুহৰ কাৰণে ইন্দিৰা আৱাস যোজনাৰ দৰে আচনি লৈছে সেইখন দেশেই পোখৰাণত নিউক্লিয়াৰ বোমাও বিস্ফোৰণ ঘটাইছে। তাৰ কাৰণেও বেলেগে আচনি লৈছে। হাতত হাত ধৰি আমি সকলোবোৰ সমানে সকলো ক্ষেত্ৰতে আগবাঢ়ি যাব লাগিব আৰু দেশকো সমানে আগবঢ়াই নিব লাগিব। থিংক বেটাৰ হ'লে হে সকলো বেটাৰ হয়। আজি আপোনালোকে মুখ্যমন্ত্ৰীক সমালোচনা কৰিছে বিশ্ব বেংকে লোণ নিদিয়ে বুলি কৈছে। কিন্তু বিশ্ব বেংকে আমাৰ বান নিয়ন্ত্ৰণ খণ্ডতো লোণ দিবলৈ আগবাঢ়ি আহিছে আমিহে নালাগে বুলি কৈছোঁ। মুখ্যমন্ত্ৰী অক্ষম বুলি ভাবিলে কেন্দ্ৰই ১৫০০ কোটি টকা প্লেন নিদিয়ে নহয়। মই সেই দিনা এটা ভি ডি ও কেছেট এটাত দেখিলোঁ চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে যে ইয়াত দুহেজাৰ মানুহ আছে কিন্তু ৰকিবুল হুচেইনৰ মিটিংত মাত্ৰ তিনিশ মানুহহে আছে। কিন্তু আজি আৰু ফাকি দিয়াৰ সময় নাই ইলেকট্ৰনিক মাধ্যমক আমি ভগৱান বুলি মানিছোঁ কোন সভাত কিমান মানুহে যোগ দিছে তাক আৰু লুকাই থোৱাৰ উপায় নাই। সেই কাৰণে সত্যৰ আশ্ৰয় ললে ভাল হয়। শাসনলৈ যদি আহিব খোজে গণতন্ত্ৰৰ প্ৰমূল্যক সন্মান জনাওক, সাংবাদিকক সন্মান কৰক, আপোনালোকৰ নিচিনা নহয় বয়স ৩৫ বছৰ নোহোৱালৈকে বা নিৰ্ব্বাচনৰ সময় নোহোৱালৈকে আন্দোলন চলাই যাবলৈ চেষ্টা কৰিব বা কৰিম। আন্দোলন ধৰ্ণা, কাহিঁ বাতি বা শ্ৰাদ্ধ আদিৰে বিভিন্ন পদ্ধতি আজি আপোনালোকে অসমৰ যুৱকক শিকাইছে। যি যুৱক প্ৰজন্মই পিতৃ মাতৃক শ্ৰদ্ধা কৰিবলৈ শিকাইছে সেই যুৱকক আনৰ শ্ৰাদ্ধ কৰিবলৈ, পিণ্ড দিবলৈ শিকোৱাতো আপোনালোকৰ স্বভাৱ। মই শুনিছোঁ এইটো মাননীয় সদস্য জগদীশ ভূঞাই দিছে। অসমৰ নতুন প্ৰজন্মই আজি আমি বায় ইনফৰমেটিকচঁ শিকাব খুজিছোঁ, ইনফৰমেশ্যন টেকন'লজিৰ কথা কৈছোঁ, সেই ক্ষেত্ৰত আগুৱাই লৈ যাব খুজিছোঁ যাতে অসমৰ নতুন প্ৰজন্মই বিশ্বৰ দৰবাৰত সসন্মানে থিয় দিব পাৰে। নিযুক্তি নিদিয়ে বুলি আমাক সমালোচনা কৰিলেই নহব। কাৰণ কৰ্তৃত

আপোনালোকৰ গৈ কেচ বন্ধ কৰি থয়। আনকি প্ৰফুল্ল কুমাৰ মহন্তৰ দিনত আমি জনাত অ গ প ৰে কেইজনমানে তেওঁলোকৰ চৰকাৰৰ নিযুক্তিৰ বিপৰীতে কেচ দি নিযুক্তি বন্ধ কৰাইছিল বা ষ্টে কৰাইছিল। এইটো মই নিজে জানো কাৰণ সেই সময়ত মই উকীল আছিলোঁ। পঞ্চায়তৰ দুৰ্নীতিৰ কথা কৈছে তেখেতসকলে, মই কওঁ আগৰ চৰকাৰৰ দিনত ৩০০ বা ৪০০কোটি টকাৰ যিবোৰ দুৰ্নীতি হৈছিল বাতৰি কাকতটো ফটো ওলাইছিল যে চেন্টেল পাৰ্চেজিং কৰি আৰমানশ্বেখক গোটেই টকাবোৰ দিছিল। সেইটো দুৰ্নীতি নাছিল নেকি? দিছপুৰৰ দুৰ্নীতি বেয়া আৰু গাওঁৰ দুৰ্নীতিতো ভাল কথা নেকি? এই কথা বিলাক অলপ চাব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, যিজনে মুখ্যমন্ত্ৰী হবলৈ সপোন দেখিছে তেওঁ নিশ্চয় সৎ, ন্যায়পৰায়ণ হব লাগিব। অসমৰ মানুহে আজি এখন নতুন অসমৰ সপোন দেখিছে। নতুন অসম চাব বিচাৰিছে। আজি অসমৰ কৃষক সকল, মজদুৰ সকল সকলোৱেই এই চৰকাৰৰ দিনতে উপকৃত হৈছে। অসমীয়া জাতিটো অকৃতজ্ঞ নহয়। ভাৰতবৰ্ষৰ ভিতৰতে অসমীয়া জাতিটো কৃতজ্ঞ জাতি। গতিকে অসমীয়া মানুহে মাননীয় তৰুণ গগৈৰ প্ৰতি অকৃতজ্ঞ নহয়, তৰুণ গগৈ পুনৰ আহিব। অসমীয়া মানুহে তেখেতক পুনৰ আনিব।

✯ **শ্ৰীৰণজিৎ দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো, মাননীয় পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়, অনুগ্ৰহ কৰি অলপ শুনিব। আজি বহুতো কথা কৈছে ভাল লাগিছে। কিন্তু মই আপোনাক এটা অনুৰোধ কৰিব খুজিছো যে মোৰ তেজপুৰ সমষ্টিৰ বিধায়ক ফাণ্ডৰ টকা ৰিলিজ কৰি দিয়া নাই। তাৰোপৰি তেজপুৰত এজন প্লেনিং অফিচাৰ আছে শ্ৰীপি, পি, শইকীয়া, তেওঁক ২ পাৰ্চেন্ট নিদিলে কাম নহয়। তেওঁক অতি সোনকালে বদলি কৰক।

✯ **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মেটাৰটো চাব লাগে। প্ৰমাণ আছে যদি প্ৰমাণ দিয়ক।

✯ **ডঃ ইদ্ৰিছ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ বিৰুদ্ধে বিৰোধী দলে যি অনাস্থা প্ৰস্তাৱ আনিছে তাৰ ওপৰত দুআষাৰ কব খুজিছো। দুটা দলে যেতিয়া ক্ৰিকেট খেলিম বুলি যায় দুয়োটা দলেই প্ৰস্তুত হৈ যায়। যেতিয়া অপেনিং বেটচ্‌মেনজন আউট হৈ যায় তেতিয়া তেওঁলোকৰ মন ভাগি যায়। আজি যিটো অনাস্থা প্ৰস্তাৱ আনিছে তাত অপেনিং বেট্‌চমেনজন আউট হৈ গৈছে। ইয়ে প্ৰমাণ কৰিছে যে আমাৰ চৰকাৰে ভাল খেলিছে। মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই অসমৰ আইন শৃংখলা, নাৰী নিৰ্য্যাতনৰ কথা কৈছে। মই তেখেতক কব বিচাৰিছো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নাৰীক কিমান মৰ্য্যদা দিছে। সেইখিনি বুজিব পাৰিব। এই চৰকাৰ

✯ Speech not corrected

অহাৰ পাচত যেতিয়া পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰিলে সেই নিৰ্ব্বাচনত মহিলাসকলৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৩৩ শতাংশ আসন সংৰক্ষিত কৰিলে। আৰু এটা কব বিচাৰিছো যে আগতে মেটাৰনিতি লিভ ৯০ দিন আছিল। এই ছুটী বঢ়াবৰ কাৰণে মহিলাসকলে আন্দোলন কৰিছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই মেটাৰনিটি লিভ ১৩৫ দিনলৈ বৃদ্ধি কৰিলে। আপোনালোকে নিশ্চয় জানে যে চাকৰীৰ ক্ষেত্ৰত শতকৰা ২০ টা পদ মহিলা সকলৰ কাৰণে আমাৰ চৰকাৰে সংৰক্ষিত কৰিলে। কোনজন মুখ্যমন্ত্ৰীৰ দিনত এইবোৰ কাম হৈছে আপোনালোকে ভাবি চাওক।

ছাৰ, দূৰ্নীতিৰ কথাও কোৱা হৈছে। মই ইয়াৰ বিৰোধীতা কৰিছো। আমাৰ চৰকাৰৰ দিনত ইমান ডাঙৰ দুৰ্নীতি হোৱা নাই। অগপ চৰকাৰৰ দিনত বহুতো কেলেংকাৰী হৈছিল। এল, অ, চিৰ কেলেংকাৰী অগপ চৰকাৰৰ দিনতে হৈছিল।

✯ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কংগ্ৰেছৰ মানুহো জড়িত আছে। কংগ্ৰেছৰ মন্ত্ৰী জড়িত আছিল। সেইখিনি কবলৈ মোৰ সাহস আছে, মই ফেচ কৰিবলৈ সাহস আছে। বেচি ডাঙৰ কথা নকব। মই নাম নকওঁ তেওঁ এতিয়া জীৱিত নাই। নাম কব লাগিব নেকি, মই কব পাৰো।

✯ **ড° ইদ্ৰিছ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কাৰো নাম কোৱা নাই। আপুনি কিয় খং কৰিছে। মই আৰু এটা কথা কব খুজিছো। আপোনালোকে বোমা বিস্ফোৰণৰ কথা কৈছে। ইয়াত মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। ছাৰ, লক্ষীপথাৰত মানুহ জীয়াই জীয়াই পুতি থোৱা হৈছিল। সেয়া অগপ চৰকাৰৰ দিনতে হৈছিল। তাৰ পিচত অসমত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ হয়। আপোনালোকে পাহৰি নাযাব। তেতিয়াৰ মুখ্যমন্ত্ৰী মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত কামাখ্যা গেটৰ ওচৰত বোমা বিস্ফোৰণত কোনো ৰকম প্ৰাণ ৰক্ষা পৰিছিল। আপোনালোকে মদৰ কথা কৈছে। আপোনালোকৰ দিনতে পান দোকানৰ নিচিনাকৈ মদৰ দোকানৰ লাইচেন্স দিয়া হৈছিল। ৰঙিয়াৰ ফালৰ পৰা আহোতেও সেই ঠাইত চেক গেট দেখা নাই। মদৰ লাইচেন্সৰ ক্ষেত্ৰত আপোনালোকে যিটো কথা কৈছে সেই সম্পৰ্কত মই কব বিচাৰিছো যে আপোনালোকৰ চৰকাৰৰ দিনত অসমত পাণ দোকানৰ নিচিনাকৈ মদৰ লাইচেন্স দিয়া হৈছিল। এতিয়ালৈকে আমাৰ চৰকাৰৰ দিনত কোনো মদৰ লাইচেন্স দিয়া নাই। আপোনালোকৰ দিনত নগাওতেই হওক গুৱাহাটীতেই হওক, লক্ষীমপুৰতেই হওক পাণ দোকানৰ নিচিনাকৈ মদৰ দোকানৰ লাইচেন্স দিয়া হৈছিল। মদ খাই বহুত মানুহ মাতাল হৈছে আৰু মৃত্যুমুখত পৰিছে। তাৰ সৃষ্টিকৰ্তা হৈছে আপোনালোক। ইমান বিলাক মদৰ দোকানৰ লাইচেন্স নিদিয়া হলে আজি সমাজ খন ইমান ধ্বংসৰ পথলৈ আগবাঢ়ি নগলহেতেন।

---

✻ Speech not corrected

আপোনালোকে নিৰ্ব্বাচনৰ সময়ত মাইন'ৰিটিৰ কথা কবলৈ আহিছে। আমাৰ এই চৰকাৰৰ দিনত মাইনৰিটিৰ কাৰণে কি কি কৰিছে সেই কথা আপোনালোকে নজনা নহয়। মাইনৰিটিৰ কাৰণে আমাৰ এই চৰকাৰে ষ্টেট মাইনৰিটি কমিচন গঠন কৰিছে। ইতিমধ্যে তাৰ কাৰণে বিষয়া কৰ্ম্মচাৰী নিযুক্তি দিছে। এই বছৰৰ পৰা মাদ্ৰাছা ডাইৰেক্টৰেট কৰা হৈছে। হাইস্কুল, হায়াৰ চেকেণ্ডাৰী স্কুল বিলাকৰ দৰে চিনিয়ৰ মাদ্ৰাছা আৰু মাদ্ৰাছা স্কুল বিলাকো আগবঢ়াই নিয়াৰ কাৰণে আমাৰ এই চৰকাৰৰ দিনত ব্যৱস্থা লোৱা হৈছে। গতিকে মাইন'ৰিটিৰ কাম হৈছে নে নাই সেইবিলাক কথা আপোনালোকে চাওক। আমাৰ চৰকাৰৰ দিনত প্ৰায় ২০০০০ টা মান টিউৱেল দিয়া হৈছে। তাৰ লগতে প্লেট ফৰ্মো নিৰ্ম্মাণ কৰি দিয়া হৈছে। কিন্তু আপোনালোকৰ দিনত গোটেই অসমত মাত্ৰ ১২০০টা টিউৱেলহে দিয়া হৈছিল। নিৰ্ব্বাচনৰ সময়ত আপোনালোকে যদি মাইনৰিটিৰ কথা কবলৈ যায় তেতিয়াহলে কংগ্ৰেছ চৰকাৰে মাইনৰিটিৰ কাৰণে একো কৰা নাই বুলি কব। মোৰ ধিং সমষ্টিত শতকৰা ৯০ ভাগ মাইনৰিটি মানুহ আছে। সেই সময়ত তাত উন্নয়ন সম্পূৰ্ণ স্তব্ধ হৈ গৈছিল। তাত মথাউৰি, ৰাস্তা-ঘাট, দলং আদি নাছিল, সম্পূৰ্ণ বিধস্ত অৱস্থাত আছিল। সেই সময়ত সেই বিলাক অঞ্চলত মাইন'ৰিটিৰ কাৰণে কোনো কাম হোৱা নাছিল। তেতিয়া ডিচক্ৰিমিনেচন হৈছিল। আমাৰ এই চৰকাৰৰ দিনত সংখ্যালঘূ সংখ্যাগুৰু বুলি কোনো কথা নাই। সকলো ঠাইতে কাম হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিত যেনেকুৱা ধৰণে কাম হৈছে ঠিক তেনেকুৱা ধৰণে অন্য সমষ্টিটো কাম হৈছে। ইতিমধ্যে মাইনৰিটিৰ এৰিয়াত পট্টা দিয়াৰ কাম আৰম্ভ কৰা হৈছে। জৰীপৰ কাম চলি আছে আৰু বৰপেটাত পট্টা দিয়া হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সকলোকে সমানে সুবিধা দিছে। আমাৰ এই চৰকাৰৰ দিনত আগৰ চৰকাৰতকৈ স্বাস্থ্য বিভাগৰ অৱস্থাবহুত বেচি উন্নতি হৈছে। আপোনালোকৰ চৰকাৰৰ দিনত গোটেই অসমতেই পি, এইচ, চি, চি, এইচ, চি, কে ধৰি হস্পিতাল বিলাকৰ ইনফ্ৰষ্ট্ৰাকচাৰ কাম হোৱা নাছিল। কিন্তু আমাৰ চৰকাৰৰ দিনত হস্পিতালৰ কাৰণে বিল্ডিং বনোৱা হৈছে, ইনফ্ৰাষ্ট্ৰাকচাৰৰ কাম হৈছে। যিবিলাক ঠাইত আগতে ডাক্টৰ যোৱা নাছিল এতিয়া সেই বিলাক ঠাইত ডাক্টৰ গৈছে। পিছ পৰা অঞ্চলত ডাক্টৰ নোযোৱাৰ কাৰণে ৯০টা এম, বি, বি, এচ ৰ পদ আয়ুৰ্বেদিক ডাক্টৰৰ পদলৈ কনভাৰ্ট কৰা হৈছে। যিবিলাক পিচ পৰা অঞ্চলত ডাক্টৰ (এম, বি, বি, এচ) নাযায় সেই বিলাক ঠাইত আয়ুৰ্বেদিক বা হোমিওপেথিক ডাক্টৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিবিলাক থাৰ্টি বেডড হস্পিতাল আছিল সেই হস্পিতাল বিলাক পৰ্য্যায় ক্ৰমে উন্নতিকৰণ কৰাৰ কাম চলি আছে। আগতে সেই

বিলাক ঠাইত ফাষ্ট ৰেফাৰিং ইউনিটৰ ব্যৱস্থা নাছিল। এতিয়া সেই বিলাক ঠাইত ৰেফাৰিং ইউনিটৰ ব্যৱস্থা কৰাৰ কাৰণে কাম চলি আছে। আগতে চিকিৎসা কৰিবলৈ হলে চহৰলৈ যাব লাগিছিল। চিকিৎসাৰ অভাৱত গাওত যাতে ৰোগীৰ মৃত্যু নহয় তাৰ কাৰণে ৰেফাৰিং ইউনিটৰ ব্যৱস্থা কৰা হৈছে। গাওঁৰ হস্পিতালত এক্সৰে মেচিন, আলট্ৰা চাউণ্ড আদি দিয়া হৈছে যাতে ৰোগীয়ে তাতেই চিকিৎসা কৰিব পাৰে। সাধাৰণতে টি, বি, বেমাৰ হলে জিলাৰ সদৰলৈ পৰীক্ষা কৰিবলৈ আহিবলগীয়া হয়। কিন্তু এতিয়া টি, বি বেমাৰ হলে জিলাৰ সদৰলৈ পৰীক্ষা কৰিবলৈ আহিব নেলাগে। তাতেই পৰীক্ষা কৰিব পাৰে। স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত এনেকুৱা কিছুমান ব্যৱস্থা লোৱা হৈছে। আমাৰ আন এটা বিভাগ আছে সেইটো হৈছে গড়কাপ্তানী বিভাগ। সেই বিভাগৰ বিষয়ে মই কালিও কৈছো। অসম গণ পৰিষদ চৰকাৰৰ দিনত ৰাস্তা-ঘাটৰ অৱস্থা ইমান বেয়া আছিল যে মানুহে এঠাইৰ পৰা আন ঠাইলৈ যাব নোৱাৰা হৈছিল। মোৰ সমষ্টিত গাড়ী যাব পৰা এখনো ভাল দলং নাছিল। আমি নিজে দলং বনাই নিৰ্ব্বাচনী প্ৰচাৰ চলাইছিলো। এসময়ত সেই ৰাস্তা বিলাকেৰে মটৰ গাড়ী যাব পৰা অৱস্থাত নাছিল। কিন্তু এতিয়া সকলো ঠাইতে ৰাস্তা পকীকৰণ হৈছে। কংগ্ৰেছ বিধায়কৰ সমষ্টিত ৰাস্তা-ঘাটৰ কাম যেনেকৈ হৈছে ঠিক তেনেকৈ বিৰোধী দলৰ বিধায়কৰ সমষ্টিতো তেনেকুৱা ধৰণে ৰাস্তা-ঘাটৰ কাম হৈছে। সেই বিলাক তথ্য আপোনলোকৰ হাতত আছে। কিন্তু আপোনালোকৰ চৰকাৰৰ দিনত অসম গণ পৰিষদৰ বহুতো বিধায়কৰ সমষ্টিতেই কাম হোৱা নাছিল। মাত্ৰ কেইটামান বচা বচা সমষ্টিতহে ৰাস্তা-ঘাট পকীকৰণ কৰা হৈছিল। তেতিয়া কংগ্ৰেছ দলৰ বিধায়কৰ সমষ্টিত বিশেষ তেনেকুৱা কোনো কাম হোৱা নাছিল। আমাৰ চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিত যেনেকুৱা কাম হৈছে মোৰ সমষ্টিতো তেনেকুৱা কাম হৈছে আৰু মাননীয় সদস্য গুণিন হাজৰিকাৰ সমষ্টিতো তেনেকুৱা কাম হৈছে। আমি প্ৰত্যেকটা সমষ্টিৰ উন্নয়নৰ কাৰণে চকু দিব লাগিব। আগতে বিদ্যুৎ বিভাগত কোনো কাম হোৱা নাছিল। কিন্তু এতিয়া আমাৰ চৰকাৰৰ দিনত মোৰ সমষ্টিতেই ৩০ /৪০ খন মান গাওঁ নতুনকৈ ইলেকট্ৰিফাই কৰা হৈছে। আমাৰ চৰকাৰৰ দিনত ট্ৰেন্সফৰমাৰো বহুত দিয়া হৈছে। বিৰোধী পক্ষই যদিও উৎসাহেৰে কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছিল কিন্তু তেওঁলোকৰ বেটচ্‌মেন ইতিমধ্যে আউট হৈ গ'ল। গতিকে বাকী বিলাকো ধৰাশায়ী হৈ আহিছে। বেচি সময় নাই। গতিকে কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো। ❑❑

✯ **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা ক্লেৰিফিকেচন দিব বিচাৰিছো মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াৰ ফেনাইলৰ সম্পৰ্কত। আগতে আমি লিকুইড ফেনাইল দিছিলো। সেইটো ইনফেৰিয়ৰ কোৱালিটি আছিল। পিচত সিদ্ধান্ত ললো ছুপ্ৰিম কোৰ্টৰ ভাৰ্ডিক্ট মতে বেঙ্গল কেমিকেল ভাৰত চৰকাৰৰ অধীনষ্ঠৰ পৰা অনাৰ কাৰণে দাম সেইটোৱেই। An per direction of the Hon'ble Supreme court of India. দ্বিতীয়তে গোস্বামীয়ে কোৱা কথাষাৰ বৰ দৰকাৰী। টি গাৰ্ডেনত যেতিয়া ডায়েৰীয়া তেতিয়া দৰকাৰ হয়। সেই কাৰণে আনিবলগীয়া হৈছিল। কেতিয়াও বেচি দামত কিনা নাই। ঠিক দামতে কিনা হৈছে। অধ্যক্ষ মহোদয় মই আপোনাৰ স্পষ্টীকৰণ টো দিলো।

✯ **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই গঁগে চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাৱ আনিছে আৰু চৰকাৰী পক্ষৰ পৰাও যিখিনি উত্তৰ দিছে সেই সকলোখিনি মই মনোযোগৰে শুনিছো। গতিকে এতিয়া নিৰপেক্ষ ভাৱে কেইটামান কথা আপোনাৰ জৰিয়তে মই মাননীয় সদস্য সকলক চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষৰ উভয়তে সম্বোধন কৰি কৈছো। এই একাদশ বিধানসভা খনক মই ঐতিহাসিক বিধানসভা বুলি কৈছো। কাৰণ এই বিধান সভাতে বহুতো ক্ষেত্ৰত ঐক্য মত প্ৰকাশ কৰি অসমৰ নাৰ্য্য দাবী ভাৰত চৰকাৰৰ ওচৰত সজোৰে প্ৰতিপন্ন কৰিছো। ২০০২ চনৰ ৭ মাৰ্চ আৰু ২ এপ্ৰিলত ভাৰত চৰকাৰৰ বিত্ত আয়োগে আমাক টকা কমকৈ দিয়াৰ কথাও কৈছিলো। তেতিয়া কেন্দ্ৰত বি, জে, পি চৰকাৰ আছিল। আমি সকলোৱে এক মত হৈ কৈছিলো। কেন্দ্ৰীয় চৰকাৰক দাবী কৰিছিলো যে কলিকতাত থকা চাহ নীলামৰ মুখ্য কাৰ্য্যালয়টো গুৱাহাটীলৈ আনিব লাগে। গেছ ক্ৰেকাৰ প্ৰজেক্টো হব লাগে। কাছাৰলৈও আমি সকলোৱে গৈছিলো স্পট ষ্টাডি কৰাৰ কাৰণে। অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত কাৰ্বি আংলংঅলৈও সজাতি দল গৈছিল। ২০০৪ চনত দিল্লীলৈ আৰু ২০০৫ চনত নগালেণ্ডৰ বাউণ্ডাৰীৰ কাৰণে গৈছিলো আমি সকলোৱে মিলি। সেই কাৰণে কৈছো এই বিধানসভা ঐতিহাসিক। সকলোৱে দল মত নিৰ্ব্বিশেষে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰাৰ কাৰণে মত প্ৰকাশ কৰিছিলো। এক্স টি গাৰ্ডেনক এচ, চি কৰাৰ কাৰণে প্ৰস্তাৱ দিছিলো। আলফাৰ লগত আলোচনাৰ কাৰণে সৰ্ব্বদলীয় প্ৰস্তাৱ লোৱা হৈছিল। এই সমস্যাটো পিচফুল চলুচনৰ কাৰণে ১৫।১২।২০০৪ তাৰিখে প্ৰস্তাৱ লোৱা হৈছিল। ২০০৩ চনৰ মাৰ্চত এলোকেচন অৱ ফাণ্ডৰ কাৰণে প্ৰস্তাৱ লৈছিল। টাই, আহোম, কোচ আদিক এচ, চি কৰাৰ কাৰণেও প্ৰস্তাৱ লৈছিল। ইন্টাৰ ষ্টেট বোৰ্ডাৰৰ কাৰণে প্ৰস্তাৱ লৈছিল। সেনাবাহিনীয়ে বানাক্ৰান্ত লোকক সহায় কৰাৰ কাৰণে তেওঁলোকৰ প্ৰতি সন্তোষ প্ৰকাশ কৰিছিল এই

✱ Speech not corrected

বিধানসভাতেই। এই সকলোবিলাকৰ পৰা দেখা যায় এই পৱিত্ৰ বিধানসভাত আপোনাৰ নেতৃত্বত দল মত নিৰ্ব্বিশেষে অসমৰ ৰাইজৰ স্বাৰ্থৰ কাৰণে চৰকাৰ আৰু বিৰোধী পক্ষই এক মত হৈ কাম কৰিছে আৰু সেই কাৰণে এই বিধানসভা ঐতিহাসিক। বিৰোধী পক্ষই অনা অনাস্থা প্ৰস্তাৱটোত চৰকাৰী ফালৰ পৰা তিনিজন বক্তাই কৈছে। উত্তৰবিলাক অলপ এগ্ৰেচিভ হৈছে। উত্তৰ যদি এগ্ৰেচিভ হয় তেতিয়াহ'লে কাউণ্টাৰ প্ৰডাকচন হয়। অধ্যক্ষ মহোদয়, আমি বহুত বিধানসভা দেখিছো। ইয়াতো দেখিছো। শ্বিলংঅটো দেখিছো। প্ৰথমবাৰৰ বাবে অহা বিধায়কসকল অত্যুতসাহী হৈছে। They are actually marching towards maturity but yet to attain. সেইকাৰণে কথা বিলাক ব্যক্তিগত ভাৱে নলৈ মিহিকৈ কলেও ৰাজনীতি কৰা হয়। I would like to remind that an era of pollutation has started in Indian politics. গতিকে আজি যি ৰুলিং পাৰ্টিত আছে কোনে জানে কালি কি হয়। কংগ্ৰেছৰ মাজত যি ৰাজনীতি হৈছে, আজি চাহ জনগোষ্ঠী বিসম্বাদী হৈ দিল্লীলৈ গৈছে। সেইটো শুভ লক্ষণ নহয়। কাকো তোষামোদ কৰাটো ভাল নহয়। মই বয়সীয়াল লোক হিচাবে এই পৰামৰ্শ আগবঢ়াইছো।

অধ্যক্ষ মহোদয়, বৰ্তমানেও কৰ্ম্মচাৰীৰ খালী পদ ৪৫ হাজাৰ আছে। এই চৰকাৰৰ দিনতে কৰ্ম্মচাৰীৰ সংকোচন নীতি অব্যাহত আছে। চৰকাৰী বিভাগ সমূহতে বহু পদ খালী হৈ আছে, যাৰ ফলত বহুটো অসুবিধা হৈছে। সেই পদবোৰ পূৰণ কৰাত গুৰুত্ব নাই।

মাননীয় অধক্ষ্য মহোদয়, চৰকাৰী খালী পদ ৪৫ হেজাৰৰ পৰা ৫০ হেজাৰৰ ভিতৰত আছে। বেছিহে হ'ব। এই বিধানসভাত যিবিলাক আইন পাছ কৰা হ'ল মাননীয় অধ্যক্ষ মহোদয়, জাতি, বৰ্ণ, ধৰ্ম নিৰ্ব্বিশেষে কেতিয়াবা সংশোধনো হৈছে। এই আইন বিলাকত কেতিয়াও চকু দিয়া হোৱা নাই। পাৰ্লিয়ামেণ্টৰী চেক্ৰেটাৰী বিল, পাৱলিক হেল্‌থ বিল, কলেজ শিক্ষকৰ পেন্সন বিল পাছ কৰিলে। আপাৰ হাউচৰ বিলখনো পাছ কৰিব লাগে। আজি সকলোৰে এক লাইনতে আপাৰ হাউচ বিলখন পাছ কৰিব লাগে। আপাৰ হাউচবিলখন প্ৰাক্তন মুখ্য মন্ত্ৰী শইকীয়াদেৱৰ দিনতে উত্থাপন কৰা হৈছিল আজি এই প্ৰস্তাৱটো কাৰ্যকৰী কৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ মহোদয়, এই বিধানসভাত ভেঙুচালি হৈছে। ইয়াত উত্থাপন হোৱা প্ৰস্তাৱবোৰ আমি ৰাজ্যিক বিত্তমন্ত্ৰীৰ পৰা বিচাৰিছো নতুন ঘৰ নিৰ্ম্মাণৰ কাৰণে এটা প্ৰস্তাৱ উত্থাপন কৰা হৈছিল সেইটো পোৱা নাই। চাৰে চাৰি বছৰ হ'ল আমি আশা কৰিছিলো অসম ভৱনৰ চৌহদটো অন্তঃত আটক ধুনীয়া কৰি তুলিব সেয়া হৈ নুঠিল। ১৯৭৩ চনত অসমৰ ৰাজধানীখন শ্বিলংৰ পৰা নামি আহিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহকে ধৰি কেইবাজনো মুখ্যমন্ত্ৰী আহিল আৰু গ'ল ইয়াতে

মই দুখেৰে কব বিচাৰিছো অসম বিধান সভা ভৱনটো নতুন নহ'ল। ১৯৭৩ চনৰ পৰা ২০০৫ চনৰ ভিতৰত হব বুলি আশা কৰিছিলো। এসময়ৰ কলেজৰ ছাত্ৰ আছিল সেয়ে আমি নিষ্ঠাৰে আশা কৰিছিলো কিন্তু একো নহ'ল। আমি আশা কৰিছিলো ভাল মানুহ আহিলে ভাল। ১২৬ জন বিধায়কৰ ভিতৰত ১/৩ ভাগহে আহিব। কংগ্ৰেছৰ মাজত ভাগ হব। যুৱ কংগ্ৰেছ সকলৰ পৰা আহিব ৩০ ভাগ আৰু মহিলা সকলৰ পৰা আহিব ৩০ ভাগ। গতিকে কাট খাই যাব। ১২৬ খন আসনৰ পৰা আধা আসনৰ কাৰণেহে নিৰ্ব্বাচন হৈ আহিব পাৰিব। মোৰ কথা মই নাজানো। আমি দেশ ত্যাগী, দেশ সেৱক, দেশ প্ৰেমী আমি দেশৰ কাম কৰি দেশৰ সেৱা কৰি ভাল পাওঁ। কংগ্ৰেছ বহুত হৈছে কিন্তু গান্ধীবাদী কমি গৈছে।

মাননীয় অধ্যক্ষ মহোদয়, কৰ্ম্মচাৰী সকলৰ সংকোচন নীতি হৈছে। তিনিজন বিত্তমন্ত্ৰী সলনি হ'ল কৰ্ম্মচাৰী সংকোচনৰ ৰিপোৰ্ট পোৱা আশা নাই। সেয়েহে আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হস্তক্ষেপ বিচাৰিছো। তেখেতে আমাক আশ্বাস দিছিল। আপোনালৈও চিঠি আহিছে কেন্দ্ৰীয় মন্ত্ৰী বুটা সিঙে ২২ হেজাৰ কোটি টকা ধাৰে দিছে। এমেনিটিজ কমিটীৰ চেয়াৰমেনক চিঠি দিছে ২২ হেজাৰ কোটি টকা বাজেট বহিৰ্ভূত হৈছে। এনেকুৱা এখন আইন পাছ কৰিব লাগে দোষী বিষয়াসকলৰ যাতে তিনি বছৰ জেল হয়। কমিটীয়ে ধৰি দিয়া বিষয়া সকলৰ কিবা এটা হব লাগে। গগৈ ডাঙৰীয়া বৰ উদাৰ, বহল মনৰ আৰু মৰমীয়াল লোক। অসমত এটা জাতি সত্বা আছে। এতিয়া সৌভাগ্য বশতঃ অন্যান্য দেশবিলাকৰ লগত বুজাবুজিলৈ আহিছে। চীনৰ লগত, ম্যানমাৰৰ লগত চুক্তি হৈছে। বাংলাদেশৰ লগত হৈছে। মোৰ ভাই ভতিজা সকলক ধন্যবাদ জনাইছো। অসমখনত শান্তিৰ প্ৰতিষ্ঠা হওক।

**মাননীয় অধ্যক্ষ ঃ** ১২-৪৫ ৰ পৰা ৰিপ্লাই আছে।

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, মোৰ কথাবোৰে হয়তু কাকো আমনি দিয়া নাই। সৰ্ব্বশেষত মই সকলোৰে মঙ্গল কামনা কৰিছো। মই বয়সিয়াল মানুহ হিচাবে কৈছো, আপোনালোকে পুৰণা মানুহবিলাকক আক্ৰমণ কৰিব নালাগে। সকলো আশাবাদী দলক ধন্যবাদ দিছো। চৰকাৰৰ সংকোচন নীতি আৰু দুৰ্নীতি ৰোধ কৰিবলৈ চেষ্টা কৰিব লাগে। গ্ৰীণ হাউচত দোষী সাব্যস্ত কৰা ৮২ জন বিষয়াৰ ওপৰত ব্যৱস্থা ললে ভাল হয়। চৰকাৰৰ আইন বিভাগ আছে, গৃহ আৰু ৰাজনৈতিক বিভাগ আছে, হাইকোৰ্ট আছে তেখেতসকলে কৰো বুলি সকলো কৰিব পাৰে। লগতে চৰকাৰী উকীল আছে। দুৰ্নীতিত লিপ্ত হোৱা আই, এ, এচ বিষয়াই হওক বা এ, চি, এচ বিষয়াই হওক ১-২ জনমানক শাস্তি প্ৰদান কৰা নমুনা দেখুৱাই দিলে ভৱিষ্যতে সুন্দৰ ভাৱে দুৰ্নীতি ৰোধ হব।

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীগুনীন হাজৰিকা।

✯ শ্ৰীগুনীন হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো অনাস্থা প্ৰস্তাৱ উৎথাপন কৰা হৈছে, এই পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী মহোদয়ৰ ভাষণৰ জৰিয়তে ভালদৰে প্ৰকাশ পাইছে। গতিকে এইখিনিতে মই এটা সাধু কব বিছাৰিছো। ভগদত্ত বুলি এজন ৰজা আছিল। তেওঁ ৰাজ্য জয় কৰি ধন সোণ লৈ ৰাজ্যলৈ ঘুৰি আহোতে তেওঁৰ লগত প্ৰবীণ সেনাপতি ও আছিল। নাওখন পানীৰ তলত দুজন দৈত্যই ধৰি ৰখাত প্ৰবীণ সেনাপতিয়ে ক'লে যে নাওৰ ৰচি কেইডাল কাটি দিলে নাওখন গতি কৰিব। তেতিয়া ৰজাই মান্তি হ'ল আৰু প্ৰবীণ সেনাপতিয়ে ৰচি দুডাল কাটি দিলে দৈত্য এনেয়ে গুচি গ'ল কিন্তু সেই অস্ত্ৰৰে নাওখন ফুটা কৰি লাহে লাহে ৰজাৰ ধন সোণ বিলাক প্ৰবীন সেনাপতিয়ে নি সাং কৰিলে। শেষত গৈ ৰাজ্যৰ অৱস্থা নোহোৱা হ'ল। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে প্ৰবীন নেতা সকলক লৈ লৈছে গতিকে তেওঁৰো অৱস্থা তেনেকুৱাই হৈছে। ৰাইজৰ কথা কয় তেওঁলোক ৰাইজৰ পদুলি লৈ যোৱাই নাই। আজি যিখিনি কথা তেওঁ লোকে কৈছে। তেওঁলোকে বাতৰি কাকতত বিশ্বাস কৰো বুলি কৈছে কিন্তু ৰাজ্যখনৰ ৰাইজৰ যি অসহায় অৱস্থা হৈছে সেইটো স্বীকাৰ কৰি নললে। আপোনালোকে লাষ্টগেটত গৈ চাওক। সাধাৰণ মানুহৰ কিটো অৱস্থা হৈছে। ৰাজ্যখনৰ কি অৱস্থা হৈছে। আপোনালোকে শীততাপ নিয়ন্ত্ৰণৰ কোঠাতে থাকি একো গম নাপাব। আপোনালোকে সত্য স্বীকাৰ কৰিবলৈ টান পাইছে। অনাস্থাপ্ৰস্তাৱৰ উত্তৰত আপোনালোকে পূৰ্ব্বৰ কথা কৈ দুৰ্ব্বল কৰিব পাৰে সেই দিশত মই কব বিছাৰিছো চৰকাৰে বহুত কৰিছে বুলি আজি যিটো দাবী কৰিছে যিবিলাক কথালৈ চৰকাৰে ৰাইজৰ আস্থাভাজন হৈছিল সেই বিলাক কাম কৰিছে নে নাই? আজি ৪৫ হাজাৰ চাকৰি পদ খালি আছে আৰু তিনিমাহ পাচত ইলেকচন হব তেতিয়া কি হব? ইস্তাহাৰত যিবিলাক আছিল সেই বিলাক একোৱেই সম্পূৰ্ণ কৰিব পৰা নাই। সকলোৱে চৰকাৰক তীৰস্কাৰ কৰিছে। এডমিনিচট্ৰেটিভ ৰিৰ্ফম, ফিচকেল কমিচন হৈছে কিন্তু আধা। চৰকাৰে সম্পূৰ্ণকৈ ৰাইজৰ ওচৰ চাপিব পৰা কৈ কি কাম কৰিছে? আজি কম্পিউটাৰ দিছে ভাল কৰিছে। কিন্তু চাকৰি পাব জানো? এচ এচ, পি আই এই বিলাক কৰিব লাগিছিল। আজি ওৱেষ্ট বেংগলত ইনৰ্ফমেচন টেকনলজী কৰিছে। বেংগালোৰৰ পৰাও আহি আছে তাত। ইণ্ডাষ্ট্ৰী কৰিছে। আমাৰ ইয়াত ডিৰেক্টৰ কমিচনাৰ একে ঠাইতে নাৰাখে। বদলি কৰাত ব্যস্ত। আজি কম্পিউটাৰ দিয়াত ব্যস্ত কিন্তু লগতে ওৱেষ্ট বেংগলৰ নিচিনাকৈ কোনো টেকনলজীত গুৰুত্ব দিব পৰা নাই। ক ক ক তিনিটা ক কমিচন, কনিষ্টবল কল্পতৰু আৰু কৰাপচন এই তিনি টাই দুবালে ২০০৬ চনত আপোনালোক নাহে।

✱ Speech not corrected

★ **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** মই গুনীন হাজৰীকা ডাঙৰীয়াক অনাস্থা প্ৰস্তাৱত অংশ গ্ৰহণ কৰা কাৰণে ধন্যবাদ জনাইছো। তেখেতে আমাক এটা সুবিধা দিছে। তেখেতে জানে নিৰ্বাচন আহি আছে ৰাইজক জনাব ৰাইজে জানে। আজিলৈকে যিমান নিৰ্বাচন গ'ল ১৯৯৮ চনত এজি,পি ১৯৯৯ চনত ডিষ্ট্ৰিক কাউন্সিল পঞ্চায়তকে আৰম্ভ কৰি ২০০৪ চনলৈকে আপোনালোকে দেখিছে অসমৰ ৰাইজে আমাক আস্থা দিছে। ১৯৯৮ চনত আৰু ১৯৯৯ চনত কিমান জিকিল? আনহাতে প্ৰত্যেক চৰকাৰৰে ইস্তাহাৰ দিয়ে আৰু প্ৰমিজ কৰে। কিন্তু প্ৰত্যেকটোৱেই পূৰ্ণ নহয়। কিন্তু আমি বহুত কৰিছো। এইটো কথা দকৈ কব পাৰিম যে এ, জি, পি, পিতকৈ বহুগুণে বেছি কৰিছো। এ, জি,পিত মাধৱ দেৱ, শংকৰ দেৱৰ জন্ম হ'ব। কিন্তু আমি মানুহ আমি দেৱতা নহয়। অসমৰ মানুহে ভাৱিছিল ভাৰতবৰ্ষৰ কোনোৱে এইটো আশা কৰা নাছিল। আপোনালোকে ফাচি দিছিল তৰুণ গগৈক, ফাচি দিছিল নগাঁও যোৰহাটত ফাচি দিছিল বৰ্মনক কিন্তু তেখেতৰ বিৰা আছিল বাবে বাচি গ'ল। অসমৰ বুদ্ধিজীবি শিক্ষকসকল সকলোৱে আপোনালোকৰ প্ৰতি গুড উইল আছিল কিন্তু এতিয়া হেৰাইছে। প্ৰথমতে কলেজ ইউনিভাৰচিটিলৈ যোৱাৰ আমাৰ কথা নাছিল। কিন্তু এতিয়া বিশ্ববিদ্যালয়লৈ মোক মাতে, কটন কলেজলৈ মাতিছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি কালি আমি প্ৰায়বোৰ কলেজ ইউনিভাৰচিটিলৈ আমি যাব পৰা হৈছো। কিন্তু ১৯৮৪ চনত এনেকুৱা এটা সময় আছিল যে দৰং, বিশ্বনাথ, মঙলদৈ আদি ঠাইৰ কলেজ আদিলৈ যোৱাতো আমাৰ বাবে অতি টান আছিল। কিন্তু এতিয়া নতুন চাম ছাত্ৰ-ছাত্ৰীয়ে আমাক বিচাৰিছে। এতিয়া সকলোতে আমাক মাতে। আমিতো আন্দোলনৰ নেতা নাছিলো। এজিপিৰ নেতাসকল মই ভাবো অতি লাকী। কাৰণ তেওঁলোক ইউনিভাৰচিটিৰ পৰা বাহিৰে বাহিৰে আহি মুখ্যমন্ত্ৰী হৈছিল। এই ক্ষেত্ৰত মই বহুতো চেক্ৰিফাইজ কৰি আহি মুখ্যমন্ত্ৰী হৈছো। আমাৰ দলৰ বাবে মূখ্যমন্ত্ৰী প্ৰথম কথা নহয় সেইটো দ্বিতীয় কথাহে। এজিপি দলৰ বাবে কিন্তু মুখ্যমন্ত্ৰী হোৱাতোহে প্ৰথম কথা। আমাৰ বাবে ৰাজ্যখনৰ উন্নতিতোহে ডাঙৰ কথা। অসমবাসী ৰাইজক সেৱা কৰাটোহে আমাৰ বাবে প্ৰথম আৰু প্ৰধান কথা। এজিপিয়ে অসম বাসী ৰাইজৰ বহুতো আশীৰ্বাদলৈ বিশ্ববিদ্যালয় কলেজ, ৰাজ্যৰ কৰ্মচাৰী সকলোৱে সহায় সহযোগ লৈ চৰকাৰ গঠন কৰিছিল। কিন্তু সময়ত দেখা গল যে কৃতজ্ঞতা হিচাবে তেওঁলোকে এই মানুহখিনিৰ কাৰণে একোৱেই নকৰিলে। আমি কিন্তু সকলোকে সমান সুবিধা দিছো। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অভিযান্ত্ৰিক কলেজ সকলোকে ২৪-২৫ লাখকৈ টকা দিছো। ১০,১৫ কৈ আৰু দিম। তেওঁলোকে কোনেও আমাক খোজা নাই আমি দিছো কাৰণ আমি

❋ Speech not corrected

বিচাৰিছো অসমৰ উন্নতি হওঁক। অসমৰ ছাত্ৰ-ছাত্ৰীয়ে ভাৰতবৰ্ষৰ অন্য প্ৰদেশৰ লগতে আগবাঢ়ি যাওঁক। বৰা ডাঙৰীয়া বহি আছে। তেওঁ গম পাইছে যে আগতে কোনেও ইমান বেচিকৈ টকা দিয়া নাছিল। অসমৰ শিক্ষাৰ উন্নতিৰ কাৰণে আমি অতি গুৰুত্ব দিছো। শিক্ষাৰ ক্ষেত্ৰত অসমৰ উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীবিলাকক কম্পিউটাৰ দিছো। কিন্তু সেইক্ষেত্ৰত আমি ৰাজনীতি কৰিছো বুলি বিৰোধী পক্ষই কৈছে। আমি কৈছো আমি ৰাজনীতি কৰা নাই। কাৰণ সেই ছাত্ৰ-ছাত্ৰীসকলে আমাক ভোট দিব নোৱাৰে কাৰণ তেওঁলোকৰ বহুতৰেই ভোটৰ বয়স হোৱাই নাই। আমি আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভবিষ্যতৰ কথা চিন্তা কৰিছো। কিন্তু এজিপিয়ে ৰাজনীতিত আহি মুখ্যমন্ত্ৰী হৈ তেওঁলোকৰ প্ৰতিশ্ৰুতি সকলো বিলাক পাহৰি পেলাইছিল। কিন্তু আমি নেপাহৰো। বিশ্ববিদ্যালয়, কলেজ চৰকাৰী কৰ্ম্মচাৰী সকলোয়ে আপোনালোকক আন্তৰিকতাৰে সহায় সমৰ্থন দিছিল কিন্তু আপোনালোকে সকলো পাহৰি পেলালে। তেওঁলোকৰ কাৰণে একোয়েই নকৰিলে। আমি কিন্তু কৰিছো। আপোনালোকে চৰকাৰী কৰ্মচাৰীক দৰমহায়েই দিব পৰা নাছিল। আমি কিন্তু দৰমহাও সময় মতে দিছো। আৰু ৬০% লৈকে দিএ দিছো। মাননীয় সদস্য বিমলাংশু ৰয় ডাঙৰীয়া আপুনি খবৰ কৰক ভাৰতবৰ্ষৰ কোন কোন প্ৰদেশে ৬০% পাইছে। তেওঁলোকে জ্ঞানজ্যোতি আঁচনিৰ বিৰুদ্ধেও সমালোচনা কৰিছে। এই আচনিৰ যোগেদি আমাৰ লক্ষ্য হ'ল গাঁৱে -ভূএঁে ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই নিয়াতো। তেওঁলোকক কম্পিউটাৰ দিব বিচৰা হৈছে। যাতে তেওঁলোকেই এই সুবিধা পাওঁক। আমি মন্ত্ৰী -বিধায়কৰ ল'ৰা-ছোৱালীক কম্পিউটাৰ দিব বিচৰা নাই। আমি বিচাৰিছো কৃষকৰ সন্তান, চাহ বাগানৰ শ্ৰমিকৰ ল'ৰা-ছোৱালীয়েও কম্পিউটাৰ ব্যৱহাৰ কৰক। দিন হাজিৰা কৰা পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে দিন হাজিৰা কৰা লোকৰ ল'ৰা-ছোৱালীয়েও এই বিষয়ে জানক। তেওঁলোকে ইলেকট্ৰিচিটিৰ কথা কৈছে। হয়, মই ভাল পাইছো যে এজনী গাঁওৰ ছোৱালী তাই ক মই সুধিছিলো যে গাওঁত ইলেকট্ৰিচিটি নাই যদি তেওঁ পইচাকে লওঁক কম্পিউটাৰৰ বদলি। কিন্তু মই তেওঁৰ উত্তৰটো শুনি বৰ ভাল পাইছিলো যে তেওঁ কৈছিল পইচা নহয় গাওঁত ইলেকট্ৰিচিটি দিয়ক। মোৰ ভাল লাগিল। গাওঁৰ ছোৱালীৰো এনে কৈ কোৱাৰ সাহস হৈছে। আমাৰ নিৰ্গেটিভ মনোভাব নাই। কালি বিধানসভাত মাননীয় সদস্য দিলীপ শইকীয়া দেৱে বন্ধ কালচাৰৰ বিৰুদ্ধে কৈছে। এইটো আমি ভাল পাইছো। মই বন্ধৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছো। ইউথ কংগ্ৰেছে বন্ধ দিবলৈ ওলোৱাতো মই প্ৰতিবাদ কৰিছিলো আমি অসমক আগুৱাই নিব বিচাৰো। বন্ধৰ ফলত অসম বহুতো পিচুৱাই গৈছে।। গতিকে মই বন্ধ কালচাৰৰ অকনো সমৰ্থন নকৰো। কিন্তু এই বন্ধ কালচাৰটো এজিপিয়েই আৰম্ভ কৰিছিল। কেলেংকাৰিৰো

তেওঁলোকেই সৃষ্টি কৰিছিল। যেনে আলু, পিয়াজ, ভেটেনেৰি আদি কেলেংকাৰিৰ। যদিও মই স্বীকাৰ কৰো তাৰ নিৰ্মূল এতিয়াও সম্পূৰ্ণ হোৱা নাই। এজিপিৰ বৰ্ত্তমানৰ নেতা সকলেই এটা সময়ত বিদেশী খেদা অসম আন্দোলন কৰিছিল। সেই সময়ত তেতিয়াৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধী আহিছিল আন্দোলনৰ নেতা সকলৰ লগত আলোচনা কৰি ইয়াৰ পৰিসমাপ্তি ঘটোৱাৰ বাবে। শংকৰ দয়াল শৰ্ম্মা আহিছিল কথা পাতিবৰ বাবে। যাতে আলোচনাৰ মাধ্যমত আন্দোলনটোৰ পৰিসমাপ্তি ঘটে। অসমৰ সমস্যা সমাধানৰ কাৰণে তেওঁলোক আগবাঢ়ি আহিছিল। অসমৰ অৰ্থনীতিৰ উন্নতিৰ বাবে তেওঁলোকে চিন্তা কৰিছিল। প্ৰয়াত ইন্দিৰা গান্ধীয়ে ৭১ চনৰ সময়সীমা মতে আলোচনা মাধ্যমত সমস্যাটোৰ সমাধান বিচাৰিছিল। আন্দোলনকাৰী মান্তি নহ'ল। পিচত ৰাজ্যপালে ৬৭ চনতো দিছিল। কিন্তু তাতো তেওঁলোক মান্তি নহ'ল। কিন্তু ৮৫ চনত একেই ৭১ চনতো তেওঁলোকে মানি ললে। ফলত আই এম ডিটিয়ো থাকিল। ইয়াৰ বাবে এজিপি কিমান দায়ী সেইটো অসমৰ ৰাইজে নিজেই গম পাইছে। তেওঁলোকৰ দিনত আন্দোলনৰ নামত কিমান মানুহ মৰিলে ৮০০,৯০০ তেজপুৰ, নগাওঁ আদি সকলোতে। আমাৰ দলৰ মানুহতো কিমান মৰিছিল তাৰ হিচাবেই নাই। তেতিয়াই প্ৰয়াত ইন্দিৰা গান্ধীৰ প্ৰস্তাৱ মানি লোৱা হেতেন এইবিলাক নহলহেতেন। আন্দোলনৰ নামত ল'ৰা-ছোৱালী বিলাকৰ শিক্ষা বছৰৰ অ পূৰণীয় ক্ষতি হৈছিল। আপোনালোকে আমাৰ অসমৰ ল'ৰা-ছোৱালীবিলাক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত বাধা দিছিলে। ল'ৰা-ছোৱালীবিলাকক আপোনালোকে উপদেশ দিছিলে যে নপঢ়িবা, স্কুললৈ নাযাব। এনেকুৱা কথা ভাৰতৰ বুৰঞ্জী নালাগে পৃথিৱীৰ বুৰঞ্জীতো ক'তো পাবলৈ নাই।

☆ **শ্ৰীপ্ৰেমধৰ বৰা ঃ** আমাৰ ভৰত নৰহো তেতিয়া তেওঁলোকৰ লগত আছিল।

☆ **শ্ৰীতৰুণগগৈ (মুখ্যমন্ত্ৰী) ঃ** তেওঁলোকক বুজি পাই আমাৰ ফালে গুচি আহিছে। বাকী সকলে বুজি নাপালে। ইয়াৰ বাবে লোকচান কাৰ হ'ল। টাউনৰ ল'ৰা-ছোৱালীবিলাক বাৰু বাহিৰলৈ গৈ শিক্ষাগ্ৰহন কৰিলে। আমাৰ গাৱৰ ল'ৰা-ছোৱালী বিলাকৰ কি হ'ল। তেওঁলোকৰ শিক্ষা-দীক্ষা একো নহ'ল। চাওঁকচোন তেওঁলোকক কিমান অন্যায় কৰা হ'ল। ধনী মানুহৰ ল'ৰা-ছোৱালী বিলাকে অসমৰ বাহিৰত গৈ বিভিন্ন শিক্ষা গ্ৰহণ কৰিলে, কিন্তু দুখীয়া ল'ৰা-ছোৱালীবিলাকৰ দায়িত্ব কোনে ল'ব। এতিয়া আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিছো। আমাৰ শিক্ষক সকলে আগতে কি দৰ্ম্মহা পাইছিল। আমি তেওঁলোকৰ দৰ্মহা আদি বঢ়াবৰ বাবে চেষ্টা কৰিছো। এতিয়া আমি কলেজ শিক্ষক সকলক পেঞ্চন দিয়াৰ কাৰণে সিদ্ধান্ত লৈছো। মইও এসময়ত শিক্ষক আছিলো, আমাৰ লগৰ শিক্ষক সকলক, আমাক পঢ়োৱা শিক্ষক সকলক সোৱৰণ

☆ Speech not corrected

কৰি আমি তেওঁলোকক অলপ বিত্তীয় সকাহ দিবলৈ চেষ্টা কৰিছো। আমি ৰেস্পেকতিভ এফেক্ট দিবলৈ চিন্তা কৰিছো। তেওঁলোকে কিবা দিলে প্ৰেজেণ্টডেটৰ পৰাহে দিয়ে। ইয়াৰ উপৰিও, শিক্ষাবিভাগটোৰ ওপৰত গুৰুত্ব দি কিছুমান আঁচনি গ্ৰহণ কৰিছো। অসমলৈ বিভিন্ন বিষয়ৰ শিক্ষানুষ্ঠান, এন, আই, ডি, চি, আৰ্কিটেক্সাৰেল, মেনেজমেণ্ট আদি স্থাপন কৰিবলৈ চিন্তা কৰিছো। আমি আৰু তিনিখন মেডিকেল কলেজ কৰাৰ বাবে চিন্তা কৰিছো, আমি সদায় আগবাঢ়ি যোৱাৰ কথা চিন্তা কৰিছো। ভৱিষ্যতৰ কথা চিন্তা কৰি কাম কৰিব লাগিব। আজি দক্ষিণ ভাৰত সকলো ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। তাত বিভিন্ন বিষয়ৰ কাৰিকৰী অনুষ্ঠান বিলাক গঢ়ি উঠাৰ বাবেই এইটো সম্ভব হৈছে। কিন্তু আমাৰ অসম, অকল অসমেই নহয় গোটেই উত্তৰ ভাৰত দক্ষিণ ভাৰততকৈ সকলো দিশতে পিচপৰি আছে। সেইকাৰণে আমি শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো। আপোনালোকে হাঁহে বিকশিত অসম বুলি, হাঁহক, কিন্তু আমি ভৱিষ্যতৰ কথা চিন্তা কৰি শিক্ষা ব্যৱস্থাক আৰু আগুৱাই নিয়াৰ বাবে চেষ্টা কৰিছো। আমি কৃষ্ণকান্ত সন্দিকৈৰ নামত বিশ্ববিদ্যালয় পাতিবলৈ চিন্তা কৰিছো। অসমৰ ল'ৰা বাহিৰলৈ পঢ়িবলৈ যায়। ইয়াত সুবিধা থাকিলে কিয় বাহিৰত পঢ়িবলৈ যাব। সেয়ে আমি আৰু তিনিখন মেডিকেল কলেজ কৰাৰ বাবে চিন্তা কৰিছো। আমেৰিকাত নাৰ্চৰ প্ৰেকটিছ দিছে। আমৰ ইয়াত হাফ ডাক্টৰ দিছে বুলি হাঁহিছিল। একেবাৰে নোহোৱাতকৈ হাফ ডাক্টৰেই ভাল। আমি মেডিকেল কলেজত এক কোটি কৈ টকা দিছো, এম,আৰ,আই আদি অত্যাধুনিক যন্ত্ৰ পাতি ক্ৰয়ৰ বাবে। এতিয়া আমাৰ চিকিৎসালয়তে ডাঙৰ ডাঙৰ অপাৰেচন চলাব পৰা হৈছে। আমি শিক্ষা বিভাগত যথেষ্ট গুৰুত্ব দিছো আমাৰ বৃন্দাবন গোস্বামীয়ে, শিক্ষা বিভাগটোক মাছৰ বজাৰ বুলি কৈছে, তেখেত এজন প্ৰাক্তন শিক্ষামন্ত্ৰী হিচাপে এনে মন্তব্য কৰিলে ভাল নেদেখি। আমি অসমত 'মডেল স্কুল' কৰাৰ ব্যৱস্থা কৰিছো। আমাৰ বৰ্ত্তমান এডুকেচন কোৱালিটি বেয়া হোৱা বাবে চৰকাৰী বিদ্যালয় বিলাকত ল'ৰা-ছোৱালী নাইকিয়া হৈছে। মই টিভি, নিউজত দেখা পাইছিলো যে নলবাৰীৰ কোনোবা এখন স্কুলত শিক্ষক ৮ জন ল'ৰা-ছোৱালী ৫ জন। সেই কাৰণে আমি নবোদয় শিক্ষাৰ কথা আনিছিলো। আপোনালোকে কৈছিলে নবোদয় নালাগে। স্কুলবিলাকত মিডিয়ামৰ কথা আপোনালোকে কৈছিল, যে অসমত অসমীয়া মিডিয়াম কম্পালচৰী হ'ব লাগে। আপোনালোকে অসমীয়া মিডিয়াম কম্পালচৰী হব লাগে বুলি চাঁকোলাৰ দিছিল। আপুনি শিক্ষামন্ত্ৰী থাকোতেই এনে চাঁকোলাৰ দিছিল। আমি কৈছিলো অসমৰ সকলো জনগোষ্ঠী বিলাকে এক্সেপ্ত কৰিলে আমাৰ আপত্তি নাই। কিন্তু অসমীয়া বাধ্যতামূলক কৰা বাবে জনগোষ্ঠী বিলাক বিছিন্ন হৈ যাব ধৰিছে। আমি শিক্ষা বিভাগত গুৰুত্ব

দিছো কাৰণে শিক্ষা বিভাগত যথেষ্ট টকা দিছো। একাদশ ফাইনেঞ্চ কমিচনৰ পৰা আমি ২৪০ হাজাৰ কোটি টকা পাইছো। আমি দ্বাদশ ফাইনেঞ্চ কমিচনৰ পৰা আৰু অধিক টকা পোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো।

মই অসমৰ স্বাৰ্থৰ কাৰণে তিনি- চাৰি বাৰ চেয়াৰমেনৰ ওচৰলৈ যাব লগা হৈছিল, কাৰণ বহুত কথা বুজি নেপায়। তাৰ কাৰণে ময়ো সুবিধা লৈছোঁ। আজি এইবিলাক মই কিয় কব লগা হৈছে অসমৰ ভৱিষ্যত আছে, আমৰ ভৱিষ্যত আছে। এচিয়ান গেমচৰ কাৰণে ৰাচীক দিছে ৫ বছৰ আৰু মোক দিছে তিনি বছৰ। তেওঁলোকে ২০০২ চনত সিদ্ধান্ত লৈছে, মোক দিছে ২০০৫ চন, গোৱাৰ ২০০৯ চন। আজিলৈকে মই নাজানো আমাতকৈ ভাল আৰ্থিক উন্নতিশীল দেশে সময়মতে কাম কৰিব পাৰিছে বুলি। মহাৰাষ্ট্ৰ, কৰ্ণাতক, অন্ধ্ৰপ্ৰদেশ, মণিপুৰৰ কথা নধৰোৱেই। আজি কৰ্ণাতকৰ নিচিনা ৰাজ্যয়ো। আমাৰ ৰবিন বৰদলৈ আৰু এখেত সকলেও কৈছে ইমান টকা আনি দিম। আনকি ৰাজ্যপালেও কয় ইমান টকা আনি দিম। এই ক্ষেত্ৰত মই মৰসাহ এটা লৈছিলো।

শিক্ষা চাৰি বেৰৰ ভিতৰত নহয় আজি আমি এন চি চি ৰ ওপৰত জোৰ দিছো, এই বিষয়ত ৪ কোটি টকা দিছো মানৱ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে এন চি চিৰ দৰকাৰ। ইয়াৰোপৰি ফ্লায়িং ক্লাবো আমি দিছো। অসমৰ ছোৱালীয়ে যেতিয়া মেডেল পাই তেতিয়া আমি গৌৰৱ অনুভৱ কৰো। আগতে সেই সুবিধাবিলাক নাছিল। এচিয়ান গেমচ বুলিলে এজিপিয়ে ভয় কৰে কিয় কব নোৱাৰো। অসমলৈ টুৰিষ্ট আহি অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য দেখি ঘুৰি ঘুৰি চাই প্ৰসংশা কৰে। অসমলৈ অহা টুৰিষ্ট সংখ্যা বাঢ়িছে। আগতে ১০ লাখ আছিল এতিয়া ২৩ লাখ হৈছে। ষ্টীল ওৱৰ্থ আমি কিয় বিচাৰিছো? সদনত বিমলাংশু ৰয় আছে শিলচৰত আমি কিয় নিদিম শিলচৰ যেতিয়া বাদ পৰিছিল তেতিয়া আপোনালোকে কিয় নেমাতিলে? এজিপি বিজেপি তেতিয়া কলৈ গৈছিল আপোনালোকক নেলাগে নেকি? নগালেণ্ডত চিজ ফায়াৰ হ'ল, আমাৰ ইয়াত হোৱা হ'লে আমি ইয়াত থাকিব পাৰিলোহেতেন নে? এইটো কোনে বন্ধ কৰিলে?

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** আমাৰো বিজলুচন আছিল।

* **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** আছিল হয়, কামটো কোনে কৰিলে? আনকি এইটো কথাও মই কবলৈ বিচাৰিছো যে Ceasefire extension with Naga we have agreed. Our attitude towards solving ULFA issue is positive, Law & order situation is now much improved. মই প্ৰথম গৈছিলো। তাৰ পিচত মণিপুৰ গৈছিলো মই এইটো একচেপ্ত নকৰো আজি যদি আপোনালোকে চাই আলফাৰ

* Speech not corrected

লগত এটা পজিটিভ আলোচনা চলি আছে, তাৰ কাৰণে এটা শান্তিৰ বাতাবৰণ সৃষ্টি কৰিছো। দেশখনত যদি অশান্তিয়েই চলি আছে তেন্তে টুৰিষ্টৰ সংখ্যা কিয় বাঢ়িছে? টেক্স কেনেকৈ বাঢ়িছে? আইন শৃংখলা ভাল নহয় তেন্তে ৰাজ্যখনৰ উন্নয়ণ কেনেকৈ হলহেতেন? কথা কোৱা হৈছে। মই আপোনালোকক সুধিব খুজিছো পৃথিৱীৰ কোনখন ৰাজ্যৰ ধাৰ নাই? ভাৰত চৰকাৰৰ কোনে ধাৰ লোৱা নাই? মনমোহন সিঙেই ধাৰ লোৱা নাই নে বাজপেয়ীয়ে লোৱা নাই? আমেৰিকা, ফ্ৰান্স আদি দেশেও ধাৰ লয়। পৃথিৱীৰ কোনখন ৰাজ্যত ধাৰ লোৱা নাই কওক।

অধ্যক্ষ ডাঙৰীয়া, ভাৰত চৰকাৰৰ বাজপেয়ী কিমান লোন লৈছিল, মনমোহন সিঙে লোন লৈছে, আমেৰিকাই লৈছে, পৃথিৱীৰ বহুত দেশেই লোন লয়। ইণ্ডিয়া চাইনিং, অসম চাইনিং কিয় নহয়। কেনেকৈ হব, অসমৰ কোনো সমস্যা নাই, নিবনুৱা সমস্যা সমাধান হ'ল। আপোনালোকৰ মতে পাবলগীয়াখিনি পাই গ'ল, জয় জয় ময় ময় হৈ গৈছে। ল এণ্ড অৰ্ডাৰ হৈছে। লেণ্ডৰ প্ৰাইচে বাঢ়িছে, অসমৰ কোন কোন ঠাইত বঢ়া নাই। এটা সময়ত গুৱাহাটীত মাটি বিক্ৰী কৰিবলৈ তত্ নাই। মোৰ ওচৰলৈ আহিছিল। পিচত দেখা গল মাটি বিক্ৰী কৰি কি লাভ। বলোৰাম জাখাৰে লাগিছিল। পইচা নাই, মাটিৰ দাম বাঢ়িছে। গুৱাহাটীত দিনে নিশাই বিহু হৈছিল, উষা কোৰ্টৰ দাতিত মষ্ট বিহু হৈ গৈছে। ডাঙৰ বিহু হৈছিল। ৰেষ্টুৰেণ্ট কিমান হৈছে, আপোনালোকে খবৰ লোৱা নাই বা নাজানে। মই খবৰ ৰাখো। ল এণ্ড অৰ্ডাৰৰ ক্ষেত্ৰত দেখা গৈছে আজি ১১ টা ১২ টালৈ ৰাতি ঘুৰি ফুৰিব পৰা হৈছে। Now people feel more safe in Guwahati than in Delhi. অসমৰ বাহিৰৰ বেংকে এ,জি,পি, ক কিয় টকা দিয়া নাছিল, ইনচিকিঅৰ চাব লাগে। আপোনালোকৰ দিনত কিয় দিয়া নাই। বেনিফিট কি হৈছিল। কাক লোন দিয়ে, এইটো এটা ভৱিষ্যতৰ কথা আছে। ওৱেষ্ট বেংগলে আৰম্ভ কৰিছে, চিকিউৰিটি নাই। লোন বিচাৰিব, আমাৰ চৰকাৰৰ ক্ৰেডিট বাঢ়ি গৈছে। বৰোইঙ দিয়ে। নিকিনে। আমি চেয়াৰ দিওঁ। আমি আঠশ কোটি মান টকাৰ লোন ৰিপেমেণ্ট কৰিছো। এ, ডি, বি, হওঁক, ওৰ্ৱল্ড বেংকে হওঁক কেবাটাও স্কীম আছে। আমি কৰিছো আপোনালোকে আমাক কি অৱস্থাত এৰি থৈ গৈছে। আৰু আমি আপোনালোকক কি অৱস্থাত এৰি যাম। প্লেনৰ পইচা আছিল ১৫ শ ২০ কোটি টকা। তাৰ শতকৰা ৫০ ভাগ গৈছিল চেলাৰীত, ডেভলপমেণ্টত সাতশ কোটি টকা, ২৭ শ কোটি টকা খৰচ হৈছিল। আগতে হৈছিল সাতশ কোটি টকা। নন্ প্লেনত থাকিছিল। শতকৰা ৫২ ভাগৰ পৰা শতকৰা ৭ ভাগ হৈছে, ০ পাৰচেণ্ট্ৰলৈ কৰিবলৈ চিন্তা কৰা হৈছে। আমাৰ দিনত ডেভলাপ কেনেকৈ বাঢ়িছে, মোক প্লিজ কৰিছে। টকা পইচা পালে দিব নোৱাৰাৰ কাৰণ কি? Why you could not pay the salary? আপোনালোকে কিয় দিব নোৱাৰিলে? ষ্টেট চেয়াৰ In our time we are able to give central share but in your time you

couldnot. মই আজি কিমান কোটি দিছো। পাঁচ কোটি টকা ফ্রিডম ফাইটাৰক দিছো। গাওঁবুঢ়াৰ দৰমহা বঢ়াই দিছো, হোমগার্ডক বঢ়াই দিছো, ইকোন'মিক ডেভালপমেণ্ট নহ'লে এইখিনি কৰিব নোৱাৰিলোহেতেন। My economic management is far better than you. তেওঁলোকে দিব খোজা নাছিল। আজি চেক্রেটেৰিয়েট বিল্ডিং হৈছে, এইটো নকয়। আগতে কৈছিল ৰাস্তাঘাট বেয়া, কিন্তু আজি মানুহে কয় ভাল হৈছে। আমেৰিকাৰ পৰা আহিলেও গুৱাহাটী ভাল হোৱা বুলি কয়। অসমৰ ৰাস্তাঘাট বহুত কৰিবলগীয়া আছে। আমি World bank ৰ লগত কথা পাতি আছো। আমাৰ মূল ৰাস্তা কেইটা কৰিলে নহব। বাকী বিলাকো কৰিব লাগিব। মার্কেট, কোল্ড ষ্টোৰেজ হৈছে। দহ কোটি টকা মাইনৰিটিক টিউৰেলৰ কাৰণে দিয়া হৈছে। আজি অসমৰ মহিলাই ট্রেক্টৰ চলাব পাৰে। মহিলাই অকল যে ট্রেক্টৰ চলাইছে সেইটো নহয়, গিৰিয়েকক ৰিক্সা কিনি দিছে। অসমৰ মহিলাই পাইলটো হ'ব পাৰে। মই এইবিলাক কথা বাহিৰত কওঁ। আমাৰ ইয়াত মহিলা এচ, পি, ডি, চি আছে। তেওঁলোকৰ কাৰণে শতকৰা ৩০ ভাগ দিয়া হৈছে। তেওঁলোকৰ কাৰণে মেটাৰনিটি লিভ বঢ়াই দিয়া হৈছে। তেখেত সকলৰ দিনত মহিলাইহে বেছি সহায় কৰিছিল। মহিলাই তেখেত সকলক জগাইছিল, তেখেত সকল আনগ্রেটফুল। মহন্তক এৰি দিছে, বিপদৰ সময়ত কোনো নাহে। প'লিটিক্চত বিপদত সহায় নকৰে। ভেটেন্যাৰী স্কীম হ'ল, তাত এজনেও মাত মতা নাছিল। বৃন্দাবন গোস্বামী ডাঙৰীয়াইয়ো মাত মতা নাছিল, কিন্তু আজি ভীমৰ দৰে দপ্ দপাই থাকে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সময় হৈ গৈছে, আৰু অলপ সময় বঢ়াই দিছো।

☆ **শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ল' এণ্ড অর্ডাৰ, ইকনমিক প্রব্লেম আদি সকলোবোৰৰ মূল কাৰণ হৈছে আন এমপ্লইমেণ্ট। আজি আমি নিবনুৱা সকলক সংস্থান দিবৰ কাৰণে চেষ্টা কৰিছো। কিছুমান চাকৰি দিছো। এম, ও, ইউ থকাৰ কাৰণে কিছুমান দিব পৰা নাই। কিন্তু আমি চেল্ফ হেল্প গ্রুপ খুলিছো। তেওঁলোকৰ দ্বাৰা সংস্থান দিছো। কল্পতৰু, কর্মজ্যোতি আদি আঁচনিৰ দ্বাৰা নিবনুৱা সকলক সহায় কৰিছো। বৃন্দাবন গোস্বামীয়ে মোক ভূত বুলি কৈছে। তেখেতে আমাক ব্রহ্মপুত্রত পেলাই দিব খোজে। তেখেত সকলেই বিদেশী নাগৰিকৰ সমস্যাৰ জন্ম দিছে। এন, আৰ, চিৰ যিটো মেইন ইছ্যু কেনেকৈ সমাধান হ'ব। ১৯৭১ চনৰ পিচৰ বিদেশীক চিনাক্ত কৰণ কৰিব লাগে বুলি কৈছিল। এইটোত আপোনালোকে প্রথমে এগ্রি হৈছিল পিচত নহ'ল। মহন্তই থাকে, নাথাকে বুলি কয়। আজি আমি কি কৈছো এন, আৰ, চি আপগ্রেড কৰা নাই। নহ'লে সেইখন থাকিব। হয়, আমিও বিচাৰো অসমৰ বিদেশী সমস্যাটো সমাধান হোৱাটো। আপোনালোকে ত্রিপাক্ষিক আলোচনা কৰা নাই কিন্তু আমি কৰিছো। ডিব্রুগড়ত বিদেশী আছে বুলি কৈছিল। তাত ইণ্ডিয়ান নাগৰিককে বিদেশী সজাইছিল। তাত এজনো বিদেশী নাই। অনুসন্ধান কৰি এজনো নাপালে।

☆ Speech not corrected

আপোনালোকৰ সময়ত অসমৰ বানপানীৰ কাৰণে টকা আনিব পৰা নাছিল কিন্তু আমি আনিছো। মনমোহন সিঙে এইটো প্ৰায়ৰিটি দিছে। ২-৩ বাৰ আলোচনা কৰিছে। অসমৰ বানপানীৰ সময়ত বি, জে, পিৰ নেতাসকল ক'ত আছিল। তেওঁলোকৰ এজনো নেতা বিপদৰ সময়ত নাছিল। কিন্তু এতিয়া সবেঁই আহে। আজি মাইন'ৰিটি কাউনচিল কৰিছো। চৰ অঞ্চলৰ উন্নয়নৰ বাবে টকা দিছো। হজ যাত্ৰীসকল এতিয়া ইয়াৰ পৰাই যাব পৰা হৈছে। এমবেংকমেণ্ট, পথ নিমাৰ্নৰ কাম আৰম্ভ কৰা হৈছে। ১৫ শ কোটি টকা এই স্কিমত ধৰা হৈছিল। ধেমাজি, লক্ষীমপুৰ,কোকৰাঝাৰ আদি জিলা আছে ইয়াৰ ভিতৰত।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, খৰচ কৰা নাই। সেইটো জমা কৰি থৈছে। সেইটো মই তথ্য সহকাৰে দিম।

★ **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিটো সঁচা মই সঁচা বুলিয়ে কম। আপোনালোকে অসত্য কথা কয়। ধেমাজীৰ কথাটো হয়, মই স্বীকাৰ কৰিছো জানুৱাৰীৰ ভিতৰতে কাম হব। কিছুমান ঠাইত কাম ভাল হৈছে। এন, চি হিলচৰ ভাল হৈছে। মই নিজে ৰিভিউ কৰিছো। কাৰ্বিআঙলঙত ল' এণ্ড অৰ্ডাৰৰ কথা কৈছে। আপোনালোকে জানে তাত মানুহ মৰি আছে। এইবিলাক দুৰ্ভাগ্যজনক ঘটনা। এবিলাক ঘটনা বন্ধ কৰিবলৈ আমি যত্ন কৰিব লাগিব। কেনেকৈ বন্ধ কৰিব পৰা যায় তাৰ আলোচনা কৰি আছো। ল' এণ্ড অৰ্ডাৰৰ কথা কোৱা হৈছে। হিচাপ দেখুৱালে গম পোৱা যাব। আপোনালোকৰ দিনতকৈ আমাৰ দিনত বহু কম সংখ্যক চিভিলিয়ানৰ মৃত্যু হৈছে। কিডনেপ কেছ আপোনালোকৰ দিনত ৩৬০ টা আৰু আমাৰ দিনত ২৫০ টালৈ কমিছে। মাৰ্ডাৰ কেছো তেনে ধৰণে কমি আহিছে। অৱস্থাৰ আজি উন্নতি হৈছে। নলবাৰীত ৰাস কেতিয়া হৈছে। আমাৰ দিনত তাত গোটেই নিশা ধৰি চলিছে। মানুহে কেতিয়া ফূৰ্তি কৰে। যেতিয়া তেওঁলোকৰ মনৰ পৰা ভয় ভাব আতৰি যায়। মুক্ত মনে ঘুৰিব পাৰে। গুপ্ত হত্যা আজি বন্ধ হৈছে। মুঠতে সকলোতে শান্তিৰ পৰিবেশ এটা আহিছে। মোৰ কবলগীয়া বহুতো আছিল। সময়ৰ অভাৱৰ বাবে কব পৰা নাই। আপোনালোকে অসমখন ধ্বংসৰ মুখলৈ থেলি দিছিল। আমি এতিয়া তাক উদ্ধাৰ কৰিছো। তিনি মাহৰ পিচত নিৰ্ব্বাচন আহি আছে। ইয়াৰ উত্তৰ ৰাইজে দিব।

**Mr. Speaker :** Now, I request Shri Brindaban Goswami to withdraw the motion.

★ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মানননীয় অধ্যক্ষ মহোদয়, আমি যিটো অনাস্থা প্ৰস্তাৱ আনিছিলো সেই প্ৰস্তাৱৰ ওপৰত মুখ্যমন্ত্ৰী মহোদয়ে যি উত্তৰ দিলে সেই উত্তৰত সকলো বিলাক কথা প্ৰতিফলিত হোৱা নাই, আমি বিচৰা কথা বিলাকৰ সম্পূৰ্ণ উত্তৰ দিবলৈ সক্ষম হোৱা নাই। আমি দুৰ্নীতিৰ কথা কৈছিলো মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰত ক'লে যে গণ পৰিষদ চৰকাৰৰ দিনতহে দুৰ্নীতি কেলেংকাৰী বেছি হৈছিল। এইখিনিতে মই এটা

---

✻ Speech not corrected

কথা কব বিচাৰিছো কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰতিৰক্ষা বিভাগত যিটো বফৰছ কেলেংকাৰী হৈছিল য'ত ৰাজীৱ গান্ধী জড়িত হৈছিল.....(বিৰাট হুলস্থূল একো শুনা নাযায়)

**মাননীয় অধ্যক্ষ ঃ** তেখেতক মোভাৰ হিচাবে কব দিব লাগিব।

(ভইচ - মৰা মানুহৰ কথা নোকোৱাই ভাল)

**☆ শ্ৰীবৃন্দাবন গোস্বামী ঃ** মৰি যোৱা মানুহৰ নাম উল্লেখ নকৰিলেও ইতিহাসে কব। আমাৰ দিনতে ৪৫ হাজাৰ ল'ৰা -ছোৱালীক বিনামূলীয়াকৈ কিতাপ দিয়াৰ ব্যৱস্থা কৰা হৈছিল, সেই ব্যৱস্থা ১৯৯৫ চনলৈ চলিছিল তাৰ পিছত প্ৰেছত টকা দিব নোৱৰা কাৰণে সেইটো বন্ধ হৈ গ'ল। অধ্যক্ষ মহোদয়, দুৰ্নীতিৰ কথা মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰক বা নকৰক আজিও শিৱসাগৰ জিলাত আনোৱাৰ হুছেইন নামৰ এজন দুৰ্নীতি পৰায়ণ বিষয়াৰ শাস্তিৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই সত্যাগ্ৰহ ধৰ্ণা দি আছে।...... (ভইচ- - চাৰ তেখেতে বক্তৃতা দিয়ে যদি আমাকো ক'ব দিব লাগিব) (হাহাকাৰ একো শুনা নাযায়) মোক ক'ব নিদিলে উপায় নাই। অধ্যক্ষ ডাঙৰীয়া চুৰেটাৰ যোগানত দুৰ্নীতি হোৱা বুলি তেখেতসকলৰ দলৰ পৰা বিধায়ক শ্ৰীপ্ৰানেশ্বৰ বসুমতাৰীয়ে হাইকোৰ্ট কেচ কৰিছিল, এই সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে একা নক'লে। বিশ্ববিদ্যালয়ক টকা দিব নোৱাৰা বুলি কৈছে আমাৰ দিনত বিশ্বদ্যিালয়ক আমি টকা দিছো ১৯৯০ চনতো ৪ কোটি দিয়া হৈছে। দৰং কলেজৰ কথা উল্লেখ কৰিছে মই এই কলেজত বিধায়ক পুঁজিৰ পৰা টকা দিয়াৰ উপৰিও মই সাধাৰণ সম্পাদক হৈ থকাৰ পৰা সেই কলেজৰ উন্নতিৰ কাৰণে লাগি আছো। ছেবাৰ কথা কৈছে ১৯৯১ চনত মুকুট শৰ্ম্মা যেতিয়া শিক্ষা মন্ত্ৰী আছিল তেতিয়া ছেবাৰ চেয়াৰম্যান শ্ৰীপি চৌধুৰী আছিল তেতিয়াৰ দিনৰে খেলিমেলি আমি ঠিক কৰিছো।

(হাহাকাৰ)

গুপ্ত হত্যাৰ তথ্য আমি দিব নোৱাৰা বুলি কৈছে কিন্তু গুপ্ত হত্যাৰ বিষয়ে মই এই বিধান সভাৰ মজিয়াত কি কৈছিলো ১৯৯১ চনৰ বিধান সভাৰ ৪ পৃষ্ঠা জোৰা কাৰ্য্যবিৱৰণী পঢ়িলে গম পাব। এইবিলাক আয়োগে সন্নিবিষ্ট নকৰিলে। তাৰ পিচত মোক আয়োগে মাতি নি সুধিলে 'আপুনি অস্ত্ৰ শস্ত্ৰ নিয়া দেখিছিল নে?' মই কৈছিলো দেখিছিলো কোনে যোগান ধৰিছিল নাজানো। তেতিয়া মই উপায়ুক্তৰ লগত বহি আছিলো। বিধান সভাৰ মজিয়াত কোৱা কথাখিনি সন্নিবিষ্ট হৈছে নে নাই নাজানো। বাতৰি কাকতে কিবা কিবি কৈছে কি চোৰ্চৰ পৰা কৈছে নাজানো। মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মাই উল্লেখ কৰিছে। ৰাইজে তেওঁৰ কথা বিশ্বাস নকৰে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত যুৱ মন্ত্ৰী গৰাকীয়ে এই কথা উল্লেখ কৰিলে নাজানো (পুনৰ হাহাকাৰ)

**মাননীয় অধ্যক্ষ ঃ** আপুনি দিবেট আৰম্ভ নকৰিব মাত্ৰ প্ৰস্তাৱটো উঠাই লব নে নাই কওঁক।

(হাহাকাৰ একো শুনা নাযায়)

---

☆ Speech not corrected

Now, I put the Motion befor the House.

The motion is that-"the House do now resolves that the House (Assam Legislative Assembly) has lost confidence in the whole ministry of Assam led by Shri Tarun Gogoi, Hon'ble Chief Minister, Assam for total failure of the Government in all fronts viz. 'deterioration of law and order situation in the State, Financial irregularities and mismanagement. 'Failur to hold National Games in time"corruption in various Govt. Department', 'failure to solve unemployment problems and other premises made by Government' on the floor of the Assembly"

Those who are in favour, say, 'Ayes',
Those who are against say, 'Noes',
Noes' have it, 'Noes' have it, 'Noes' have it
The No Confidence Motion is lost.

## ANNOUNCEMENT FROM THE CHAIR

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এটা ঘোষণা আছে। বিধান সভাৰ চলিত অধিবেশনৰ ২৯ নবেম্বৰৰ দিনা সদনত মাননীয় সদস্য, শ্রী পবীন্দ্র ডেকা ডাঙৰীয়াই শূণ্যকালীন জাননীৰ নিয়মৰ অধীনত উত্থাপন কৰা "বিধান সভাৰ অধিবেশনৰ ক্ষণত শাসক-বিৰোধীলৈ আছুৰ আহ্বান, উচ্চ সদন গঠনৰ পদক্ষেপ গ্ৰহণ কৰক" শীৰ্ষক বিষয়টোৰ ওপৰত বিস্তৃত আলোচনাৰ অন্তত চৰকাৰী আৰু বিৰোধী উভয় পক্ষই সৰ্বসন্মত ভাৱে এক সিদ্ধান্তত উপনীত হৈ ১৯৯৫ চনত তেতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ চৰকাৰে অসমত উচ্চ সদন গঠনৰ সপক্ষে মত প্ৰকাশ কৰি অসম বিধান সভাত উত্থাপন তথা গৃহীত কৰা সৰ্বসন্মত চৰকাৰী প্ৰস্তাৱটোৰ প্ৰতি পূৰ্ণ সমৰ্থন জনায়।

১৯৯৫ চনৰ চৰকাৰী প্ৰস্তাৱটোকে দোহাৰি কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে সংসদত অসমৰ বাবে অনতি পলমে উচ্চ সদন গঠনৰ আইন প্ৰণয়ন কৰাৰ যাবতীয় ব্যৱস্থা লোৱাৰ দাবী জনাবলৈ অসম বিধান সভাৰ এটা সৰ্বদলীয় প্ৰতিনিধি দল প্ৰেৰণ কৰিবলৈ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেই সিদ্ধান্তমৰ্মে ইয়াত নাম উল্লেখ কৰা সদস্য সকলক লৈ গঠন কৰা সৰ্বদলীয় প্ৰতিনিধি দল গঠন কৰা হ'ল।

| | | | |
|---|---|---|---|
| ১। | শ্ৰীপৃথিবী মাঝি, অধ্যক্ষ, অসম বিধান সভা | - | দলপতি |
| ২। | শ্ৰীভৰত চন্দ্ৰ নৰহ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী, অসম | - | সদস্য |
| ৩। | শ্ৰীৰিপুন বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী, অসম | - | সদস্য |
| ৪। | শ্ৰীৰূপন সিং ৰংহাঙ, বিধায়ক | - | সদস্য |
| ৫। | শ্ৰীবিদ্যাসিং ইংলেঙ, বিধায়ক | - | সদস্য |
| ৬। | শ্ৰীহেমন্ত তালুকদাৰ, বিধায়ক | - | সদস্য |
| ৭। | শ্ৰীমদন কলিতা, বিধায়ক | - | সদস্য |
| ৮। | ডঃ ইদ্ৰিছ আলি, বিধায়ক | - | সদস্য |
| ৯। | শ্ৰীবৃন্দাবন গোস্বামী, বিধায়ক | - | সদস্য |
| ১০। | শ্ৰীবিমলাংশু ৰয়, বিধায়ক | - | সদস্য |
| ১১। | শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, বিধায়ক | - | সদস্য |
| ১২। | শ্ৰীপবীন্দ্ৰ ডেকা, বিধায়ক | - | সদস্য |

সৰ্বদলীয় প্ৰতিনিধি দলটোৰ নতুন দিল্লীলৈ যাত্ৰা কৰাৰ দিন পিচত ঘোষণা কৰা হব। আশাকৰো সদনে ইয়াত সন্মতি প্ৰদান কৰিব।

# VALEDICTORY SPEECH

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ধন্যবাদ সূচক প্ৰস্তাৱ। একাদশ অসম বিধান সভাৰ ত্ৰয়োদশ তথা ২০০৫ চনৰ নবেম্বৰ-ডিচেম্বৰ অধিবেশন যোৱা ২৮ নবেম্বৰ, ২০০৫ তাৰিখে আৰম্ভ হৈ ৪ দিন সদনৰ কাৰ্য্যক্ৰমণিকা সম্পন্ন হোৱাৰ অন্তত আজি ১-১২-২০০৫ তাৰিখে অধিবেশনৰ অন্ত পৰিছে। এইবাৰৰ অধিবেশন চমু আছিল যদিও কেউদিনৰ কাৰ্য্যসূচীত ৰাজ্যখনৰ জলন্ত সমস্যাকে ধৰি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত শাসকীয় আৰু বিৰোধী উভয় পক্ষৰ মাননীয় সদস্যসকলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীত সন্নিবিষ্ট নিয়মৰ আধাৰত সদনত উত্থাপন কৰি আলোচনা কৰাৰ সুযোগ লাভ কৰে আৰু উক্ত বিষয়বোৰৰ ওপৰত শাসনাধিষ্ঠ পক্ষৰ পৰাও চৰকাৰৰ দৃষ্টি ভঙ্গী আৰু চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে স্পষ্ট কৰি দিয়ে।

এইবাৰৰ অধিবেশনৰ ৩০-১১-২০০৫ তাৰিখৰ দিনটোত সদনৰ কামকাজ

দুয়োবেলা অনুষ্ঠিত হয়। সদনৰ কামকাজ পোনতে কাৰ্য্যউপদেষ্টা সমিতিৰ সিদ্ধান্তমৰ্মে তিনিদিন অৰ্থাৎ ২৮, ২৯ আৰু ৩০ নবেম্বৰ নিৰ্দ্ধাৰিত কৰা হৈছিল যদিও সদনৰ প্ৰথম দিনাই অনাস্থা প্ৰস্তাৱ এটা আলোচনা কৰিবলৈ গৃহীত হোৱাত সদনৰ কাৰ্য্যউপদেষ্টা সমিতিৰ সিদ্ধান্তমৰ্মে এদিনৰ বাবে সদনৰ কাৰ্য্যসূচী অৰ্থাৎ ১ ডিচেম্বৰ, ২০০৫ তাৰিখলৈ বৃদ্ধি কৰা হয়।

সদনত এইবাৰ তিনিদিন চৰকাৰী কাৰ্য্যসূচী আৰু এদিন বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচী সম্পাদিত হয়।

এইবাৰৰ অধিবেশনত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৬ নং নিয়মৰ অধীনত বিৰোধী পক্ষৰ পৰা তিনিটা সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰি আলোচনা কৰিবলৈ বিচৰা হৈছিল যদিও অধ্যক্ষই প্ৰস্তাৱ কেইটা আলোচনাৰ বাবে সন্মতি প্ৰদান নকৰিলে। আনহাতে বিৰোধী পক্ষৰ পৰা বৰ্তমানৰ মন্ত্ৰী মণ্ডলীৰ ওপৰত আস্থাৰ অভাৱ ব্যক্ত কৰি দুটা অনাস্থা প্ৰস্তাৱ অনা হয়। তাৰে এটা অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ১৩৩(৪) নিয়মৰ অধীনৰ স্বৰ্তাৱলী পূৰণ নকৰাত সদনত উত্থাপনৰ অনুমতি প্ৰদান কৰা নহ'ল। আনটো প্ৰস্তাৱ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ১১৩ (৩) নিয়মৰ অধীনৰ স্বৰ্তাৱলী পূৰণ কৰাত সদনত আলোচনাৰ বাবে অনুমতি দিয়া হয়। সেইমতে ১-১২-২০০৫ তাৰিখে অনাস্থা প্ৰস্তাৱটো আলোচনা কৰি সদনে ধ্বনি ভোটত প্ৰস্তাৱটো নাকচ কৰে।

সদনত আলোচনাৰ বাবে মাননীয় সদস্যসকলৰ পৰা পোৱা ১১৪ টা মৌখিক প্ৰশ্নৰ ৬০ টা আলোচনাৰ বাবে গৃহীত কৰা হয় আৰু ৬০ টা প্ৰশ্নৰ উত্তৰ দান কৰা হয়। ৫৪ টা লিখিত প্ৰশ্নৰ বিপৰীতে ১০১ টাৰ আলোচনাৰ বাবে গৃহীত হয় আৰু ১০০ টা উত্তৰ দান কৰা হয়। তৰাযুক্তৰ পৰা ৪৯ টা তৰাবিহীন প্ৰশ্নলৈ ৰূপান্তৰ কৰা হয় আৰু উত্তৰসমূহ সদনৰ মেজত ৰখা হয়। ৫ খন শূণ্যকালীন সময়ৰ জাননী নিয়ম অনুসৰি সদনত উত্থাপন কৰি উত্তৰ দান কৰা হয়। ১ টা বে-চৰকাৰী সদস্যৰ সংকল্প প্ৰস্তাৱ সদনত আলোচনাৰ বাবে গৃহীত হয় আৰু সদনত প্ৰস্তাৱটো আলোচিত হয় যদিও গৃহীত কৰা নহ'ল। সদনে ৪৮ খন হ্ৰস্ব কালীন সময়ৰ জাননীৰ প্ৰশ্ন নিষ্পত্তি কৰে। সদনে ৪ খন চৰকাৰী বিধেয়ক আৰু এখন বিনিয়োজন বিধেয়ক আলোচনাৰ অন্তত গৃহীত কৰে।

এইবাৰ সদনত মুঠ ৯ গৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগত শোক প্ৰস্তাৱ পাঠ কৰি গৃহীত কৰা হয়। সৰ্বদলীয় প্ৰতিনিধি দলৰ এখন প্ৰতিবেদনকে ধৰি সদন সমিতিৰ আন এখন, মুঠ দুখন প্ৰতিবেদন সদনত দাখিল কৰা হয়। শূণ্যকালীন জাননী এখনৰ আলোচনা তথা উত্তৰ দানৰ কালত ৰাজ্যখনৰ বাবে এক উচ্চ সদন গঠন কৰাৰ বাবে সদনত আলোচনা কৰা হয় আৰু ১৯৯৫ চনত প্ৰয়াত হিতেশ্বৰ শইকীয়া মন্ত্ৰী সভাই অসম বিধান সভাত গৃহীত কৰা চৰকাৰী প্ৰস্তাৱটো পুনৰ দোহাৰি উচ্চ সদন গঠনৰ সপক্ষে সদনে সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ এটা সৰ্বদলীয় প্ৰতিনিধি

দল নতুন দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰক অসম বিধান সভাৰ সৰ্বসন্মত প্ৰস্তাৱ অৱগত কৰি উচ্চ সদন গঠনৰ বাবে সংসদত আইন প্ৰণয়ণ কৰাৰ বাবে স্মাৰক পত্ৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

অধিবেশনৰ কাৰ্য্যসূচী পৰিচালনা কৰাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ দি সহযোগিতা আগবঢ়োৱাৰ বাবে সদনৰ নেতা তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়ালৈ মোৰ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীভৰত চন্দ্ৰ নৰহ, অসম চৰকাৰৰ বিভিন্ন বিভাগৰ মাননীয় মন্ত্ৰী সকল, শাসকীয় দলৰ মাননীয় সদস্য-সদস্যা সকল, বিৰোধী দল আৰু গোট সমূহৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি অসম বিধান সভাৰ হৈ মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো

সদনৰ কাৰ্য্যসূচী পৰিচালনাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় উপাধ্যক্ষ শ্ৰীটংক বাহাদুৰ ৰাই ডাঙৰীয়ালৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। তদুপৰি সদন পৰিচালনাৰ বাবে মনোনীত বিধায়ক সভাপতি কেউগৰাকীৰ প্ৰতিও বিশেষ ধন্যবাদ জ্ঞাপন কৰা হ'ল।

অধিবেশনৰ কাম-কাজ সূচাৰুৰূপে পৰিচালনা কৰোতে আগবঢ়োৱা সকলো প্ৰকাৰৰ সেৱা আৰু সহযোগিতাৰ বাবে অসম বিধান সভাৰ সচিবকে ধৰি সচিবালয়ৰ সকলো পৰ্য্যায়ৰ বিষয়া কৰ্ম্মচাৰীলৈ আমাৰ আন্তৰিক শলাগ জনালো।

অধিবেশনৰ কেউদিনৰ কামকাজ নিয়াৰিকৈ সম্পন্ন কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ মুখ্য সচিবকে ধৰি ৰাজ্যচৰকাৰৰ বিভিন্ন বিভাগৰ সকলো পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰী, বিধান সভা চৌহদৰ ভিতৰে বাহিৰে নিৰাপত্তাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ বাবে অসম আৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰমূখ্যে বিভাগটোৰ বিষয়া কৰ্মচাৰীৰ প্ৰতি অসম বিধান সভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

গুৱাহাটী দূৰদৰ্শন, আকাশবাণী গুৱাহাটী কেন্দ্ৰকে ধৰি ইলেকট্ৰনিক মাধ্যমৰ দুটা অনুষ্ঠানে বিধান সভাৰ কাৰ্য্যসূচীৰ বা-বাতৰি প্ৰচাৰ কৰি সহযোগিতা আগবঢ়োৱাৰ বাবে উক্ত অনুষ্ঠান দুটালৈ অসম বিধানসভাৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলো। অধিবেশনৰ কেউদিনৰ কাৰ্য্যসূচীৰ বা-বাতৰি প্ৰচাৰেৰে সংবাদ মাধ্যমৰ সাংবাদিক বন্ধু সকলে আমালৈ আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেত সকললৈ অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

এই পৱিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰবাৰ তেখেতসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

ধন্যবাদ

জয়হিন্দ

The House stands adjourned sin die.

## ADJOURNMENT

The House then stood adjourned sine -die at 2-00 P.M.

G. P. Das
Secretary,
Assam Legislative Assembly

Dispur :
The 1st December, 2006